● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

# দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৭০তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৫ চ'ত ১৪২৮ ভাস্কৰাব্দ ৩০ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Wednesday 30 March 2022 মূল্য ঃ ৯.০০ টকা



● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

বৰ্বৰ জাতিৰ বাহিৰে সমস্ত পৃথিৱীক কিতাপেই শাসন কৰে।



ভল্টেয়াৰ
*দাৰ্শনিক*

www.dainikagradoot.in

৭ ইমৰানৰ বিৰুদ্ধে অনাস্থা দাখিল
১৫ ছেমিফাইনেলত ইউনাইটেড চিৰাং এফ চি
৪ উত্তৰ-পূৰক লৈ দবাখেল
নিবনুৱাক লৈ ৰাজনীতি



RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৭০তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৫ চ'ত ১৪২৮ ভাস্কৰাব্দ ৩০ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Wednesday 30 March 2022 মূল্য ঃ ৯.০০ টকা

■ দুই ৰাজ্যৰ ১২টা বিবদমান অঞ্চলৰ ভিতৰত ছটাৰ সমাধানৰ চুক্তি ■ গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত স্বাক্ষৰ কৰিলে দুই মুখ্যমন্ত্ৰী শৰ্মা-চাংমাই ■ ৫০ বছৰৰ পুৰণি বিবাদ সমাধানৰ পথত

# দিল্লীত অসম-মেঘালয়ৰ চুক্তি সম্পন্ন





**বিবাদমুক্ত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক ঐতিহাসিক দিন ঃ শ্বাহ ■ মাইলৰ খুঁটি আখ্যা শৰ্মাৰ**

■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ

নতুন দিল্লী/গুৱাহাটী, ২৯ মাৰ্চ ঃ দীৰ্ঘদিনীয়া বিবাদ, সংঘাতময় পৰিস্থিতিৰ পাছত আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ কনৰাড চাংমাই দুই ৰাজ্যৰ সীমা সমস্যা সমাধানৰ উদ্দেশ্যে এক চুক্তিত স্বাক্ষৰ কৰে। ৫০ বছৰীয়া পুৰণি সীমা বিবাদ নিষ্পত্তিৰ বাবে স্বাক্ষৰিত এই চুক্তি ঐতিহাসিক বুলি অভিহিত কৰিছে গৃহমন্ত্ৰী শ্বাহে। আজি সম্পাদিত চুক্তিৰ দ্বাৰা দুই ৰাজ্যৰ মাজৰ মুঠ সীমাৰ দৈৰ্ঘ্যৰ ৭০ শতাংশ বিবাদমুক্ত হ'ল বুলিও তেওঁ মন্তব্য কৰে। আজিৰ চুক্তিৰ দ্বাৰা ১২টা বিবদমান অঞ্চলৰ ছটাৰ সমাধান সূত্ৰ উলিওৱা হয়। এই সম্পৰ্কত গৃহমন্ত্ৰী শ্বাহে কয়, 'আজিৰ দিনটো বিবাদমুক্ত উত্তৰ-পূৰ্বৰ বাবে এক ঐতিহাসিক দিন। নৰেন্দ্ৰ মোদীয়ে ২০১৪ত প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰে পৰা উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি, সমৃদ্ধি, বিকাশ, সাংস্কৃতিক সম্ভাৰ সংৰক্ষণৰ বাবে বহু পদক্ষেপ লৈছে আৰু মই ইয়াৰে সাক্ষী।' তদুপৰি তেওঁ কয়, 'মই গৃহমন্ত্ৰী হোৱাৰ পাছৰে পৰা অসমৰ লগতে আন ৰাজ্য কেইখনৰো সীমা সমস্যা সমাধানৰ বাবে প্ৰয়াস কৰিছিলো। ২০২১ৰ ২৪ জুলাইত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ স'তে হোৱা বৈঠকত অসমে সহৃদয়তা প্ৰদৰ্শন কৰি *আঠ পৃষ্ঠাত চাওক*

■ কাইলৈ ৰাজ্যসভাৰ নিৰ্বাচন ■ দিছপুৰত আকৰ্ষণীয় তৎপৰতা ■ এখনৰ পাছত আনখন বৈঠক ■ এআইইউডিএফে নিশ্চিত কৰিলে ১৫টা ভোট ■ দুই দলৰ পৃথক এজেণ্ট নিয়োগ

## অনিশ্চয়তাই ঘেৰি ধৰিছে কংগ্ৰেছক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** মাজত মাত্ৰ এটা দিন থকা অৱস্থাত ৰাজ্যসভাৰ নিৰ্বাচনক লৈ দিছপুৰৰ ৰাজনৈতিক পৰিৱেশে আকৰ্ষণীয় ৰূপ লৈছে। দুখন আসনক লৈ অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনৰ দ্বিতীয়খন আসন শাসক নে বিৰোধীৰ দখললৈ যাব তাক লৈয়ে অব্যাহত আছে সৰ্বাধিক চৰ্চা। বিধায়কৰ সংখ্যাৰ হিচাপেৰে এই



*ৰাজ্যসভাৰ নিৰ্বাচনৰ তিনি প্ৰাৰ্থী।*

আসনখন বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী ৰিপুন বৰাৰ দখললৈ যোৱাত কোনো অস্বাভাৱিকতা নাই; কিন্তু শাসকপক্ষই দ্বিতীয়খনতো জয়লাভ কৰিব বুলি বাৰম্বাৰ কৰি অহা দাবীয়ে বিৰোধীক বাৰে বাৰে ভোটৰ হিচাপ কৰিবলৈ বাধ্য কৰাইছে। ইয়াৰ মাজতে কালি স্বয়ং মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে দ্বিতীয় আসনখনত বিজেপি মিত্ৰজোঁটে ভাল *১০ পৃষ্ঠাত চাওক*

## চাৰি বছৰত কাজিৰঙা উদ্যানত বৃদ্ধি দুশটা গঁড়


### গণনাত ওলাল ২৬১৩ গঁড়ৰ উপস্থিতি

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ/বোকাখাত, ২৯ মাৰ্চ ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কালি সম্পন্ন হোৱা গণনাত পোহৰলৈ আহিছে ২৬১৩টা গঁড়ৰ উপস্থিতিৰ তথ্য। ২০১৮ত ২৪১৩টাৰ তুলনাত এইবাৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ কলিয়াবৰৰ অন্তৰ্গত বুঢ়াপাহাৰ, বাগৰি বনাঞ্চল দুখনৰ লগতে *১০ পৃষ্ঠাত চাওক*

## বিশিষ্ট শিক্ষাবিদ শশীপ্ৰভা বৰগোহাঞিৰ দেহাৱসান

### যোৰহাটত শোকৰ ছাঁ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৯ মাৰ্চ ঃ** অসমৰ আগশাৰীৰ অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান জোনাকী সংঘ বিদ্যালয়ৰ প্ৰতিষ্ঠাতা তথা বিশিষ্ট শিক্ষাবিদ, *১০ পৃষ্ঠাত চাওক*

## কৃষ্ণাইত বন্যহস্তীৰ আক্ৰমণত মহিলাৰ মৃত্যু

### কথমপি ৰক্ষা স্বামীসহ দুই শিশু সন্তানৰ

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২৯ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত আজি পুৱা বন্যহস্তীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু হয়। এই ঘটনা সংঘটিত হয় *১০ পৃষ্ঠাত চাওক*

## বন্যপ্ৰাণীৰ অংগৰ চোৰাং ব্যৱসায়ী গ্ৰেপ্তাৰ নামেৰীত


**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৯ মাৰ্চ ঃ** বিৰল জৈৱ বৈচিত্ৰ্যৰে ভৰা নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ প্ৰতি দীৰ্ঘদিনৰ পৰাই চোৰাং চিকাৰীৰ লোলুপ দৃষ্টি পৰি আহিছে। ইয়াৰ মাজতে আজি বন বিভাগে *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২২° |
| ডিব্ৰুগড় | ২৬° | ২১° |
| দিল্লী | ৩৯° | ২২° |
| কলকাতা | ৩৬° | ২৭° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩৪° | ২১° |
| শ্বিলং | ২২° | ১৪° |

২৯ মাৰ্চ, ২০২২

### চেঙা তেল




*বৰ আছে দিন চিএৰিছিল নহয়, যাওক— এহেজাৰ টকা দিলো, মোনা ভৰাই বজাৰ কৰি আনক!*

■ ৰিজাৰ্ভ বেংকৰ উদ্বেগজনক তথ্য ■ আঠটা বিভাগত প্ৰতাৰণাৰ সন্মুখীন হৈছে ৰাষ্ট্ৰীয়কৃত বেংকসমূহ ■ বৃহৎ ঋণ দি সমস্যাত

## জালিয়াতিৰ বাবে সাত বছৰত দৈনিক এশ কোটিকৈ হেৰুৱাইছে বেংকে

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৯ মাৰ্চ ঃ** দৈনিক প্ৰতাৰণাৰ বলি হৈ আছে দেশৰ ৰাষ্ট্ৰীয়কৃত বেংকসমূহ। ফলত অদূৰ ভৱিষ্যতে ভয়াৱহ বিপৰ্যয় আহি পৰাৰ আশংকা সৃষ্টি হৈছে। সম্প্ৰতি এনে এক উদ্বেগজনক তথ্য সদৰী কৰিছে ভাৰতীয় ৰিজাৰ্ভ



বেংকে। নীৰৱ মোদী-মেহুল ছোক্সী প্ৰতাৰণাকাণ্ডত পঞ্জাৱ নেছনেল বেংকৰ ক্ষতিৰ অংকত যোগ হৈছিল প্ৰায় ১৩ হেজাৰ কোটি টকা। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ পৰা প্ৰায় ন হেজাৰ কোটি টকা পাওনা বাকী ৰাখি গোপনে দেশ এৰি পলায়ন কৰিছিল বিজয় *১০ পৃষ্ঠাত চাওক*

**ইন্ধনৰ মূল্যবৃদ্ধিৰ পাছত আন এক মাধমাৰ**

## ৰাজ্যত পহিলা এপ্ৰিলৰ পৰা টোল কৰৰ পৰিমাণ কমেও পাঁচ শতাংশ বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ে শেহতীয়াকৈ ৬০ কিলোমিটাৰ ব্যৱধানতহে ৰাষ্ট্ৰীয় ঘাইপথত টোলগেট থাকিব বুলি লোৱা সিদ্ধান্তই সাধাৰণ ৰাইজক সকাহ দিব বুলি আশা কৰিলেও সেয়া ক্ষণস্থায়ীহে হ'ল। কাৰণ চৰকাৰে টোল কৰ বৃদ্ধিৰ পদক্ষেপ লৈছে। অহা পহিলা এপ্ৰিলৰ পৰাই অসমত টোল কৰৰ নতুন নিৰিখ *১০ পৃষ্ঠাত চাওক*

## ২০২২-২৩ৰ বাজেটত অনুমোদন বিধানসভাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** অসম চৰকাৰে যোৱা ১৬ মাৰ্চত উত্থাপন কৰা বাজেটত আজি বিধানসভাই অনুমোদন দিয়ে। ইয়াৰ ফলত চৰকাৰে ২০২২-২৩ বিত্তীয় বৰ্ষত একত্ৰীকৃত নিধিৰ *১০ পৃষ্ঠাত চাওক*

## অসমৰ ৰাষ্ট্ৰীয় ঘাইপথত ১০ উৰণীয়া সেতু নিৰ্মাণত কেন্দ্ৰৰ অনুমোদন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** অসমত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মাণ হ'ব ১০ খন উৰণীয়া সেতু। আজি এই প্ৰকল্পত অনুমোদন জনায় ৰাষ্ট্ৰীয় ঘাইপথ *১০ পৃষ্ঠাত চাওক*

■ ৰাজ্যত বিজেপি বিৰোধী ঐক্যলৈ সন্দেহ ■ ৰাজ্যসভা নিৰ্বাচনৰ দুৱাৰডলিত সহযোগী দলক বিশ্বাসঘাতক-প্ৰবঞ্চক আখ্যা কংগ্ৰেছৰ

## ইউডিএফৰ পাঁচ বিধায়কক বিক্ৰী কৰি গ'ল আজমলে ঃ ভূপেন বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** বহু চৰ্চিত ৰাজ্যসভা নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন থকা অৱস্থাত বিজেপিৰ বিৰুদ্ধে ৰাজ্যত বিৰোধী ঐক্য আছে নে নাই তাক লৈ পুনৰ প্ৰশ্ন উত্থাপিত হৈছে। নিৰ্বাচনৰ ক্ষণ গণনা আৰম্ভ হোৱাৰ সময়ত আজি কংগ্ৰেছে এআইইউডিএফৰ বিৰুদ্ধে বিশ্বাসঘাতকতা, প্ৰবঞ্চনাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত স্বয়ং দলৰ সভাপতি ভূপেন বৰাই এই অভিযোগ কৰি কয় যে এআইইউডিএফৰ পাঁচজন বিধায়ক ইতিমধ্যে বিজেপিৰ ওচৰত বিক্ৰী গৈছে। যি সময়ত এআইইউডিএফে তেওঁলোকৰ ১৫ জন বিধায়কৰে ভোট ৰিপুন বৰাই পোৱাটো নিশ্চিত বুলি ঘোষণা কৰি কংগ্ৰেছৰ ভূমিকাক লৈহে *১০ পৃষ্ঠাত চাওক*

**ৰাজ্যসভাক লৈ বিৰোধী শিবিৰৰ যুযুধানৰূপ**

## ৰিপুনক ৰাজনৈতিকভাৱে হত্যা কৰাৰ কৌশল ভূপেন বৰাৰ ঃ ইউডিএফ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** ৰাজ্যসভা নিৰ্বাচনৰ বাবে মাজত মাত্ৰ এদিন থকা অৱস্থাত হঠাতে ছন্দপতন ঘটিল বিৰোধী ঐক্যৰ। প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী ভূপেন বৰাই এআইইউডিএফৰ বিৰুদ্ধে কটু মন্তব্য কৰাক লৈ বিৰোধী ঐক্যত বৃহৎ ফাট মেলাৰ সম্ভাৱনা প্ৰকট হৈছে। ইতিমধ্যে ইউডিএফেও যুযুধান ৰূপ ধাৰণ কৰি ভূপেন বৰাক অপৰিপক্ক নেতা আখ্যা দিছে। দলৰ বিধায়ক আমিনুল ইছলামে কয় *আঠ পৃষ্ঠাত চাওক*




*ডিঙিত সুদৃশ্য ফুলাম পাটৰ গামোচা লৈ প্ৰসিদ্ধ বাঙালী অভিনেতা ভিক্টৰ বেনাৰ্জীয়ে পদ্মভূষণ বঁটা গ্ৰহণ কৰিলে ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দৰ পৰা, নতুন দিল্লীত সোমবাৰে।*

**চিএমআইইৰ প্ৰতিবেদনত দেশৰ কৰ্মসংস্থাপনক লৈ উদ্বেগজনক তথ্য**

## নিবনুৱা ৮.২৪ শতাংশলৈ বৃদ্ধি

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৯ মাৰ্চ ঃ** দেশত উদ্বেগজনক হাৰত বৃদ্ধি পাইছে নিবনুৱাৰ সংখ্যা। প্ৰতি সপ্তাহতে বৃদ্ধি পাইছে নিবনুৱাৰ হাৰ। কেন্দ্ৰই দেশত কৰ্মসংস্থান বৃদ্ধিৰ দাবী কৰিলেও ভাৰতীয় অৰ্থনীতিৰ নিৰীক্ষণকাৰী সংস্থা



চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক'নমি (চিএমআইই)ৰ শেহতীয়া প্ৰতিবেদনত ইয়াৰ বিপৰীত ছবি এখনহে প্ৰকাশ পাইছে। সংস্থাটোৰ সমীক্ষাই জনাইছে যে যোৱা ২৭ মাৰ্চত অন্ত পৰা সপ্তাহটোত দেশৰ নিবনুৱাৰ হাৰ ৮.২৪ শতাংশলৈ *১০ পৃষ্ঠাত চাওক*

**স্বাভাৱিক জীৱনযাত্ৰা বাধাগ্ৰস্ত ■ ঠায়ে ঠায়ে ধৰ্মঘটকাৰীক গ্ৰেপ্তাৰ**

## ধৰ্মঘটৰ দ্বিতীয়দিনাও ৰাজ্যত বেংক-পৰিবহণ-উদ্যোগ প্ৰতিষ্ঠান ব্যাহত



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** কেন্দ্ৰীয় চৰকাৰৰ জনবিৰোধী নীতিৰ প্ৰতিবাদত কালিৰে পৰা পালন কৰা ধৰ্মঘটে ৰাজ্যত আজিও ব্যাপক প্ৰভাৱ পেলায়। আজিও অসমৰ প্ৰায় সকলো উদ্যোগ প্ৰতিষ্ঠান, অধিকাংশ বেংক, বীমা, ডাক, প্ৰতিৰক্ষা, টেলিকম, তৈল উদ্যোগ, চাহ বাগান, পৰিবহণ, নিৰ্মাণ খণ্ড, কল-কাৰখানা আদি বন্ধ হৈ পৰে। গুৱাহাটী মহানগৰীত বেচৰকাৰী বাছ সেৱা কিছু পৰিমাণে চলাচল কৰে যদিও ৰাজ্যৰ আন আন *১০ পৃষ্ঠাত চাওক*

## খাৰুপেটীয়াৰ হনুমান মন্দিৰৰ মূল্যবান মূৰ্তি-নগদ ধন চুৰি

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২৯ মাৰ্চ ঃ** দৰঙৰ খাৰুপেটীয়াস্থ হনুমান মন্দিৰত যোৱা নিশা সংঘটিত হোৱা এক চুৰিকাণ্ডই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চোৰে মহাবীৰ ৰোডস্থিত ঐতিহাসিক হনুমান মন্দিৰ খাৰুপেটীয়া ঘামত প্ৰৱেশ কৰি পূজাস্থলীৰ প্ৰৱেশদ্বাৰত থকা তিনিটাকৈ তলা ভাঙি চুৰিকাৰ্য *১০ পৃষ্ঠাত চাওক*

## ঋণৰ বোজা সহিব নোৱাৰি বিশ্বনাথত চিপ ল'লে যুৱকে

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৯ মাৰ্চ ঃ** ঋণৰ বোজা সহিব নোৱাৰি আত্মহননৰ পথ বাচি ল'লে বিশ্বনাথ চাৰিআলিৰ এজন সৰবৰহী যুৱকে। বিশ্বনাথ ঘাটৰ নিবাসী মনোজ বৰুৱাৰ চিপ লোৱা মৃতদেহ আজি নিজগৃহৰ পৰাই *১০ পৃষ্ঠাত চাওক*

**আঁচনি ৰূপায়ণত সংখ্যালঘু অঞ্চলত বৈষম্যৰ অভিযোগ তুলি সদন ত্যাগ কংগ্ৰেছ বিধায়কৰ**

## '২৩ৰ আগষ্টত সম্পূৰ্ণ হ'ব চৰকাৰী গৃহ নিৰ্মাণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** কেন্দ্ৰীয় চৰকাৰে অসমক চৰকাৰী আঁচনিৰ অধীনত নতুনকৈ মুঠ ১২ লাখ ঘৰৰ আবণ্টন দিছে বুলি বিধানসভাত সদৰী কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাসে। ২০২১-২২ বিত্তীয় বৰ্ষত সাত লাখ ঘৰৰ আবণ্টন দিয়াৰ পাছত শেহতীয়াভাৱে ১,৭১,০৪৪টা গৃহ নতুনকৈ আবণ্টন দিয়াৰ লগতে আৱাস প্লাছৰ অধীনত ৩,৩১,০০০টা গৃহৰ আবণ্টন দিয়া বুলি উল্লেখ কৰি মন্ত্ৰীজনে কয় যে ২০২৩ৰ আগষ্টৰ ভিতৰত ৰাজ্যত সম্পূৰ্ণ হ'ব প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ গৃহ নিৰ্মাণ। উল্লেখ্য যে বিধায়ক ৰেকিবুদ্দিন আহমেদে মৌখিক প্ৰশ্ন কৰিছিল যে বিগত চৰকাৰৰ কাৰ্যকালত কিমানটা ঘৰ চৰকাৰী আঁচনিত আবণ্টন দিয়া হৈছিল, ইয়াৰ কিমান আধৰুৱা অৱস্থাত আছে। উত্তৰত মন্ত্ৰীয়ে সদনত দাঙি ধৰা তথ্য অনুসৰি ২০১৬ৰ নৱেম্বৰত এই আঁচনি আৰম্ভ কৰা হৈছিল আৰু বিগত চৰকাৰৰ কাৰ্যকালত ২০১৬ৰ নৱেম্বৰৰ পৰা ২০২১ৰ এপ্ৰিললৈ মুঠ আবণ্টিত গৃহৰ সংখ্যা হৈছে ৬,৪১,৪৩৩টা আৰু ইয়াৰে ভিতৰত ৪,০২,৯০০টা গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছিল। বৰ্তমানলৈ মুঠ ৭,৪০,৭৩৪টা *১০ পৃষ্ঠাত চাওক*

■ বিধানসভাত কৃষি বিভাগৰ আলোচনাত কৃষিমন্ত্ৰী ■ অসমৰ ২৮ শতাংশই উপান্ত খেতিয়ক ■ কৃষি জৰীপ চলাবলৈ সদনৰ পৰামৰ্শ

## পঞ্জাবলৈ নহয় খেতি চাবলৈ বিষয়াই ধুবুৰী-বৰপেটা-দৰঙলৈ যাওক ঃ বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মাৰ্চ ঃ** অসমৰ কৃষকেও উৎপাদনত নিদৰ্শন দেখুৱাব পাৰে। সেই নিদৰ্শন প্ৰত্যক্ষ কৰিবলৈ অসমৰ কৃষি বিষয়াই ধুবুৰী, বৰপেটা, দলগাঁও, মৰিগাঁৱলৈ গ'লেই হ'ব, তাৰ বাবে ভিয়েটনামলৈ যোৱাৰ প্ৰয়োজন নাই বুলি আজি বিধানসভাত মন্তব্য কৰে কৃষিমন্ত্ৰী অতুল বৰাই। চলিত বাজেট অধিবেশনত কৃষি বিভাগৰ কৰ্তন প্ৰস্তাৱৰ বিতৰ্কৰ উত্তৰত মন্ত্ৰী বৰাই লগতে কয় যে অসমৰ ৭০ শতাংশ লোক কৃষিজীৱী। তাৰে বেছিভাগেই উপান্ত খেতিয়ক। বৰাই কয়, 'আমাৰ ৰাজ্যখনত ২৭.৪২ লাখ কৃষিজীৱী পৰিয়াল আছে। তাৰে ২৮ শতাংশ উপান্ত খেতিয়ক। ১৩ শতাংশ মধ্যমীয়া আৰু ১৮ শতাংশ ক্ষুদ্ৰ খেতিয়ক। আমাৰ মিত্ৰজোঁটৰ চৰকাৰে অসমৰ *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ১৫ চ'ত ১৪২৮ ভাস্কৰাব্দ ৩০ মাৰ্চ ২০২২

# গাডকাৰীৰ পৰামৰ্শ

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে যে তেওঁ দেশত কংগ্ৰেছ শক্তিশালী হোৱাটো বিচাৰে। তেওঁৰ মতে কংগ্ৰেছৰ দুৰ্বলতাই উলিয়াই দিয়া ৰাজনৈতিক ঠাইখিনি আঞ্চলিক দলসমূহে বিৰোধী দল হিচাপে পূৰণ কৰিবলৈ লোৱাটো ভাল লক্ষণ নহয়।

পুণেত যোৱা শনিবাৰে অনুষ্ঠিত এক সাংবাদিক পুৰস্কাৰ প্ৰদান অনুষ্ঠানত গাডকাৰীয়ে কৈছে যে গণতন্ত্ৰত শক্তিশালী বিৰোধী দল থকাটো অত্যাৱশ্যকীয়। সেয়েহে কংগ্ৰেছ দুৰ্বল হোৱাটো কাম্য নহয় বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। তেওঁৰ মতে আঞ্চলিক দলসমূহে কংগ্ৰেছৰ ঠাই দখল কৰাটো শুভ লক্ষণ নহয়। বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতা তথা গুৰুত্বপূৰ্ণ মন্ত্ৰী নীতিন গাডকাৰীয়ে সদায়েই কালৈকো ভ্ৰূক্ষেপ নকৰি পানীক পানী বুলি অথবা মাটিক মাটি বুলি কোৱা দেশবাসীয়ে দেখি আহিছে। তেওঁ প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ উদাহৰণ দি কৈছে যে ১৯৫০ত লোকসভাৰ নিৰ্বাচনত বাজপেয়ী পৰাজিত হৈছিল। তথাপি তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে তেওঁক সন্মান কৰিছিল। গণতন্ত্ৰত বিৰোধীৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি গাডকাৰীয়ে কয় যে কংগ্ৰেছ শক্তিশালী হোৱাটো তেওঁ মনে-প্ৰাণে বিচাৰে। গাডকাৰীয়ে লগতে কৈছে যে কংগ্ৰেছীসকলে তেওঁলোকৰ আদৰ্শত অটল হৈ থকা উচিত আৰু দলতেই থকা উচিত। কংগ্ৰেছ পৰাজিত হ'লেও সেই পৰাজয়ৰ গ্লানিক লৈ বহি নাথাকি কাম কৰি যোৱা উচিত বুলি গাডকাৰীয়ে কোৱা কথাষাৰ তাৎপৰ্যপূৰ্ণ। অলপতে পাঁচখন ৰাজ্যত অনুষ্ঠিত হোৱা বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ শোচনীয় ফলাফলৰ পৰিপ্ৰেক্ষিতত গাডকাৰীয়ে এনেদৰে মন্তব্য কৰে। বৰ্তমান অসমত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনত ৰাজ্যৰ বিজেপি নেতৃত্বই যেনেদৰে বিৰোধী বিধায়কক শাসক পক্ষৰ প্ৰাৰ্থীক ভোট দিবলৈ প্ৰলোভিত কৰি আহিছে আৰু ইতিমধ্যে কংগ্ৰেছৰ এগৰাকী বিধায়কে দেখদেখকৈ বিজেপিৰ শিবিৰলৈ গৈ দলৰ পৰা নিলম্বিত হৈছে, তালৈ চাই গাডকাৰীৰ মন্তব্যক গুৰুত্ব দিবই লাগিব। তেওঁৰ মতে যিয়ে যিটো দলতেই নাথাকক কিয়, সেই দলৰ আদৰ্শত অটল হৈ থকাটো বাঞ্ছনীয়। ৰাজ্য বিধানসভাৰ আগন্তুক নিৰ্বাচনত অসমৰ কংগ্ৰেছ বিধায়কসকলে গাডকাৰীৰ উপদেশ শিৰোগত কৰি নিজৰ দলৰ প্ৰতি অনুগত হৈ থাকিলেই মংগল। গাডকাৰীয়ে সকলোকে মনত পেলাই দিয়ে যে ৮০ৰ দশকত তেওঁক নাগপুৰৰ শক্তিশালী কংগ্ৰেছ নেতা শ্ৰীকান্ত জিছকাৰে বিজেপি ত্যাগ কৰিবলৈ তেওঁক প্ৰচণ্ড হেঁচা দিছিল। তেতিয়া গাডকাৰীৰ ৰাজনৈতিক কেৰিয়াৰ বিপৰ্যয়ৰ সন্মুখীন হৈছিল। তথাপি গাডকাৰীয়ে ত্যাগ কৰা নাছিল।

বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলৰ মাজত যেতিয়া মতপাৰ্থক্যৰ সৃষ্টি হয়, তেতিয়া সেইসকল নেতা পৰস্পৰৰ শত্ৰু হৈ যোৱা বুলি ভবাটো ভুল বুলি গাডকাৰীয়ে ক'ব খোজে। মহাৰাষ্ট্ৰৰ শিৱসেনা নেতৃত্বাধীন সন্মিলিত চৰকাৰ আৰু বিৰোধী বিজেপিৰ নেতাসকলৰ মাজত বৰ্তমান যি শত্ৰুৰ লেখীয়া বাক্-বিতণ্ডা চলিছে তাৰ পৰিপ্ৰেক্ষিততেই গাডকাৰীয়ে কৈছে যে মহাভাৰতত যেনেদৰে বিভিন্ন বিৰোধী চৰিত্ৰই একেলগে সহাৱস্থান কৰিছিল আমাৰ দেশৰ ৰাজনৈতিক ক্ষেত্ৰখনতো তেনে সহাৱস্থানৰ প্ৰয়োজন। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ আত্মীয় এগৰাকী আৰু কে'বাগৰাকীও শাসক দলৰ নেতাৰ ঘৰত অৰ্থনৈতিক অপৰাধ শাখাৰ দ্বাৰা তালাচী চলোৱাৰ পাছত এই বাক্-বিতণ্ডা আৰম্ভ হয়। গাডকাৰীয়ে শেষত কোৱা কথাষাৰ অধিক গুৰুত্বপূৰ্ণ। তেওঁ কৈছে যে আচল সমস্যাটো ভিন্নমতৰ বা আদৰ্শৰ নহয়, সমস্যাটো হৈছে চূড়ান্ত সুবিধাবাদৰ।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**একবিংশ** শতিকাত কোনো এখন দেশ আৰু এটা জাতিৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে প্ৰধানতঃ তিনিটা কাৰকৰ ওপৰত— ভাষা-সংস্কৃতি-বিজ্ঞান-প্ৰযুক্তি আৰু অৰ্থনীতি। এই তিনিওটাক নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে সেই দেশৰ ৰাজনীতিয়ে। অসমৰ ক্ষেত্ৰতো এই একেখিনি কথা প্ৰযোজ্য। সেয়েহে ৰাজনীতিৰ লগত জড়িত সকলো নেতা-কৰ্মীৰ চৰিত্ৰ হ'ব লাগিব নিকা ভাবমূৰ্তিৰ লগতে তেওঁলোকৰ মনবোৰ হ'ব লাগিব দেশপ্ৰেমিকৰ দৰে, যিবোৰ তেওঁলোকৰ কৰ্মত প্ৰতিফলিত হোৱাৰ নিদৰ্শন দি থৈ গৈছে। এনে লোকৰ দ্বাৰা পৰিচালিত ৰাজনৈতিক শক্তিয়েহে সেই দেশৰ উন্নতি আৰু প্ৰগতিৰ মূল বাহক হ'ব। আনফালে ভ্ৰষ্টাচাৰী আৰু স্বাৰ্থপৰ ৰাজনীতি কৰা শক্তিয়ে দেশৰ উন্নতি আৰু প্ৰগতিৰ মূল অন্তৰায় হৈ থিয় দিব।

দুৰ্ভাগ্যজনকভাৱে ভাৰতবৰ্ষৰ ৰাজনীতিৰ ক্ষেত্ৰখনত স্বাধীনতাৰ আনন্দ-উৎসাহ মাৰ যাওঁ-নাযাওঁতে এচাম ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতা-কৰ্মীৰ কবলত পৰিল। এই পৰিস্থিতিৰ প্ৰাদুৰ্ভাৱত সৎ মানুহৰ ৰাজনীতিত যোগ দিয়াৰ প্ৰতি অনীহাৰ সৃষ্টি হ'ল। বহুতে ভবা হ'ল যে ৰাজনীতি লেতেৰা বস্তু। ফলত লাহে লাহে অবাঞ্ছনীয় লোকৰ হাতলৈ ৰাজনৈতিক ক্ষমতা যাবলৈ ধৰিলে।

**মনীষা শৰ্মা,** *লেখিকা*

এই অৱস্থা চলি থাকিবলৈ দিলে দেশৰ গণতান্ত্ৰিক ব্যৱস্থাৰ সকলো দিশেই ভাগি পৰিব। সেয়েহে দেশৰ উন্নতি কামনা কৰা মানুহৰ ৰাজনীতিৰ প্ৰতি বিৰাগ থাকিলে নহ'ব। ৰাজনীতিৰ পৰা লেতেৰা সংস্কৃতিৰ সংস্কাৰ সাধন কৰাৰ চাবি-কাঠি জনগণৰ হাততেই আছে। গণতন্ত্ৰত ৰাইজে ৰজা— এই কথাষাৰ যদি সৰ্বসাধাৰণ ৰাইজে বুজি নাপায়, তেন্তে এই গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ মৃত্যু অনিবাৰ্য।

শিক্ষিত, সৎ আৰু দেশপ্ৰেমিক লোকসকলে দেশৰ সাধাৰণ ৰাইজক ৰাজনীতিৰ জটিল তত্ত্ববোৰ শুদ্ধভাৱে জনাব লাগিব। নহ'লেনো সাধাৰণ ৰাইজে ভাৰতৰ ৰাজনীতিত সঘনে উচ্চাৰিত হৈ থকা শব্দৰাজি যেনে— সাম্প্ৰদায়িকতা, ছেকুলাৰ, প্ৰত্যক্ষ বিদেশী বিনিয়োগ, চৰকাৰৰ হাতৰ পৰা চৰকাৰী কোম্পানীৰ শ্বেয়াৰ বিক্ৰী, দেশীয় পুঁজিপতি আৰু বহুজাতিক পুঁজিৰ শক্তি, নব্য-উপনিবেশবাদ, নতুন উদাৰীকৰণ নীতি, সাম্ৰাজ্যবাদৰ নতুন হাতোৰা, ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ আত্ম-নিয়ন্ত্ৰণ, সীমা-সমস্যা (আন্তৰ্জাতিক বা আন্তঃৰাজ্যিক), বিদেশীৰ অনুপ্ৰৱেশ আৰু জনগাঁথনি সলনিৰ ভাবুকি, অৰ্থনৈতিক নিয়ন্ত্ৰণৰ ক্ষমতা, উদ্যোগীকৰণৰ নীতি, উদ্যোগীকৰণৰ ফলত থলুৱা লোকৰ নিযুক্তি-ক্ষতিপূৰণ-লাভালাভৰ চৰ্ত আদিৰ কথানো কেনেকৈ বুজিব। কোনো ৰাজনৈতিক শক্তিয়ে যাতে দেশৰ সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য পৰিচয় ক্ষুণ্ণ কৰিব নোৱাৰে তাৰ মাৰণাস্ত্ৰ সাধাৰণ ৰাইজৰ হাততে ভাৰতৰ সংবিধানে দিছে। সি হৈছে প্ৰতি পাঁচ বছৰে বছৰে নিজৰ ভোটাধিকাৰেৰে জনপ্ৰতিনিধি নিৰ্বাচন কৰাৰ শক্তি।

তাৰ সঠিক ব্যৱহাৰে ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতাসকলক দেশৰ শাসন ব্যৱস্থাৰ পৰা আঁতৰাই ৰাখিব পাৰিব আৰু সৎ আৰু নিষ্ঠাৱান লোকৰ হাতত শাসনৰ বাঘজৰী পাঁচ বছৰৰ কাৰণে চমজাই দিব পাৰিব। এইটো ঠিক যে সাধাৰণ ৰাইজৰ ৰাজনৈতিক শিক্ষা আৰু সচেতনতাৰ ওপৰতেই নিৰ্ভৰ কৰিব ভ্ৰষ্টাচাৰীৰ সলনি আমি পূৰ্বৰ সৎ নেতা-কৰ্মীক কেনেকৈ পাম।

*ফোন : ৭৬৬৩০২৬৩০১*

## অসমত প্ৰতিমাহে ৬০ হেজাৰকৈ নিবনুৱা বৃদ্ধি

# উত্তৰ-পূৰক লৈ দবাখেল নিবনুৱাক লৈ ৰাজনীতি

**নিউজ স্কেন**



**গীতাৰ্থ পাঠক**

যি সময়ত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে এক লাখ নিবনুৱাক চাকৰি দি অসম চৰকাৰে অভিলেখ গঢ়িছে আৰু অসমৰ এই অভিলেখ হেনো ভাৰতবৰ্ষৰ কোনো ৰাজ্যই ভাঙিব নোৱাৰে। সেই সময়ত সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে কেনেদৰে দিনে দুশ টকা হাজিৰাত অথবা মাহে ছহেজাৰ টকাত প্ৰাদেশিকীকৃত, আদৰ্শ চৰকাৰী কলেজ আদিত হেজাৰ হেজাৰ অস্থায়ী কলেজ শিক্ষকে কাম কৰিবলগীয়া হৈছে। উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পাছত নেট শ্লেট আদিত উত্তীৰ্ণ হৈ এনেদৰে নিৰাপত্তা নোহোৱা আৰু সন্মানজনকভাৱে জীৱন নিৰ্বাহ কৰিব পৰাৰ জোখেৰে দৰমহা নোপোৱা চাকৰি কৰি ক্ষুধাবৃত্তি নিবৃত্তি কৰিবলগীয়া হৈছে। শিক্ষা, স্বাস্থ্যসেৱা আদি একোখন দেশৰ সামাজিক উন্নয়ন আৰু নিৰাপত্তাৰ ঘাই চাবি-কাঠি। পিছে আমাৰ দেশখনৰ উচ্চ শিক্ষা পৰিচালনা কৰিছে এনে এচাম শিক্ষকে যাৰ চাকৰিৰ নিৰাপত্তা নাই আৰু সসন্মানে জীৱন নিৰ্বাহ কৰাৰ জোখেৰে দৰমহা নাই। কিয়নো সৰহভাগ কলেজত স্থায়ী শিক্ষকৰ তুলনাত অস্থায়ী শিক্ষকৰহে পৰিমাণ অধিক আৰু একো একোখন কলেজৰ শিক্ষা পৰিচালনাৰ ভাৰ এইসকল দুৰ্ভগীয়া শিক্ষকৰ হাতত। অকল কলেজতেই নহয়, স্কুলসমূহতো বৰ্তমান ঠিকাভিত্তিক শিক্ষকে শিক্ষা পৰিচালনা কৰি আছে। এইসকল ঠিকাভিত্তিক শিক্ষকৰ চাকৰিৰো নিৰাপত্তা নাই আৰু দৰমহাও কম। আজিকালি ভালেমান চৰকাৰী, অৰ্ধ-চৰকাৰী বিভাগত ঠিকাভিত্তিক কৰ্মচাৰীৰ মকৰল চলিছে। ঠিকাভিত্তিক কৰ্মচাৰী-বিষয়া লোৱাৰ প্ৰকোপ ইমানেই বাঢ়ি গৈছে যে আমাৰ ৰাজ্যখনত স্থায়ী চাকৰি আৰু নাথাকিব যেন লাগিছে। সম্প্ৰতি অসমৰ বিদেশী ন্যায়াধিকৰণসমূহত ভালেমান ডাটা এন্ট্ৰি কৰ্মচাৰীকে ধৰি অন্যান্য পদ পূৰণৰ বাবে ৱাক ইন সাক্ষাৎকাৰ লোৱা হৈছে। এইবোৰ চাকৰি নিতান্তই অস্থায়ী, কিয়নো ই ঠিকাভিত্তিক। ৰাজ্য চৰকাৰে যি এক লাখ যুৱক-যুৱতীক অহা ৩১ মাৰ্চৰ ভিতৰত নিযুক্তি দিয়াৰ কথা কৈছে, তাৰ ভিতৰত অস্থায়ী আৰু ঠিকাভিত্তিক চাকৰিও সোমাই আছে।

৩১ মাৰ্চৰ ভিতৰত এক লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি পালন কৰাৰ অংশ হিচাপে যোৱা ২৬ মাৰ্চত কুৰি হেজাৰৰো অধিক তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বিজ্ঞাপন সংবাদ মাধ্যমত দিয়া হৈছে। এইবোৰ বিজ্ঞাপন চাকৰিৰ বাবে প্ৰাৰ্থীয়ে অহা ১১ এপ্ৰিলৰ পাছতহে অনলাইন যোগে আবেদন কৰিব পাৰিব আৰু অহা ৩০ মে' আবেদন কৰাৰ শেষত তাৰিখ। ইয়াৰ পাছত লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰ অনুষ্ঠিত হ'ব। এইবোৰ পদত আবেদন কৰাৰ বাবে ১৫০ৰ পৰা ৩৫০ টকালৈ বিভিন্ন পৰ্যায়ত সাধাৰণ আৰু সংৰক্ষিত শ্ৰেণীৰ বাবে মাচুল ধাৰ্য কৰা হৈছে। যাৰ বাবে বহুতেই অসন্তুষ্টি প্ৰকাশ কৰিছে। আটাইতকৈ মন কৰিবলগীয়া বিষয় এইটোৱেই যে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে প্ৰকাশ কৰা এই বিজ্ঞাপনৰ কে'বাটাৰো শেষত লিখিছে যে এই নিযুক্তি বাতিল অথবা সংশোধনী কৰাৰ অধিকাৰ আয়োগৰ থাকিব। সি যি কি নহওক, এইবোৰ চাকৰিৰ বিজ্ঞাপনৰ বিপৰীতে লাখ লাখ আবেদন পৰিব। এই আবেদনসমূহ গোটাই লৈ পৰীক্ষা পৰিচালনা কৰা আৰু ফলাফল দিয়া সম্পূৰ্ণ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'বলৈ আৰু ভালেমান মাহৰ প্ৰয়োজন হ'ব। আনহাতে, অতীতত এনেদৰে চাকৰিৰ বিজ্ঞাপন দি পৰীক্ষা সাক্ষাৎকাৰ অনুষ্ঠিত কৰি নিযুক্তি নিদিয়াৰ যথেষ্ট উদাহৰণ আছে। গতিকে বিজ্ঞাপন দিলেই এক লাখ যুৱক-যুৱতীৰ চাকৰি হৈ নাযায়।

আমাৰ মুখ্যমন্ত্ৰীয়ে কৈছে যে টে'টৰ চাকৰি পোৱাতকৈ ৰিলায়েন্সৰ চাকৰি পোৱাটো গৌৰৱৰ কথা। কিয়নো তেওঁৰ মতে টে'ট শিক্ষকে কেতিয়াও ৫০ হেজাৰ টকাতকৈ অধিক দৰমহা নাপায়। ৰিলায়েন্সে লাখ লাখ দৰমহা দিয়ে নেকি তেনেহ'লে? ওপৰৰ বিষয়াসকলক দিব পাৰে। আমি দেখিছো ৰিলায়েন্সৰ ডিজিটেলৰ পৰা খুচুৰা ব্যৱসায়ত কৰ্মৰত বহু যুৱক-যুৱতী, যিয়ে ২০/২৫ হেজাৰতকৈ অধিক দৰমহা নাপায়। অকল সেয়াই নহয়, এওঁলোকৰ চাকৰিৰ নিৰাপত্তা শূন্য বুলি ক'লেও অধিক কোৱা নহ'ব। বৰ্তমান গুৱাহাটীৰ ছুপাৰমল বিগ বাজাৰ, চেণ্ট্ৰেল আদি হঠাৎ বন্ধ হোৱাৰ ফলত শ শ যুৱক-যুৱতী এতিয়া নিবনুৱা হৈ পৰিছে। এওঁলোকৰ এতিয়া কি হ'ব— চৰকাৰে এই ক্ষেত্ৰত হস্তক্ষেপ কৰা আমি দেখা নাই। বিজেপিয়ে যোৱা ২০২১ৰ অসম বিধানসভাৰ নিৰ্বাচনী ইস্তাহাৰত বছৰি এক লাখ চাকৰিৰ লগতে আঠ লাখ চাকৰি ব্যক্তিগত খণ্ডত দিয়াৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি দিছিল। এতিয়া দেখিছো ব্যক্তিগত খণ্ডত মানুহতো নতুনকৈ লোৱাই নাই, যিখিনিয়ে কাম কৰি আছিল তেওঁলোকক চাকৰিৰ পৰা খেদি দিয়া হৈছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে এক লাখ চাকৰি ৩১ মাৰ্চৰ ভিতৰত দি যি অভিলেখ গঢ়াৰ কথা কৈছে সেয়া মুখেৰে কোৱা কথাহে। বাস্তৱ পৰিস্থিতি সম্পূৰ্ণ ওলোটা।

> **আজিকালি ভালেমান চৰকাৰী, অৰ্ধ-চৰকাৰী বিভাগত ঠিকাভিত্তিক কৰ্মচাৰীৰ মকৰল চলিছে। ঠিকাভিত্তিক কৰ্মচাৰী-বিষয়া লোৱাৰ প্ৰকোপ ইমানেই বাঢ়ি গৈছে যে আমাৰ ৰাজ্যখনত স্থায়ী চাকৰি আৰু নাথাকিব যেন লাগিছে**



মণিপুৰৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল যে উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ উন্নয়নৰ ইঞ্জিন। অৰুণাচল প্ৰদেশৰ ৩৬ সংখ্যক ৰাজ্য প্ৰতিষ্ঠা দিৱসত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে ২১ শতিকাত উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ উন্নয়নৰ ইঞ্জিনত পৰিণত হ'ব। যোৱা ২০২১ৰ ২৫ আগষ্টত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বৰ্তমানৰ কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছিল যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূব অসমৰ উন্নয়নৰ ইঞ্জিনত পৰিণত হৈছে। আনহাতে, ২০২০ৰ ২৩ জুলাইত ভিডিঅ' লিংকৰ জৰিয়তে মণিপুৰ পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰি কৈছিল উত্তৰ পূৰ্বাঞ্চলৰ সকলোতে বৰ্তমান শান্তি স্থাপন হ'বলৈ ধৰাৰ পৰিপ্ৰেক্ষিতত এই অঞ্চলটো ভাৰতৰ উন্নয়নৰ ইঞ্জিনত পৰিণত হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। ২০২০ৰ ২৬ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুৱাহাটীত আহি কৈছিল যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত উত্তৰ-পূব এতিয়া দেশৰ উন্নয়নৰ ইঞ্জিনত পৰিণত হ'ল। কেন্দ্ৰীয় সংসদতো প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ২০২০ৰ ছয় ফেব্ৰুৱাৰীত উত্তৰ-পূব বিজেপিৰ শাসন কালত দেশৰ উন্নয়নৰ ইঞ্জিনত পৰিণত হৈছে বুলি ভাষণ দিছিল। পিছে এই উন্নয়নৰ ইঞ্জিন থকা অঞ্চলটোৰ অন্যতম ৰাজ্য অসমত ২০২১ৰ ২১ ছেপ্টেম্বৰত আৰু ২০২২ৰ তিনি মাৰ্চত সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন অথবা আফস্পা আইনৰ অধীনত দুবাৰকৈ উপদ্ৰুত অঞ্চল হিচাপে পৰৱৰ্তী ছমাহলৈ সম্প্ৰসাৰিত কৰে। আনহাতে, মণিপুৰ চৰকাৰে যোৱা ১১ জানুৱাৰীত পুনৰ এবছৰৰ বাবে উপদ্ৰুত অঞ্চল ঘোষণা কৰে, বিশেষকৈ ইম্ফল পৌৰ অঞ্চলক উপদ্ৰুত অঞ্চল বুলি কোৱা হৈছে। অৰুণাচল প্ৰদেশৰ কে'বাখনো জিলাতো এই আইনৰ অধীনত উপদ্ৰুত অঞ্চল ঘোষণা কৰা হৈছে, যাৰ ম্যাদৰ অন্ত পৰিব অহা ৩১ মাৰ্চত। তাৰ পাছতো যে কেন্দ্ৰীয় চৰকাৰে এইকেইখন জিলাত ঘোষণা কৰা উপদ্ৰুত অঞ্চলৰ ম্যাদ সম্প্ৰসাৰিত কৰিব, সেয়া নিৰ্ঘাত বুলি ক'ব পাৰি। নগালেণ্ডত যোৱা ৩০ ডিচেম্বৰৰ পৰা আফস্পা আইন ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে। এনেদৰে দেশখনৰ উন্নয়নৰ ইঞ্জিন থকা অঞ্চলটো চৰকাৰে উপদ্ৰুত অঞ্চল হিচাপে বাৰে বাৰে ঘোষণা কৰি আহিছে।

এইবাৰৰ মন কি বাতত প্ৰধানমন্ত্ৰীয়ে অসমৰ হাইলাকান্দিৰ চামৰাৰ সামগ্ৰী, নগালেণ্ডৰ ভোট জলকীয়া, ত্ৰিপুৰাৰ কঁঠাল আদি ৰপ্তানিৰ প্ৰসংগ টানি ক'ব বিচাৰিছে যে উত্তৰ-পূৰ্বাঞ্চলত যথেষ্ট সম্পদ আছে আৰু আন্তৰ্জাতিক বজাৰত সেইবোৰৰ ৰপ্তানি বাঢ়িছে। পিছে যি পৰিমাণৰ ৰপ্তানি উত্তৰ পূবৰ পৰা হৈছে, সেয়া আন্তৰ্জাতিক বজাৰৰ তুলনাত অতিশয় নগণ্য আৰু ইয়ে দেশখনৰ উন্নয়নৰ ইঞ্জিনৰ কথা নুসূচায়। উত্তৰ পূৰ্বাঞ্চলক মুখৰ কথাৰে গুৰুত্ব দি এই অঞ্চলৰ জনসাধাৰণক আৱেগ উদ্বেলিত কৰি ভোট পাব পাৰি, কে'বাখনো ৰাজ্যত চৰকাৰ গঠন কৰিব পাৰি; কিন্তু আমাৰ পিছপৰা অৱস্থাৰ পৰিৱৰ্তন সাধন কৰিব নোৱাৰি। ক'ভিড-১৯ পৰিস্থিতিৰ পাছত হেজাৰ হেজাৰ বাহিৰত কৰ্মৰত যুৱক-যুৱতীয়ে ৰোজগাৰ হেৰুৱাই ঘৰলৈ উভতি আহি ৰাজ্যখনৰ নিবনুৱা সমস্যাত অধিক অৰিহণা যোগাইছে। এইসকল যুৱক-যুৱতীক সংস্থাপন দিয়াৰ বাবে চৰকাৰে একো কৰা নাই বুলি ক'ব পাৰি।

অসমত সম্প্ৰতি ২৪ লাখৰো ওপৰ পঞ্জীয়নকৃত নিবনুৱা যুৱক-যুৱতী আছে। যোৱা ২০২১ৰ ছেপ্টেম্বৰৰ পৰা ২০২২ৰ জানুৱাৰীৰ ভিতৰত ২.৫৩ লাখ নিবনুৱাই নতুনকৈ পঞ্জীয়ন কৰিছে। ইয়াৰ উপৰি আছে অদক্ষ অসংগঠিত খণ্ড আৰু কৃষি শ্ৰমিক, যিসকলৰ পঞ্জীয়ন চৰকাৰৰ ঘৰত হোৱা নাই। যোৱা ছেপ্টেম্বৰৰ পৰা জানুৱাৰী অৰ্থাৎ চাৰি মাহৰ ভিতৰত ৰাজ্যখনত ২.৫৩ লাখ নিবনুৱা নতুনকৈ নিবনুৱাৰ পঞ্জীত সোমাইছে। অৰ্থাৎ মাহে ৬০/৭০ হেজাৰকৈ পঞ্জীয়নকৃত নিবনুৱা বাঢ়ি গৈ আছে। চৰকাৰে বছৰত এক লাখ লোকক চাকৰি দিবলৈ সক্ষম হ'লেও সেয়া হ'ব এপাচি শাকত এটি জলকীয়াৰ লেখীয়া। আনহাতে, বৰ্তমান চৰকাৰে ৩১ মাৰ্চৰ ভিতৰত এক লাখক চাকৰি দিয়াৰ নামত যি ধামখুমীয়াৰ সৃষ্টি কৰিছে, তালৈ চাই ক'ব পাৰি যে এয়া চৰকাৰৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি পালন কৰিছো বুলি বিষয়টো থাপিথুপি থোৱাৰ ৰাজনৈতিক কৌশল।

নিবনুৱা সমস্যাটো চৰকাৰে ভবাতকৈ যথেষ্ট ব্যাপক। যুৱক-যুৱতীসকলৰ মনত যিমানেই হতাশা বাঢ়িব, সিমানেই ক্ষোভৰ উদ্‌গীৰণ হ'ব। তেওঁলোকে তেতিয়া যিহকে ইচ্ছা তাকে কৰিব। সম্প্ৰতি বহু যুৱক-যুৱতীয়ে উগ্ৰপন্থাত যোগদান কৰিবলৈ যোৱাৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। এয়া সমাজৰ বাবে শুভ লক্ষণ নহয়। সেয়েহে বাস্তৱতাৰ ভিত্তিত চৰকাৰে নিবনুৱা সমস্যা সমাধানৰ চেষ্টা কৰক।

*ফোন : ৯৪৩৫০৪৮৪৮৪*

# নতুন শিক্ষা নীতিৰ বাবে অসম কিমান প্ৰস্তুত?

**অসমত নতুন শিক্ষা নীতিয়ে এই কাৰণে শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ সুবিধা সৰ্বাধিক-- উচ্চ শিক্ষা বিভাগে জোৰা টাপলি মাৰি নতুন শিক্ষা নীতি কাৰ্যকৰীকৰণত আগভাগ ল'ব বা আন্তঃগাথঁনিৰ ক্ষেত্ৰতো বিশেষ সমস্যা নাই। শিক্ষকৰ ক্ষেত্ৰতো চলাই নিব পৰাকৈ আছে, কিন্তু ৰাজ্যৰ মাধ্যমিক আৰু প্ৰাথমিক পৰ্যায়ত এই শিক্ষা নীতি সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰেই সুবিধা আছে ৯৯ শতাংশ**

**নতুন** শিক্ষা নীতি প্ৰৱৰ্ত্তনৰ বাবে ৰাজ্য চৰকাৰে যি ধৰণে ককালত টঙালি বান্ধি সাজু হৈছে সেয়া নিশ্চয়কৈ অনাগত সময়ৰ বাবে ইতিবাচক আৰু আদৰণীয়। সময়ে সময়ে দেশৰ শিক্ষা ব্যৱস্থাৰ চৰকাৰী পৃষ্ঠপোষকতাত আমূল সংস্কাৰৰ চিন্তা চৰ্চা কৰা হয় বা ইতিমধ্যে ভালেমান শিক্ষা নীতি কাৰ্যকৰীকৰণ হৈছে। ইয়াৰে অধিকাংশ শিক্ষা নীতিয়েই সফল বুলিও ক'ব পাৰি। তৎসত্ত্বেও দেশীয় শিক্ষা ব্যৱস্থা আওপুৰণি আৰু বৃটিছৰ অনুগত হৈয়েই আছিল। দেশৰ স্বাধীনতা অৰ্জনৰ ৭৫ হৈ যোৱাৰ পিছতো আমি বৃটিছৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি আহিব লগীয়া কথাটো চিন্তনীয়।

সি যিয়েই নহওক সম্প্ৰতি দেশৰ শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ উদ্দেশ্যে ইতিমধ্যে ঘোষিত হৈছে নতুন শিক্ষা নীতি। যদিহে এই নতুন শিক্ষা নীতিয়ে সফল ৰূপায়ণৰ সুবিধা লাভ কৰে তেনেহ'লে ক'ব পাৰি যে ই দেশৰ সমগ্ৰ শিক্ষাৰ ইতিহাসত এক নজিৰ সৃষ্টি হোৱাৰ লগতে সলনি কৰি দিব সম্পূৰ্ণ শিক্ষাৰ পৰিকাঠামো।

আইন কানুন কিম্বা নীতি নিৰ্দেশনা এই সকলোবোৰৰ দুই ধৰণৰ আলোচনা সমালোচনা হোৱাতো তেনেই স্বাভাৱিক। নতুন শিক্ষা নীতি প্ৰৱৰ্ত্তনৰ ক্ষেত্ৰত দেশৰ যিসমূহ উন্নত ৰাজ্য আছে সেই ৰাজ্য সমূহত বিশেষ অসুবিধাৰ সৃষ্টি নহয় বুলি অনুমান কৰা হৈছে, কিন্তু যিবোৰ ৰাজ্য উন্নয়নৰ নামত প্ৰকাণ্ড শূন্য লৈ আছে বা যিবোৰ ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনত আন্তঃগাথঁনিৰ সমস্যা আছে তেনে ৰাজ্যসমূহত এই নতুন শিক্ষা নীতি হৈ পৰিব পাৰে বুমেৰাং স্বৰূপ। দেশৰ পৰিসংখ্যাৰ দিশৰ পৰা আমাৰ ৰাজ্যখনৰ শৈক্ষিক ক্ষেত্ৰখন যে পুতৌজনক অৱস্থাত আছে সেয়া ইতিমধ্যে ধৰা পৰিছে। আন ৰাজ্যসমূহতকৈ অসমৰ শৈক্ষিক ক্ষেত্ৰখনত সমস্যা সৰ্বাধিক। দেখা যায় অসমৰ শিক্ষাৰ সৈতে জড়িত শিক্ষক কৰ্মচাৰীসকলৰ যিবোৰ সমস্যা আছে সেইবোৰ আজিলৈকে কোনো এখন চৰকাৰেই গুৰুত্ব সহকাৰে গ্ৰহণ নকৰিলে। যাৰ ফলত অসমৰ শিক্ষক সমাজ প্ৰায়েই ৰাজপথত নামিব লগীয়া হয়। এয়া যে অকল শিক্ষক সকলৰ স'তেই হৈ থাকে তেনে নহয়, ৰাজ্যৰ আন আন বিভাগৰ কৰ্মচাৰী সকলৰ ক্ষেত্ৰতো ঘটে।



কিন্তু এইবাবেই শিক্ষকসকলৰ আন্দোলন বা প্ৰতিবাদে সৰস আলোচনাৰ ঠাই পায় যে সকলোৱে ৰাজ্যৰ শিক্ষক সমাজক প্ৰধানকৈ আক্ৰমণৰ লক্ষ্য হিচাপে বাছি লয়।

অসমত কিয় নতুন শিক্ষা নীতিয়ে বিৰূপ প্ৰভাৱ পেলাব তাকে আলোচনা কৰিবলৈ গৈ শিক্ষক আন্দোলনৰ কথা এইবাবেই উল্লেখ কৰা হ'ল যে দুয়োটা বিষয় ইটোৱে সিটোৰ সৈতে সংপৃক্ত। পৰিসংখ্যাই অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ লাজ লগা ছবি খন আমাৰ সন্মুখত দাঙি ধৰে। দৰাচলতে অসমত নতুন শিক্ষা নীতি প্ৰৱৰ্ত্তনৰ জোখাৰে আন্তঃগাথঁনি প্ৰস্তুত কৰা হৈছেনে ? নিশ্চয় এই ক্ষেত্ৰত সকলোৱে পৰা উত্তৰ আহিব নাই বুলি। অসমৰ

**অজিত বৰুৱা**

শৈক্ষিক ক্ষেত্ৰখনৰ আন্তঃগাথঁনি উন্নয়নৰ পৰিৱৰ্তে ৰাজ্য চৰকাৰ ব্যস্ত থকা দেখা গ'ল হিতাধিকাৰী সৃষ্টিত, হিন্দু মুছলিমৰ ৰাজনীতি কৰাত, পৰষদীয় নিৰ্বাচন বা ৱাৰ্ড মেম্বাৰৰ নিৰ্বাচনতহে ব্যস্ত থকা দেখা গ'ল।

অসমত নতুন শিক্ষা নীতিয়ে এই কাৰণে শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ সুবিধা সৰ্বাধিক-- উচ্চ শিক্ষা বিভাগে জোৰা টাপলি মাৰি নতুন শিক্ষা নীতি কাৰ্যকৰীকৰণত আগভাগ ল'ব বা আন্তঃগাথঁনিৰ ক্ষেত্ৰতো বিশেষ সমস্যা নাই। শিক্ষকৰ ক্ষেত্ৰতো চলাই নিব পৰাকৈ আছে, কিন্তু ৰাজ্যৰ মাধ্যমিক আৰু প্ৰাথমিক পৰ্যায়ত এই শিক্ষা নীতি সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰেই সুবিধা আছে ৯৯ শতাংশ। কিয়নো আজিলৈ প্ৰাথমিক বিদ্যালয় বোৰত শ্ৰেণী ভিত্তিক শিক্ষক বা বিষয় ভিত্তিক শিক্ষক নিযুক্তি চৰকাৰে দিবলৈ সক্ষম নহ'ল। এতিয়াও অসমত শতাধিক প্ৰাথমিক বিদ্যালয় এজনীয়া শিক্ষকৰেই চলি আছে । অথচ এই বিদ্যালয়বোৰত নাৰ্চাৰী, এলকেজি, ইউ কেজি নামে তিনিটাকৈ অতিৰিক্ত শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰিবলৈ পৰামৰ্শ দিয়া হৈছে । ইয়াৰোপৰি এনে বিদ্যালয়ৰ পৰিচালনা সম্পৰ্কে চৰকাৰ সদায় মৌন। আনহাতে যদিহে প্ৰাথমিক বিদ্যালয় বোৰত এনেদৰে তিনিটাকৈ অতিৰিক্ত শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰা হয় তেনেহ'লে বিদ্যালয়বোৰত কিয় আন্তঃগাথঁনিৰ কামবোৰ কৰা নহ'ল । এতিয়াও অসমত এনে সহস্ৰাধিক বিদ্যালয় আছে যিবোৰৰ বিদ্যালয় গৃহৰ টিন পাতেই নাই।

তদুপৰি নতুন শিক্ষা নীতিয়ে বিদ্যালয়বোৰ নাৰ্চাৰীৰ পৰা ছেকেণ্ডাৰী পৰ্যায়লৈ একেটা চৌহদৰ ভিতৰতে কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। যদিহে এই পৰামৰ্শ গ্ৰহণ কৰি কাৰ্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয় তেনেহ'লে কোনবোৰ বিদ্যালয় একত্ৰিকৰণ কৰা হ'ব সেই সম্পৰ্কে এতিয়ালৈকে চৰকাৰ আৰু বিভাগৰ তৰফৰ পৰা নোলাল কোনো নিৰ্দেশনা বা গ্ৰহণ নকৰিলে কোনো পদক্ষেপ। আনহাতে মাধ্যমিক পৰ্যায়ৰ ক্ষেত্ৰত একাদশ আৰু দ্বাদশ শ্ৰেণীবোৰ সংযোজিত কৰাৰ পৰামৰ্শ আগবঢ়াইছে নতুন শিক্ষা নীতিয়ে। ইয়াৰ বাবে হাইস্কুলবোৰ ছেকেণ্ডাৰী পৰ্যায়লৈ উন্নীত কৰাৰো পৰামৰ্শ আগবঢ়োৱা হৈছে, কিন্তু বিভাগীয় ভাবে কোনবোৰ বিদ্যালয় উন্নীতকৰণ কৰা হ'ব সেই সম্পৰ্কেও চৰকাৰৰ নাই কোনো সুস্পষ্ট নিৰ্দেশনা। যদিহে হাইস্কুলবোৰ ছেকেণ্ডাৰী পৰ্যায়লৈ উন্নীত কৰা হয় তেনে হ'লে ৰাজ্যৰ যিবোৰ কণিষ্ঠ মহাবিদ্যালয় আছে সেইবোৰ কি কৰা হ'ব সেই লৈও নাই চৰকাৰৰ ওচৰত কোনো স্পষ্ট নিৰ্দেশনা। আনহাতে মাধ্যমিক পৰ্যায়ত যি কলা, বিজ্ঞান বা বাণিজ্য বিষয় বিসৰ্জন দি শিক্ষাৰ্থী সকলক ইয়াৰ অন্তৰ্ভুক্ত বিষয়বোৰৰ ভিতৰত পচন্দৰ বিষয় অধ্যয়নৰ পৰামৰ্শ আগবঢ়াইছে।

সেই নিৰ্দেশ পালন কৰিবলৈ হ'লে প্ৰতিখন মাধ্যমিক বিদ্যালয়ত প্ৰায় প্ৰতিটো বিষয়ৰে অতি কমেও দুজনকৈ শিক্ষকৰ আৱশ্যক; কিন্তু এই বৃহৎ সংখ্যক শিক্ষক নিযুক্তিৰ বাবে চৰকাৰে এতিয়ালৈকে কোনো কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা দৃষ্টিগোচৰ নহ'ল। তেনেহ'লে কিদৰে ক'ব পৰা যায় যে নতুন শিক্ষা নীতিয়ে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনত ইতিবাচক পৰিৱৰ্তন কৰিবলৈ সক্ষম হ'ব বুলি। কোনো পৰিকল্পনা আৰু স্পষ্ট নীতি নোহোৱাকৈ ৰাজ্য চৰকাৰে বাঃ বাঃ ল'বলৈ খৰ ধৰকৈ নতুন শিক্ষা নীতি প্ৰৱৰ্তনৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেয়া ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনৰ বাবে এক বৃহৎ ক্ষতিৰ বাৰ্তাৰ কথা দোহাৰে।

*ফোন : ৭০০২৭০৭৭২৬*

## অভিমত

# অসমৰ মহাবিদ্যালয়সমূহত শিক্ষক নিযুক্তি সন্দৰ্ভত

**বহু** বছৰৰ অপেক্ষাৰ পাছত অসম চৰকাৰে অসমৰ মহাবিদ্যালয়সমূহত খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। বিজ্ঞাপন, সাক্ষাৎকাৰ চলিয়ে আছে, এনেতে কোনোবা প্ৰাৰ্থীয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়ম উলংঘা কৰি নিযুক্তি প্ৰক্ৰিয়া আগবঢ়োৱা বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰাৰ পাছত ন্যায়ালয়ে শুনানি গ্ৰহণ কৰি কি আদেশ দিলে তাৰ সঠিক খবৰো অসমৰ ৰাইজে এতিয়ালৈ পোৱা নাই। অসমৰ শিক্ষা বিভাগে নিশ্চয় এই সম্পৰ্কে অৱগত হৈছে। অসমত বহু বছৰ পাছত চৰকাৰী চাকৰিৰ নামত চলা ভয়ংকৰ দুৰ্নীতি কিছু পৰিমাণে নোহোৱা হ'ব বুলি ধাৰণা কৰা হৈছে। এসময়ত শিক্ষক-নিযুক্তিৰ ক্ষেত্ৰত মুকলিকৈ দৰ-দাম চলিছিল। কোনোবা ৰাক্ষসৰ কাৰ্যকালত হেনো চৰকাৰী মহাবিদ্যালয়ত শিক্ষক নিয়োগৰ বাবে চল্লিশ লাখ টকা পৰ্যন্ত দাম উঠিছিল। বৰ্তমান চৰকাৰৰ কাৰ্যকালত এনে দুৰ্নীতি হ্ৰাস পাইছে। চাকৰিৰ বাবে আয়োজন কৰা পৰীক্ষাত কেলেংকাৰি কৰা বহুতক নি জেলত ভৰাই থোৱাটোও সৰু ঘটনা নহয়। বৰ্তমান মহাবিদ্যালয়সমূহত খালী হৈ থকা সহকাৰী অধ্যাপক নিযুক্তি প্ৰক্ৰিয়াও শুদ্ধভাৱে আগবাঢ়িব বুলি আশা কৰা হৈছে। শিক্ষা বিষয়টো কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুটীয়া সূচীৰ অন্তৰ্গত, অৱশ্যে উচ্চ শিক্ষা নিয়ন্ত্ৰণ কৰে বিশ্ববিদ্যালয় অনুদান আয়োগে। বৰ্তমানৰ অসম চৰকাৰে প্ৰয়োগ কৰা নিৰ্দেশনাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়মসমূহ আংশিকভাৱে প্ৰয়োগ কৰা হৈছে। অসমবাসীৰ স্বাৰ্থ ৰক্ষাৰ খাতিৰত কৰা নিয়মো প্ৰশংসাৰ যোগ্য। এতিয়া উচ্চ ন্যায়ালয়ৰ আদেশে যাতে এই নিযুক্তি প্ৰক্ৰিয়াত বাধা প্ৰদান কৰিব নোৱাৰে তাৰ বাবে অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমি আশা কৰিলো

**ভাৰতী দাস,** পশ্চিম বৰাগাঁও, গুৱাহাটী-৩৫

**নদীৰ আৰহমান সোঁতৰ আঁৰত আমাৰ ভূগৰ্ভত জমা হৈ থকা পানীৰ উল্লেখযোগ্য ভূমিকা আছে। ভূগৰ্ভত জমা হৈ থকা পানীৰ বাবেই খৰালি বৰষুণ নহ'লেও নদীৰ জলৰাশি আৰহমান বৈ থাকে। মানৱ সমাজৰ বাবে এই ভূগৰ্ভৰ পানী ব্যৱহাৰযোগ্য যদিও বিশ্বৰ সামগ্ৰিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ভূগৰ্ভত জমা থকা এই জলৰাশিক ব্যৱহাৰ নকৰাটোৱেই মংগলজনক হ'ব।**

# আইৰ সমান হ'ব কোন নৈৰ সমান ব'ব কোন

## চুমিন্দ্ৰ চৌধুৰী

**কে'বাশ** বছৰ আগত ভূটানৰ হা ভেলীৰ জিফিউ বস্তিৰ সমীপৰ চেলালা পাহাৰৰ পৰা বৈ অহা নদীখনৰ বুকুত আকাশৰ পৰা এটা আঘাতপ্ৰাপ্ত শগুণ উৰি আহি পৰিছিল। নদীখনৰ পানীত ডেউকা ভগা শগুণটো কিছু সময়ৰ পাছত সুস্থ হৈ পুনৰ আকাশলৈ উৰা মাৰি গৈছিল।

এই সম্পূৰ্ণ ঘটনাটো এজন বুঢ়া বৌদ্ধলামাই প্ৰত্যক্ষ কৰি আছিল। তেওঁ ধ্যানত বহি গম পালে যে সেই নদীখনৰ পানী ধৰ্মাত্মা দ্ৰুক্ পা কিনলেৰ আশীৰ্বাদ প্ৰদত্ত । গুৰু মহাত্মা দ্ৰুকপা কিনলেক সমস্ত ভূটানবাসীয়ে পগলা যোগী ( Devine Mad Man ) বুলি জানে । তেওঁৰ দৰ্শন জ্ঞান আৰু মহিমা অপাৰ আছিল ।

সেই ঘটনাটোৰ পাছত বুঢ়া লামাজনে সকলো মানুহৰ মাজত সেই নদীখনৰ ঐশ্বৰিক মাহাত্ম্য আৰু আহত শগুণটোৰ কাহিনী প্ৰচাৰ কৰিবলৈ ধৰিলে। লাহে লাহে নদীখন চাবলৈ আৰু তাৰ পবিত্ৰ জলধাৰাত স্নান কৰিবলৈ নানান স্থানৰ পৰা যাত্ৰীৰ সমাগম হ'বলৈ ধৰিলে। যাদুকৰী নদীখনৰ ঔষধি জলধাৰাত স্নান কৰাৰ পাছত যাত্ৰী সকলে শৰীৰৰ বিভিন্ন অংগৰ বিষ বেদনাৰ পৰা আৰোগ্য লাভ কৰা কথাও ৰাষ্ট্ৰ হৈ পৰিছিল । পাছলৈ মানুহে গুৰু দ্ৰুকপা কিনলেৰ আশীৰ্বাদ প্ৰদত্ত সেই নদীখনকে জাগীমিনচু বুলি কোৱা হ'ল ।

ভূটানৰ জংখা ভাষাত জাগী মানে শগুণ, মিন মানে ঔষধি আৰু চু মানে পানী ।

শাক্যমুনি গৌতম বুদ্ধই দিব্যজ্ঞান লাভ কৰা পুণ্যভূমি ভাৰতবৰ্ষৰ পৰাও বছৰি বহুতো লোক হাড়ৰ বিষ বেদনাৰ পৰা আৰোগ্য লাভ কৰিবলৈ যাদুকৰী জাগীমিনচু নদীত স্নান কৰিবলৈ আহে।

বৌদ্ধ ধৰ্মত জল ঈশ্বৰৰ কাৰণে আটাইতকৈ পবিত্ৰ, নিৰ্মল, স্বচ্ছল আৰু উৎকৃষ্ট অঞ্জলি বুলি মনা হয়। সেই কাৰণে লামাসকলে নদ-নদীৰ পবিত্ৰ জল চতিয়াইহে পূজা পাতল আদিৰ আৰম্ভ কৰে। তেওঁলোকে যাত্ৰা পথত পোৱা পবিত্ৰ নদী বা নিজৰাৰ পৰা জল সংগ্ৰহ কৰাটো এটা পৰম্পৰাগত ৰীতিও।

জাগীমিনচু নদীৰ পাৰত গোল গোল শিল কিছুমান জাপ জাপকৈ ৰ'দত গৰম কৰি ৰখা হয়। হিমালয়ৰ গিৰিমালাৰ পৰা ওলাই ভূটানৰ মাজেৰে বৈ যোৱা নদীসমূহে বিভিন্ন ধৰণৰ মহৌষধি খনিজ আৰু বনজ পদাৰ্থ কঢ়িয়াই আনে। হিমালয়ৰ ঘন জংঘলৰ মাজৰ নানান ঔষধি বন বিৰিখ জান-জুৰিৰ পানীৰ স'তে মিহলি হৈ ভৈয়ামলৈ বৈ আহে। এই নদীসমূহৰ জলৰাশিত ৰাসায়নিক পদাৰ্থ যেনে চালফাৰ, ফচফৰাচ, পটাছিয়াম, বেন্টনাইত আৰু ৰূপ আদি থকা প্ৰমাণিত হৈছে ।

সেই বাবে এই নদীসমূহৰ পানী আৰু ইয়াৰ বুকুত থকা শিল সমূহৰো ঔষধি গুণ থকাটো স্বাভাৱিক। পানীৰ তলত থকা শিল সমূহ নদীৰ পাৰত তাপত তপতাই ৰখা হয়। বাত-বিষৰ দৰে কষ্টকৰ হাড়ঁৰ পীড়িত দেশী বিদেশী পৰ্যটকে ৰোগ ৰ পৰা উপশম পাবলৈ গৰম শিলবোৰৰ সেক লয়। ভূটীয়াসকলে নদ-নদীৰ জলৰাশিক মাতৃ স্বৰূপীনি পৃথিৱীৰ স্তনৰ পৰা বৈ থকা নদীৰ পবিত্ৰ পুষ্টিকাৰক অমৃত জ্ঞান কৰে আৰু ইয়াৰ সংৰক্ষণ কৰাটো তেওঁলোকে কৰ্তব্য তথা সামাজিক দায়বদ্ধতা বুলি ভাবে। সেই বাবে ভূটানৰ নলা-নৰ্দমাবোৰৰ লেতেৰা পানী নদীৰ জলৰাশিত পৰাৰ আগতেই সংশোধন কৰা হয়।



ভূটানৰ খেতিপথাৰ সমূহতো ৰাসায়নিক সাৰ ব্যৱহাৰ কৰাটো আইনমতে দণ্ডণীয় অপৰাধ। সেই বাবে বিষাক্ত ৰাসায়নিক পদাৰ্থৰ দ্বাৰা ভূটানৰ নদীৰ জলপ্ৰদুষণ হোৱাৰ সম্ভাৱনাও নাই। কিন্তু দুখৰ কথাটো হ'ল সমস্ত ভূটানবাসীৰ আৰাধ্য এই পবিত্ৰ নদীবোৰ আমাৰ দেশত প্ৰবেশ কৰাৰ লগে লগেই তাৰ আদৰ নাইকিয়াই হৈ পৰে। মানুহে গেলা-পঁচা জাবৰ জোঁথৰ আৰু ৰাসায়নিক বিষাক্ত দ্ৰব্য পেলাই নদীৰ পানী প্ৰদুষিত কৰিবলৈও কুণ্ঠাবোধ নকৰে। ফলত আজি আমি খোৱা পানী কণৰ বাবে হাহাকাৰ কৰিব লগীয়া হৈছে।

অতীজত পূণ্যভূমি ভাৰতৰ লোকসকলেও নদ-নদীবোৰক মাতৃ ৰূপত পূজা কৰিছিল। নদ-নদীৰ পানীত স্নান কৰি শৰীৰ আৰু মনৰ মলিনতা আঁতৰ কৰিছিল। নদীসমূহৰ পানীও পবিত্ৰ আৰু স্বচ্ছ আছিল। নৈ-নিজৰাৰ প্ৰতি অগাধ শ্ৰদ্ধা আৰু ভক্তি আছিল কিন্তু সময়ৰ সোঁতত ধৰ্ম আৰু কৰ্মৰ পৰিবৰ্তনৰ লগে লগে এই পৰম্পৰা লোপ পাবলৈ ধৰিলে। পূজা সেৱাৰ জৰিয়তে নদ-নদীবোৰক ভগৱান সদৃশ জ্ঞান কৰি নদ-নদীৰ জলৰাশিক কলুষিত নোহোৱাকৈ সংৰক্ষণ কৰি ৰাখিবলৈ সামাজিক সচেতনতা লোপ পাবলৈ ধৰিলে। আজি কিছু বছৰৰ আগতে নমামি গংগে নামৰ এক ধৰ্মীয় অনুষ্ঠানৰ আৰ্হিত অসমৰো বিভিন্ন স্থানত নমামি ব্ৰহ্মপুত্ৰ নামৰ অনুষ্ঠান পাতি চমক প্ৰদৰ্শন কৰাৰ হৈছিল যদিও ই একো প্ৰভাৱ পেলাব নোৱাৰিলে। বৰঞ্চ বিৰোধী ৰাজনৈতিক দল-সংগঠন সমূহে এই প্ৰচেষ্টাক উগ্ৰ হিন্দুত্ববাদ বুলি সমালোচনা কৰিছিল।

শ্ৰীমদ্ভগৱদগীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছিল, জীৱ জগৎ প্ৰধানত পঞ্চভূত অৰ্থাৎ পাঁচটা উপাদানেৰে তৈয়াৰী। এই পঞ্চভূত হৈছে ক্ষিতি 'পৃথিৱী' অপ 'পানী বা জল', তেজ 'অগ্নি', মৰুৎ 'বায়ু' আৰু ব্যোম 'আকাশ'।


জীৱৰ শৰীৰৰ ভিতৰত ভৰি থকা তেজ, শ্লেমা, পিত্ত সকলোবোৰ হ'ল জল অৰ্থাৎ পানী। মানৱ দেহত প্ৰায় ৬০ শতাংশ পানী থাকে ।

দেহৰ ভিতৰত পানীয়ে শৰীৰৰ উত্তাপ নিয়ন্ত্ৰণ কৰে আৰু লগতে দেহৰ সতেজতা সন্তুলিত কৰি ৰাখে

জীৱৰ মৃত্যুৰ পাছত পাঁচোবিধ উপাদান পুনৰ ই নিজৰ প্ৰাথমিক অৱস্থালৈ ঘূৰি যায়। সেই বাবেই জীৱৰ মৃত্যুৰ পাছত মৃতদেহ সৎকাৰৰ পাছত শৰীৰৰ এই উপাদানবোৰ পঞ্চভূতত বিলীন হৈ পৰে বুলি কোৱা হয় ।

হেজাৰ হেজাৰ বছৰ আগতেই ৰচনা হোৱা সনাতন ধৰ্মৰ প্ৰধান গ্ৰন্থ বেদ আৰু বিভিন্ন উপনিষদত সমস্ত জীৱজগতৰ বাবে পানীৰ প্ৰয়োজনীয়তাৰ লগতে মহত্বৰ কথা উল্লেখ কৰা হৈছে ।

ঋগ্বেদত জল আৰু বৃক্ষক সকলো প্ৰজন্মৰ বাবে অমূল্য ধন তথা সম্পদ বুলি অভিহিত কৰা হৈছে। দুয়ো বিধকে সমগ্ৰ জীৱৰ পৰম বন্ধু বুলিও উল্লেখ কৰা হৈছে যিয়ে জীৱৰ ভৱিষ্যতৰ বংশধৰ সকলকো সুৰক্ষা প্ৰদান কৰে।



হেজাৰ হেজাৰ বছৰ আগতেই ৰচনা হোৱা সনাতন ধৰ্মৰ প্ৰধান গ্ৰন্থ বেদ আৰু বিভিন্ন উপনিষদত জনজীৱনৰ বাবে পানীৰ প্ৰয়োজনীয়তাৰ লগতে মহত্বৰ কথা উল্লেখ আছে। আধুনিক বিজ্ঞানত উল্লেখ কৰাৰ সহস্ৰ বছৰ আগতেই বেদত পঞ্চভূতৰ একমাত্ৰ উপাদান পানীক গোটা, জুলীয়া আৰু গেছীয় তিনিওটা অৱস্থাত পাব পাৰি বুলি উল্লেখ কৰা হৈছিল। পানীয়েই এটা উপাদান যিয়ে ব্যক্তি বিশেষে শৰীৰত বেলেগে বেলেগে আচৰণ কৰে। পানীয়েই মানুহৰ স্মৃতি শক্তিৰ ভাৰসাম্যতা বজাই ৰাখে। সেই বাবেই জীৱৰ মগজু অধিকাংশ পানীৰে পৰিপূৰ্ণ হৈ থাকে।

ঠাই বিশেষে আকৌ পানীৰ গুণাগুণো বেলেগ হয়। অথৰ্ব বেদত পানীক অপবিত্ৰ নাশক বুলি কোৱা হৈছে। পানীয়েই মানুহৰ কলুষিত শৰীৰ আৰু মনক স্বচ্ছ কৰি তোলে। সেই বাবেই তাহানিৰ দিনত কাৰোবাৰ ঘৰলৈ আলহী অতিথি আহিলে বাটচ'ৰাত ভৰি-হাত ধুইহে ভিতৰ সোমাইছিল। চ'ৰাঘৰত আসন গ্ৰহণৰ পাছতে গৃহস্থই অতিথিৰ তৃষ্ণা দূৰ কৰিবলৈ জল অৰ্পণ কৰাৰ পৰম্পৰা আছিল। অতিথিক অৰ্পণ কৰা জলক আচমনীয় বুলি কোৱা হয়।

ধৰাৰ বুকুৱেদি দিন ৰাতি অহৰ্নিশে অক্লান্তভাৱে এখন ঠাইৰ পৰা আনখন ঠাইৰ মাজেৰে সাগৰলৈ বৈ যাওঁতে নদীৰ জলৰাশিয়ে প্ৰচুৰ পৰিমাণৰ খনিজ পদাৰ্থ কঢ়িয়াই নিয়ে। সেই বাবেই নদী বিশেষে পানীৰ গুণাগুণো বেলেগ বেলেগ হয় আৰু বিভিন্ন বেমাৰ-আজাৰৰ উপশম কৰে। সেই বাবে পানীৰ আন এটা নাম হৈছে তীৰথ। অতীজৰ দিনবোৰত মানুহে বিভিন্ন স্থান ভ্ৰমণ কৰি সেই স্থানৰ নদ-নদীত স্নান কৰি মন্দিৰ তথা দেৱালয় দৰ্শন কৰিছিল। পাছলৈ ইয়াকে তীৰ্থভ্ৰমণ বুলি কোৱা হৈছিল আৰু ইয়াৰ জৰিয়তে ৰোগ, অৱশ্যে পাপৰ পৰা মুক্ত হ'ব পাৰিছিল বুলি বিশ্বাস কৰিছিল। আজিও আমাৰ দেশত মহা কুম্ভ মেলা, অশোক অষ্টমী আৰু মকৰ সংক্ৰান্তিৰ দিনা নদীৰ পানীত ডুবি স্নান কৰা পৰম্পৰা আজিও মানি চলা হয় ।

এটা কথা মানিবই লাগিব যে প্ৰকৃততে নৈৰ পাৰতেই এখন ঠাইৰ সভ্যতা আৰু সংস্কৃতিৰ ৰচনা হয়। নৈৰ পাৰৰ পলসুৱা মাটি চহাই খেতি কৰি জীৱন নিৰ্বাহ কৰা হয়। সেই বাবেই ইতিহাসৰ পাতত নদ-নদীৰ নামৰে সিন্ধু উপত্যকা সভ্যতা, গংগা উপত্যকা সভ্যতা আৰু কাবেৰী উপত্যকা সভ্যতা আদিৰ কথা উল্লেখ আছে। কিন্তু দুখৰ কথাটো হ'ল আমাৰ ৰাজ্যখনৰ দুখন প্ৰধান নদী বৰাক আৰু ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰৰ চাপৰি আজি বিদেশী অনুপ্ৰৱেশকাৰীৰ দখললৈ গ'ল। তাৰ বাবে আমাৰ নিজৰ সভ্যতা আৰু সংস্কৃতিৰো বহু পৰিমাণে অৱক্ষয় ঘটিল। ইয়াৰ উপৰি বিভিন্ন ইটা ভাটা আৰু বালিৰ মহলদাৰে বালি সংগ্ৰহৰ নামত যধেমধে নদ-নদী সমূহৰ পাৰঘাট সমূহৰ বিস্তৰ ক্ষতিসাধন কৰিছে। ফলত বানপানী আৰু খহনীয়াৰ কৱলত বহুতো নৈ পৰীয়া অঞ্চল নদীৰ বুকুত জাহ যাবলগীয়া হৈছে। ই সচাঁই চিন্তনীয় বিষয় হৈ পৰিছে ।

১৯৫০ৰ ভয়াবহ ভূমিকম্পৰ পাৰ্শ্ব প্ৰতিক্ৰিয়াৰ ফলত অসমৰ বৰলুইতকে ধৰি বিভিন্ন নদীসমূহৰ ভূপৃষ্ঠ ওপৰলৈ উঠি অহাৰ ফলত বানপানীৰ সমস্যাই বিগত পঞ্চাছ দশকত ৰাজ্যবাসীক জ্বলা-কলা খুৱাই আহিছে। ইফালে আকৌ ভূতৰ ওপৰত দানহৰ দৰে আমাৰ সীমামূৰীয়া ৰাষ্ট্ৰ চীনে ব্ৰহ্মপুত্ৰৰ নদীৰ উৎপত্তি স্থলত নদী বান্ধ সাজি খৰালি কালত পানীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিবলৈ ধৰিছে।

এই দুয়োটা সমস্যাৰ একমাত্ৰ সমাধান হৈছে ভূতপূৰ্ব প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ প্ৰস্তাৱিত নদী সংযোজন প্ৰকল্প। অসমৰ সৰু-ডাঙৰ সকলোবোৰ নদ-নদী সমূহৰ গভীৰতা সমান্তৰালভাৱে আনি বৰলুইত আৰু বৰাকৰ স'তে সংযোগ কৰিব পাৰিলেই বাৰিষাৰ বানপানী আৰু খৰালিৰ খৰাঙৰ পৰা ৰাজ্যখন ৰক্ষা পৰিব। অন্যথা পৰৱৰ্তী সময়ত ৰাজ্যখনৰ ভৌগোলিক অৱস্থা আৰু পাৰিপাৰ্শ্বিক পৰিবেশৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ সম্ভাৱনা দেখা গৈছে । আমাৰ পৃথিৱীখন পানীত চহকী গ্ৰহ। ইয়াৰ উপৰিভাগৰ প্ৰায় ৭৯ শতাংশ পানী। ভূগৰ্ভত জমা থকা আৰু ভূপৃষ্ঠত বৈ থকা এই পানীৰ পৰিমাণ প্ৰায় ১৪০০ নিযুত ঘন কিল'মিটাৰ। অৱশ্যে পৃথিৱীত প্ৰচুৰ পৰিমাণে পানী থকিলেও মাত্ৰ ০.৩ শতাংশ পানীহে মানুহৰ ব্যৱহাৰৰ উপযোগী। এই ০.৩ শতাংশ পানীৰ অধিকাংশ নদীৰ জৰিয়তেই আমি লাভ কৰো ।

পৃথিৱীত উপলব্ধ এই পানীৰ ৯৭.২ শতাংশ মহাসাগৰত, ২.১৫ শতাংশ হিমবাহ, ০.৬১ শতাংশ ভূগৰ্ভত ০.০০০৯ শতাংশ হ্ৰদত, ০.০০৮ শতাংশ অভ্যন্তৰীণ সমুদ্ৰত, ০.০০৫ শতাংশ মাটিৰ আৰ্দ্ৰতা, ০.০০১ শতাংশ বায়ুমণ্ডল আৰু ০.০০০১ শতাংশ নদীৰ বুকুত থাকে।

নদীৰ আৰহমান সোঁতৰ আঁৰত আমাৰ ভূগৰ্ভত জমা হৈ থকা পানীৰ উল্লেখযোগ্য ভূমিকা আছে। ভূগৰ্ভত জমা হৈ থকা পানীৰ বাবেই খৰালি বৰষুণ নহ'লেও নদীৰ জলৰাশি আৰহমান বৈ থাকে। মানৱ সমাজৰ বাবে এই ভূগৰ্ভৰ পানী ব্যৱহাৰযোগ্য যদিও বিশ্বৰ সামগ্ৰিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ভূগৰ্ভত জমা থকা এই জলৰাশিক ব্যৱহাৰ নকৰাটোৱেই মংগলজনক হ'ব। পাছে সাম্প্ৰতিক সময়ত সময়ত চহৰে নগৰে কাঠফুলাৰ দৰে গঢ়ি উঠা বৃহৎ অট্টালিকাবোৰত জধে মধে ভূগৰ্ভত জমা হৈ থকা পানীৰ অপব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে। আমাৰ এই কৰ্ম এদিন উত্তৰ পুৰুষসকলৰ বাবে অভিশাপ হৈ পৰিব।

ফঁহিয়াই চালে দেখা যায় যে নদী অবিহনে এখন দেশৰ সৰ্বাংগীন বিকাশ আশাই কৰিব নোৱাৰি । অথচ নদীৰ জলৰাশিৰে সম্পদশালী আমাৰ দেশত নদীৰ প্ৰতি আমি বিগত কেইটামান দশকত অৱহেলা প্ৰদৰ্শন কৰি আহিছো।

গতিকে সময় থাকোতেই ওপৰত উল্লেখ কৰা সমস্যা সমূহৰ বাবে যথোচিত সমাধানৰ সূত্ৰ বিচাৰি উলিয়াব নোৱাৰিলে অসম এদিন মৰুভূমিত পৰিণত হ'ব ।

*ফোন : ৭৮৯৬০৪৭০০৫*

---

# ছাকিনা খাতুন

## মানস পটত স্মৃতিৰ টুকুৰা

## ছানিয়াৰা খান

**এক**

**আজিৰ** এই লেখনি মোৰ মা প্ৰয়াত ছাকিনা খাতুনৰ বাবে সমৰ্পিত। ২০১৩ৰ ২৭ মাৰ্চৰ নিশা তেওঁৰ পৰলোকপ্ৰাপ্ত হৈছিল। ইমান বছৰ হৈ গ'ল; কিন্তু তেওঁৰ অন্তিম কবিতা...

মই কিমান বেছি অসমীয়া
মই কিমান কম অসমীয়া...

আজিও অসমৰ সন্দৰ্ভত সঠিক যেন অনুভৱ হয়। আজিৰ 'আমি অসমীয়া' বুলি চিঞৰি ফুৰা বহুতো মানুহৰেই মন প্ৰকৃত অসমীয়াৰ দৰে সহজ-সৰল আৰু মানৱীয় মূল্যবোধেৰে ভৰা হয় নে নহয়, ভাবিবৰ দৰকাৰ হৈ পৰিছে। অসমক মনে-প্ৰাণে মৰম কৰা এই লেখিকাগৰাকীয়ে সদায় মেখেলা-চাদৰ পিন্ধিছিল আৰু মূৰত কাপোৰ ল'বলৈ কেতিয়াও পাহৰা নাছিল। এখন সুন্দৰ সমাজৰ কল্পনা কৰি লিখি ভালপোৱা ছাকিনা খাতুনে জীৱনৰ বেছিভাগ খোজ সামাজিক কাঁইটৰ ওপৰতেই ৰাখি আগবাঢ়িবলৈ বাধ্য হৈছিল।

**দুই**

তেওঁৰ পিতৃ দ্বাৰাজ আলী সৰকাৰে তেওঁক পঢ়িবৰ বাবে গাঁৱৰ প্ৰাথমিক স্কুলত পঠিয়াইছিল। ছোৱালীকো পঢ়িবৰ বাবে স্কুলত পঠিওৱাটো বৰ সাহসৰ কাম আছিল, বিশেষকৈ সেই সমাজ যদি অতি ৰক্ষণশীল মুছলমান সমাজ হয়। পুৰুষ প্ৰধান সমাজৰ মানসিকতাৰ কাঁইটৰ ওপৰত পিতৃৰ সহায়ত তেওঁৰ এয়া প্ৰথম খোজ আছিল। প্ৰাথমিক শিক্ষাৰ পাছত তেওঁৰ পিতৃয়ে তেওঁক হাউলীৰ এম ই স্কুলত ভৰ্তি কৰাই দিছিল, যাতে তেওঁ আৰু পঢ়িব পাৰে। ল'ৰাবিলাকৰ মাজত সেই স্কুলত তেওঁ একমাত্ৰ ছোৱালী আছিল। তেওঁৰ পিতৃয়ে তেওঁক বেলেগে বহিবৰ বাবে সৰু চকী-মেজ এযোৰ দিছিল; কিন্তু নৰম শ্ৰেণী পোৱাৰ পাছত ছোৱালীৰ লগত পঢ়িবলৈ ভাল নোপোৱা কিছুমানে তেওঁৰ চকী-মেজ ভাঙি দিছিল। এনেকুৱা বহুতো বাধা আৰু সমালোচনা অতিক্ৰম কৰি তেওঁ মেট্ৰিক পাছ কৰিলে। সকলোতকৈ ডাঙৰ কথা এয়ে যে তেতিয়াৰ ৰাষ্ট্ৰপতি ফকৰউদ্দিন আলী আহমেদে তেওঁৰ উৎসাহ বঢ়াই ইংৰাজীত লিখা এখন চিঠিত কৈছিল— 'তোমাৰ শিক্ষা যেন সমগ্ৰ মুছলমান নাৰীৰ বাবে আদৰ্শ হৈ পৰে।'

**তিনি**

জীৱনৰ পথত পোৱা ঘাত-প্ৰতিঘাত আৰু কিছুমান বিফলতাই তেওঁক পূৰ্ণৰূপে লিখনিৰ জগতত ডুবি যাবৰ সুযোগ দিলে; কিন্তু তেওঁৰ লিখনিবোৰ ৫০ৰ দশকৰ পৰাহে প্ৰকাশিত হ'বলৈ আৰম্ভ কৰে। আৰু মৃত্যুলৈকে তেওঁ লেখনিৰ লগতে জড়িত আছিল। অসমীয়াৰ লগে লগে বাংলা কাকত, আলোচনী আদিতো তেওঁৰ লেখা প্ৰকাশিত হৈছিল। 'আজান', 'অগ্ৰদূত', 'দৈনিক অসম', 'নীলাচল', 'মুজাহিদ', 'অসমবাণী', 'হেংদান', 'অভিযাত্ৰী', 'আমাৰ প্ৰতিনিধি', 'উদ্‌গীৰণ', 'অৰণ্য', 'সুৰভি', 'অসম জ্যোতি', 'আমাৰ অসম'ত তেওঁৰ কবিতা, গল্প, প্ৰবন্ধ আদি প্ৰকাশিত হৈছিল। তেওঁৰ গল্প আৰু অন্য ৰম্য-ৰচনাবোৰ আকাশবাণীৰ যোগেও প্ৰচাৰিত হৈছিল।

**চাৰি**

'দ্য ফক টেলছ অৱ পঞ্জাৱ' কিতাপখনৰ অসমীয়া অনুবাদ 'পঞ্জাৱৰ সাধু' তেওঁৰ প্ৰথম প্ৰকাশিত কৃতি আছিল। তেওঁৰ দ্বাৰা লিখিত আৰু প্ৰকাশিত গ্ৰন্থৰো এখন দীঘল তালিকা আছে। অসম সাহিত্য সভা, সদৌ অসম লেখিকা সমাৰোহ, বৰপেটা লেখিকা সমিতি আৰু হাউলী সাহিত্য সভাৰ লগত তেওঁ মৃত্যুলৈকে জড়িত আছিল। তেওঁ এই কথাষাৰ বৰ গভীৰতাৰে মানি চলিছিল যে পৃথিৱীত শান্তি স্থাপনৰ বাবে কলমৰ বাহিৰে অন্য কোনো অস্ত্ৰ শক্তিশালী হ'ব নোৱাৰে। বাকী সকলোবোৰ অস্ত্ৰক ধ্বংসৰ বাবে ব্যৱহাৰ কৰা হয়। মাত্ৰ কলমেই এনেকুৱা এটা অস্ত্ৰ যাৰ দ্বাৰা পৃথিৱীত শান্তি স্থাপন আৰু ৰক্ষা কৰিব পৰা যায়।

**পাঁচ**

ধৰ্মকো তেওঁ মানসিক শান্তিৰ পথ বুলিয়েই মানিছিল। নামাজ, ৰোজা, কোৰানৰ কৰ্তব্য পালন কৰি তেওঁ



মানিছিল যে কোনো ধৰ্মই মানৱীয়তাৰ মূল্য পাহৰি ধৰ্ম হৈ থাকিব নোৱাৰে। সামান্য

**প্ৰাথমিক শিক্ষাৰ পাছত তেওঁৰ পিতৃয়ে তেওঁক হাউলীৰ এম ই স্কুলত ভৰ্তি কৰাই দিছিল, যাতে তেওঁ আৰু পঢ়িব পাৰে। ল'ৰাবিলাকৰ মাজত সেই স্কুলত তেওঁ একমাত্ৰ ছোৱালী আছিল। তেওঁৰ পিতৃয়ে তেওঁক বেলেগে বহিবৰ বাবে সৰু চকী-মেজ এযোৰ দিছিল; কিন্তু নৰম শ্ৰেণী পোৱাৰ পাছত ছোৱালীৰ লগত পঢ়িবলৈ ভাল নোপোৱা কিছুমানে তেওঁৰ চকী-মেজ ভাঙি দিছিল**

পেঞ্চনৰ পৰাই তেওঁ যিমান পাৰে দুখীয়া মানুহক সহায় কৰি ভাল পাইছিল। ধন-সোণ হওক বা ভৌতিক জীৱনৰ অন্য কোনো বিলাসিতাই হওক একোৱেই প্ৰতি তেওঁৰ আকৰ্ষণ নাছিল। মাত্ৰ এটা বিলাসিতাৰ প্ৰতি তেওঁৰ অত্যধিক আকৰ্ষণ আছিল কিতাপ কিনাৰ বিলাসিতা।

অতি বেছি সৰল আছিল বাবেই তেওঁৰ অন্তিম কিতাপ 'বিদ্ৰোহী বীণ'ৰ মূল পাণ্ডুলিপিখন প্ৰকাশকৰ হাতত সপি দি নিশ্চিন্ত হৈ প্ৰকাশৰ বাট চাই চাই অৱশেষত মৃত্যুৰ মুখত সোমাই গ'ল। সেই পাণ্ডুলিপিখন হেৰাই গ'ল নে আন কিবা হ'ল, এই বিষয়ে জানিবৰ চেষ্টা কৰি কৰি ময়ো নিৰাশাৰ বাহিৰে একোৱেই নাপালো। মই জানো যে মৃত্যুৰ আগতে তেওঁ নিজেও লাহে লাহে হতাশ হ'বলৈ আৰম্ভ কৰিছিল প্ৰকাশকলৈ প্ৰতিবাৰৰ দৰেই এইবাৰো মোৰ কৰযোৰে এয়ে প্ৰাৰ্থনা যে ছাকিনা খাতুনৰ কিতাপ 'বিদ্ৰোহী বীণ'ৰ কি কৰিলে, কি হ'ল, সঁচা কথা কৈ দিলেও তেওঁ মোৰ মৃত মাৰ পৰা হয়তো ক্ষমা পাব।

*ফোন : ৯৯২৬১৪৮৩৮৫*

---

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ


# ক্ৰিষ্টোফাৰ মাৰ্লো

## জীৱনকাল ২৯ বছৰ মাত্ৰ

## (১৫৬৪-১৫৯৩)

## ড° নীলমোহন ৰায়

*ফোন : ৯৮৬৪০৬৪২৭৪*



**শ্বেক্সপীয়েৰৰ** পূৰ্বৱৰ্তী শ্ৰেষ্ঠ নাট্যকাৰ আছিল মাৰ্লো। ছেক্সপীয়েৰৰ জন্মৰ মাত্ৰ দুমাহ পূৰ্বে তেওঁৰ জন্ম হৈছিল কেণ্টাৰবাৰীত। তেওঁ পিতৃ আছিল এজন জোতা চিলাইকাৰী মুচি। জনৈক সহৃদয় ব্যক্তিৰ সৌজন্যত মাৰ্লোই প্ৰথমে টাউন গ্ৰামাৰ স্কুলত আৰু পাছলৈ কেমব্ৰিজত পঢ়া-শুনা কৰাৰ সুযোগ পাইছিল। কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা তেওঁ ১৫৮৪ খ্ৰীষ্টাব্দত বি এ আৰু ১৫৮৭ খ্ৰীষ্টাব্দত এম এ ডিগ্ৰী লয়। মাৰ্লো আছিল একাধাৰে অভিনেতা, কবি আৰু নাট্যকাৰ। ছেক্সপীয়েৰে যেতিয়া তেওঁৰ প্ৰথম পৰ্যায়ৰ নাটকবোৰ লিখিছিল, মাৰ্লোৰ সাহিত্য-জীৱন তেতিয়া প্ৰায় শেষ হৈছিল। মাৰ্লো আছিল বিশ্ববিদ্যালয়ৰ সহপাঠীসকলৰ ভিতৰত আটাইতকৈ প্ৰতিভাশালী। নাট্য-সাহিত্যৰ তেওঁ মাথোঁ দিক্‌পালেই নাছল, তেওঁ এগৰাকী যুগ প্ৰৱৰ্তকো আছিল।

মাত্ৰ ২৯ বছৰ বয়সত তেওঁৰ তৰুণ শক্তিৰ পূৰ্ণ পৰিণতিৰ আগতেই এখন অতিথিশালাত এক আভ্যন্তৰীণ কলহৰ মাজত পৰি আঘাতপ্ৰাপ্ত হয়, আৰু তাতেই তেওঁৰ জীৱন নাটৰ যৱনিকা পৰে। এই অসাধাৰণ প্ৰতিভাশালী নাট্যকাৰক নাট্যকাৰ জৰ্জ পীল (১৫৫৮-১৫৯৮)-এ বাণীৰ বৰপুত্ৰ আখ্যা দিছিল। সপ্তদশ-অষ্টাদশ শতাব্দীত মৰ্লোৰ বিশেষ খ্যাতি নাছিল; কিন্তু ঊনবিংশ শতাব্দীত ৰোমাণ্টিকসকলৰ মানসত তেওঁ খ্যাতিৰ উত্তুংগ শিখৰত আৰোহণ কৰে। বিংশ শতাব্দীত কোনো কোনোৱে ক'ব খোজে যে ছেক্সপীয়েৰৰ নাটকবোৰৰ প্ৰকৃত ৰচয়িতা হ'ল মাৰ্লোহে, আন কিছুমান সমালোচকৰ মতে নাট্যকাৰ হিচাপে তেওঁ ছেক্সপীয়েৰতকৈ ওপৰত। কিন্তু এইবোৰ অভিমতৰ প্ৰতি বেছিভাগ সমালোচকৰেই সঁহাৰি নাই। অৱশ্যে তেওঁ যে ইংৰাজী সাহিত্যৰ শ্ৰেষ্ঠ নাট্যকাৰজনৰ অন্যতম সেই বিষয়ে কাৰো সংশয় নাই।

মাৰ্লোৰ আগতে ইংৰাজী সাহিত্যত শক্তিশালী নাট্যধাৰা নাছিল। ৰবাৰ্ট গ্ৰীণ (১৫৫৮-১৫৯২) আৰু ক্ৰিষ্টোফাৰ মাৰ্লোৰ হাততেই ইংৰাজী সাহিত্যৰ সোণালী যুগৰ প্ৰচণ্ড শক্তিশালী নাটকৰ ধাৰাৰ আৰম্ভণি হয়। মাৰ্লো আছিল নিৰীশ্বৰবাদী। নিৰীশ্বৰবাদিতাৰ বাবে আইনানুসৰি তেওঁ হয়তো দণ্ডনীয় হ'লহেঁতেন, কিন্তু নৃশংস অকাল মৃত্যুৱে তেওঁক তেওঁৰ জীৱনৰ প্ৰচণ্ড ক্ষোভ আৰু যন্ত্ৰণাৰ পৰা মুক্তি দিয়ে। তেওঁ মোছেছক বহুৱা বুলি কৈছিল আৰু দাবী কৰিছিল যে যদি তেওঁ নতুন এক ধৰ্মমত প্ৰতিষ্ঠা কৰে তেন্তে সেয়া হ'ব প্ৰচলিত খ্ৰীষ্ট ধৰ্মতকৈ বহুত উন্নত।

মাৰ্লোৰ দ্বাৰা ৰচিত নাটকসমূহ হ'ল—টেম্বাৰলেন দি গ্ৰেট প্ৰথন খণ্ড আনুমানিক ১৫৮৪; দ্বিতীয় খণ্ড আনুমানিক ১৫৮৭), মল্টাৰ ইহুদী (১৫৯০) দ্বিতীয় এডোৱাৰ্ড (১৫৯১), ডক্টৰ ফষ্টাচৰ বিষাদময় ইতিহাস ১৫৯২, পেৰিচত হত্যাকাণ্ড (১৫৯৩) আৰু কাৰ্থেজৰ ৰাণী ডিডো (১৫৯৪)। হঠাৎ নৃশংসভাৱে মাৰ্লো নিহত হোৱাত শেষোক্ত নাটকখন সম্পূৰ্ণ হোৱা নাই। ইয়াৰ বাহিৰেও ছেক্সপীয়েৰৰ দুই-এখন নাটকত তেওঁ সহযোগিতা কৰিছিল বুলি জনশ্ৰুতি আছে। তদুপৰি তেওঁ আছিল এগৰাকী বিশিষ্ট গীতিকবি। তেওঁৰ দ্বাৰা ৰচিত The Passionate Shephered to His Love-এ সেই যুগত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল। কবিতাটো পাছত Englands Helicon গ্ৰন্থত অন্তৰ্ভুক্ত হয়। Hero and Leander মাৰ্লোৰ সৰ্বশ্ৰেষ্ঠ গীতিকাব্য। শৃংগাৰমূলক এই কাব্যত ইন্দ্ৰিয় পৰায়ণতাৰ প্ৰাধান্য ফুটি উঠাৰ লগতে লক্ষ্যণীয় হৈ উঠিছে মাৰ্লোৰ বক্ৰাঘাতা। আৰু বক্ৰোক্তি। ১৫৯৮ খ্ৰীষ্টাব্দত প্ৰাণৱন্ত অনুভূতি সৃষ্টিকাৰী হিৰো এণ্ড লিয়েণ্ডাৰ কবিতাটো প্ৰকাশিত হয়। এই কাব্যৰেই এটি বিখ্যাত পংক্তি— Who ever loved that loved not at first sight? শ্বেক্সপীয়েৰে তেওঁৰ As You Like It নাটকত ব্যৱহাৰ কৰে।

মাৰ্লোৰ নাটকত ৰেনেছাঁৰ মৰ্মবাণী স্পষ্ট ৰূপত ধ্বনিত হৈছে। নজনাক জনা, নোপোৱাক পোৱা, ভাগ্যৰ হাতত জীৱন অৰ্পণ নকৰি জীৱনবিধাতাৰ স'তে সংগ্ৰাম, বলিষ্ঠতা প্ৰাণৰ দুৰন্ত উদ্দীপনা, অপূৰ্ব কৰ্মব্যাকুলতা, জীৱনক সম্পূৰ্ণ ৰূপত ভোগ কৰাৰ বাবে হাবিয়াসে মাৰ্লোৰ নাটকবোৰক অনবদ্য কৰি তুলিছে। মাৰ্লোই নাটকক জীৱনতকৈও ডাঙৰৰূপে গঢ়ি তুলিছে। তেওঁৰ নায়কবোৰ সকলো ধৰণৰ সংকীৰ্ণতা আৰু দীনতাৰ পৰা মুক্ত। ভৃগুৰ দৰেই তেওঁৰ নায়কবোৰৰ ভূলোক-দ্যুলোক সৰ্বত্ৰ বলিষ্ঠ পদক্ষেপ। তেওঁৰ নাটকৰ পটভূমিকা হ'ল সমগ্ৰ পৃথিৱী। তেওঁৰ প্ৰতিটো চৰিত্ৰৰ ওপৰত পৰিছে নৱজাগৰণৰ প্ৰভাৱ। ৰেনেছাঁৰ এই প্ৰভাৱৰ ফলত চৰিত্ৰসমূহ হৈ উঠিছে দুঃসাহসিক অভিযাত্ৰী। ইমানদিনে অন্যান্য নাট্যকাৰসকলে পুতলাৰ দৰে নিষ্প্ৰাণ চৰিত্ৰ সৃষ্টি কৰিছিল। কিন্তু মাৰ্লোৰ সৃষ্ট চৰিত্ৰবোৰ জীৱন্ত আৰু প্ৰাণৰ উচ্ছ্বাসত সাৱলীল।

নাট্যকাৰ হিচাপে মাৰ্লোৰ শ্ৰেষ্ঠ অৱদান হ'ল নাটকত অমিত্ৰাক্ষৰ ছন্দ প্ৰৱৰ্তন। ইমানদিনলৈকে বহুত নাট্যকাৰেই ৰাইম বা দ্বিপংক্তিক মিল বিশিষ্ট কবিতা ৰচনা কৰিছিল। অৰ্থাৎ মাৰ্লোৰ আগতে ইংৰাজী সাহিত্যত যি অমিত্ৰাক্ষৰ ছন্দ পোৱা যায় সেই blank verse আছিল প্ৰাণহীন আৰু সীমাবদ্ধ। মাৰ্লোৰ হাতত অমিত্ৰাক্ষৰ ছন্দ সঞ্জীৱিত হৈ উঠে। পৰৱৰ্তী কালত শ্বেক্সপীয়েৰ সমন্বিতে এই ছন্দ ব্যৱহাৰকাৰী সকলোৱেই শেষলৈকে মাৰ্লোৰ ওচৰত ধৰুৱা। মাৰ্লোৰ অমিত্ৰাক্ষৰ ছন্দই অদ্ভুত বৈচিত্ৰ্য কঢ়িয়াই আনিলে। মাৰ্লোৰ পূৰ্বসূৰীসকলৰ নাটকবোৰ আছিল গ্ৰন্থিহীন আৰু শিথিল।

মাৰ্লোৰ হাতত নাটকে সংহত আৰু অখণ্ড ৰূপ লাভ কৰে। মাৰ্লোৰ নাট্যকাহিনীবোৰ কল্পনাৰ সুঠামতাত অসামান্য । তেওঁৰ নাটক চিত্ৰময়। বিবিধ বৰ্ণৰ বিন্যাসত নাটকসমূহ অপূৰ্ব চিত্ৰশালাৰ দৰেই মনোজ্ঞ আৰু উপভোগ্য। চিত্ৰময়তাৰ দৃষ্টিকোণেৰে চালে মাৰ্লোৰ নাটকবোৰক কীটছৰ কবিতাৰ স'তে ৰিজাব পাৰি। মাৰ্লোৰ নাটকত আছে নাট্যকাৰৰ মৌলিকতা আৰু অদ্ভুত প্ৰাণশক্তি। নাটক—বিশেষকৈ ট্ৰেজেডিক নতুন ৰূপ দান কৰিছে মাৰ্লোই। তেওঁৰ পূৰ্বৰ নাটকসমূহ আছিল ধৰ্মপ্ৰচাৰৰ হাতিয়াৰ। তেৱেঁই নাটকলৈ বৈ আনে আবেগ আৰু নায়ক চৰিত্ৰৰ সংঘাত।

ইটালীয়ে ৰেনেছাঁই মাৰ্লোক নাটক ৰচনাত আৰু নাটকৰ চৰিত্ৰ সৃষ্টিত বিশেষ। সহায়তা কৰিছিল। জীৱনৰ যি দুৰ্দমনীয় বাসনা ৰেনেছাঁৰ বৈশিষ্ট্য, ৰংগমঞ্চত তাৰ তুৰ্যনিনাদ প্ৰথমে মাৰ্লোই আমাক শুনাইছে। চচাৰৰ পাছত মাৰ্লোই প্ৰথম লেখক যাৰ ৰচনাত ধ্বনিত হৈছে প্ৰবল প্ৰাণশক্তি, শুনা গৈছে জীৱনৰ সংঘাত আৰু মহিমাৰ কথা। কিন্তু জীৱনৰ ট্ৰেজিক মহত্ত্বৰ যি উপলব্ধি মাৰ্লোৰ হৈছিল সেয়া চচাৰৰ উপলব্ধিতকৈ একেবাৰে স্বতন্ত্ৰ ধৰণৰ আছিল। মাৰ্লোৰ নাটকৰ মুখ্য চৰিত্ৰবোৰ আছিল অত্যন্ত প্ৰতাপশালী, প্ৰতিকূল অভিজ্ঞতাৰ স'তে সংগ্ৰাম কৰাৰ বাবে যিসকলৰ কামনা আৰু প্ৰাণশক্তি আছিল সীমাহীন। এই ধৰণৰ সৰ্বগ্ৰাসী কামনাত উদ্দীপ্ত চৰিত্ৰ শ্বেক্সপীয়েৰেও সৃষ্টি কৰিব পৰা নাছিল। এই ধৰণৰ নাট্যবোধৰ পৰিচয়ো ইতিপূৰ্বে কোনো নাট্যকাৰে দাঙি ধৰিব পৰা নাই। নাট্যকাৰ গঠনৰ বিষয়ে টমাছ কিড (১৫৫৮-১৫৯৪)-এ ভাল জানিলেও মাথোঁ নাটকীয়তাৰ দ্বাৰা দৰ্শকৰ মন জয় কৰাৰ বাবে প্ৰয়োজনীয় মঞ্চকৌশল ব্যৱহাৰৰ ক্ষেত্ৰত মাৰ্লো আছিল অদ্বিতীয়।

'টেম্বাৰলেইন দি গ্ৰেট' নাটকখন মাৰ্লোৰ নাট্য প্ৰতিভাৰ কেৱল শ্ৰেষ্ঠ দ্যোতনাই নহয়, ই এটি যুগান্তকাৰী সৃষ্টি। স্পেনীয় এগৰাকী লেখকৰ ৰচিত টাইমুৰলঙৰ জীৱনীৰ অনুবাদ পঢ়ি মাৰ্লোই তেওঁৰ 'টেম্বাৰলেন' নাটকৰ বিষয় নিৰ্বাচন কৰে। তেওঁৰ কল্পনাশক্তি আছিল তীক্ষ্ণ সচেতন। নাটকৰ এই অভিনৱ বিষয় নিৰ্বাচনতো তাৰ পৰিচয় পোৱা যায়। মধ্যযুগৰ ইতিহাসত টাইমুৰলঙ এক অদ্ভুতকৰ্মা, অসমসাহসী, নিষ্ঠুৰ, বীৰ যোদ্ধা। সামান্য এজন ভেড়াৰখীয়াৰ পৰা তেওঁ হৈ উঠে পৃথিৱীৰ বিস্ময় আৰু আতংক। পাৰস্য জয় কৰি সমগ্ৰ প্ৰাচ্যভূমিৰ ওপৰেৰে তেওঁ তেওঁৰ ধুমুহাৰ দৰে সৈনাবাহিনীক লৈ গৈছে। বন্দী ৰজাসকলৰ দ্বাৰা তেওঁ তেওঁৰ ৰথ টনাইছে। ক্ষমতাৰ গৰ্বত অন্ধ হৈ দেৱশক্তিৰ বিৰুদ্ধেও বিদ্ৰোহ ঘোষণা কৰিছে। কিন্তু লাখ লাখ সেনাৰ অধিনায়ক এই বিদ্ৰোহী অৱশেষত ব্যাধিগ্ৰস্ত হৈ ৰণক্ষেত্ৰতেই মৃত্যুমুখত পৰে। উন্মত্ত উচ্চাকাংক্ষাৰ শেষ পৰিণতি দেখা দিলে শোচনীয় মৃত্যুৰ মাজেৰে। দুঃসাহসী, দুৰ্ধৰ্ষ এই জীৱনৰ কাহিনীয়ে সেইদিনা ইংলণ্ডবাসীক মুগ্ধ কৰিছিল।

মাৰ্লোৰ প্ৰায় সকলোবোৰ নাটকেই ৰচিত হৈছে একোজন অসাধাৰণ ব্যক্তিক কেন্দ্ৰ কৰি। তাত দেখুওৱা গৈছে ক্ষমতালোভৰ পৰিণাম। এই এককেন্দ্ৰিক শোকনাট্য মাৰ্লোৰ বিশিষ্ট সৃষ্টি। 'ফষ্টাচ' তেওঁৰ দ্বিতীয় নাটক। জাৰ্মান কাহিনীৰ পৰা তেওঁ নাটকখনৰ বিষয়বস্তু সংগ্ৰহ কৰে। স্মৰ্তব্য যে এই কাহিনীটোক অৱলম্বন কৰিয়েই পৰৱৰ্তী কালত জাৰ্মান কবি গ্যেটেই তেওঁৰ বিশ্ববিখ্যাত কাব্য ফাউষ্ট ৰচনা কৰে। ডক্টৰ ফষ্টাচ আছিল জ্ঞানান্বেষী। বহু শাস্ত্ৰ অধ্যয়নৰ পাছত তেওঁৰ যাদুবিদ্যা শিকাৰ প্ৰতি আগ্ৰহ জন্মে। তাৰ বাবে তেওঁ চয়তানৰ ওচৰত নিজকে বিক্ৰী কৰে। চৰ্ত থাকে— ২৪ বছৰ তেওঁৰ সৰ্বময় ক্ষমতাৰ অধিকাৰী হ'ব। তেওঁ অশান্তি আৰু অন্তৰ্দাহৰ স্বৰূপ নাটকৰ শেষ দৃশ্যবোৰত মৰ্মস্পৰ্শী ৰূপত ফুটি উঠিছে। ধন-মান-জ্ঞান একোৱেই মানুহক শান্তি দিব নোৱাৰে, আত্মশুদ্ধিয়েই প্ৰকৃত শান্তিৰ পথ, ফষ্টাচ কাহিনীৰ এয়েই সাৰমৰ্ম।

'জু অফ মল্টা' নাটকৰ নায়ক বাৰাবাস ধন-ঐশ্বৰ্যৰ দ্বাৰা সকলো ক্ষমতাৰ অধিকাৰী হ'ব বিচাৰে। হেজাৰ হেজাৰ সোণৰ মোহৰ আৰু চকু ছাট মাৰি ধৰা সুদৃশ্য মূল্যৱান ধাতু তেওঁ দিনে নিশাই হাতেৰে লাৰি-চাৰি থাকে। ঐশ্বৰ্যৰ অহংকাৰত তেওঁ সততে উন্মত্ত হৈ থাকে। কিন্তু এসময়ত মল্টাৰ শাসনকৰ্তাই তেওঁৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰে। তথাপি ঐশ্বৰ্যৰ প্ৰতি কামনা-বাসনা তেওঁৰ সমূলি কমা নাছিল। তেওঁৰ ঘৰ সন্ন্যাসিনীসকলৰ আশ্ৰমলৈ ৰূপান্তৰিত হ'ল।

অৱশেষত এদিন শত্ৰুৰ বাবে ৰাখি থৈ দিয়া তপত কেৰাহীত পৰি বাৰবাসৰ মৃত্যু হয়। মাৰ্লোৰ এই নাটকখন অতি জনপ্ৰিয় হোৱাৰ বাবেই সম্ভৱতঃ শ্বেক্সপীয়েৰে তেওঁৰ 'মাৰ্চেণ্ট অৱ ভেনিচ' নাটকখন লিখাৰ প্ৰেৰণা লাভ কৰে। এইটো সহজেই অনুমেয় যে বাৰাবাস চৰিত্ৰটো শ্বেক্সপীয়েৰৰ শাইলক চৰিত্ৰৰেই পূৰ্বাভাস মাথোন।

'এডোৱাৰ্ড দি ছেকেণ্ড' এলিজাবেথীয়ে যুগৰ প্ৰকৃত ঐতিহাসিক নাটক। ইয়াত আংগিক, নাট্যকাহিনী, চৰিত্ৰ বৰ্ণনা— সকলোখিনিয়েই মাৰ্লোৰ অন্যান্য নাটকতকৈ সুকীয়া। ইয়াত নাট্যকাৰে শিল্পী হিচাপে সূক্ষ্ম কলাজ্ঞানৰ পৰিচয় দিব পাৰিছে। নাটকত বৰ্ণিত ঘটনাৱলী সুবিন্যস্ত আৰু দৃঢ়পীনদ্ধ, চৰিত্ৰবোৰ ইয়াত অধিক জটিল। টেম্বাৰলেইন বা 'ফষ্টাচ'ৰ ভাষাৰ দৰে উচ্চ স্বৰৰ ভাষা ইয়াত নাই। ইয়াৰ ভাষা মাৰ্জিত, সৰল আৰু অলংকাৰ বাহুল্যবৰ্জিত। বন্ধু-পৰিবৃত দুৰ্বলচিত্ত ৰজাক ৰাণী ইছাবেলাই প্ৰেমিক মাৰ্টিমাৰ স'তে ষড়যন্ত্ৰ কৰি পৰাভূত কৰে। নৃশংস মাৰ্টিমাৰে ৰজাক হত্যা কৰে। মাৰ্লোৰ এইখন নাটকে শ্বেক্সপীয়েৰক তেওঁৰ দ্বিতীয় ৰিচাৰ্ড ৰচনাত প্ৰভাৱিত কৰে।

'পেৰিচত হত্যাকাণ্ড' নাটকখন ফ্ৰান্সত সাধু বাৰ্থোলোমিউ স্মৃতি দিৱসত অনুষ্ঠিত ব্যাপক হত্যালীলাৰ পটভূমিত ৰচিত। মাৰ্লো আছিল নাস্তিক। নাস্তিকতাবাদৰ বাবে তেওঁ শাস্তি পাবলগীয়া হৈছিল। কিন্তু এইখন নাটকত তেওঁ প্ৰটেষ্টাণ্ট ধৰ্মৰ বাবে অবিশ্বাস্য ধৰণে সহানুভূতি দেখুৱাইছে।

নাট্য সাহিত্যলৈ মাৰ্লোৰ স্মৰণীয় অৱদানসমূহৰ ভিতৰত দুটা বিশেষভাৱে উল্লেখ্যযোগ্য—

ক। নাটকীয় ঘাত-প্ৰতিঘাত প্ৰকাশৰ উপযোগী সুদৃঢ় আৰু ওজস্বী ভাষা আৰু গতিশীল, সাৱলীল অমিত্ৰাক্ষৰ ছন্দৰ প্ৰৱৰ্তন।

খ। জীৱন্ত তথা প্ৰাণশংকিত পৰিপূৰ্ণ চৰিত্ৰ সৃষ্টি।

মাৰ্লোৰ অন্যতম কৃতিত্বই হ'ল তেওঁ নাটকক সাহিত্যৰ উচ্চ স্তৰত স্থান দিবলৈ সক্ষম কৰি তুলিছে। ১৫৯৩ খ্ৰীঃৰ ৩০ মে'ত লণ্ডনৰ ডেপ্টফোৰ্ডৰ বাৰত ইনগ্ৰাম ফ্ৰিজাৰৰ ছবিৰ আঘাতত মাত্ৰ ২৯ বছৰ বয়সত এইগৰাকী বিশ্ববৰেণ্য নাট্যকাৰৰ অকাল মৃত্যু ঘটে।

** লেখকৰ 'অকাল প্ৰয়াত মানুহৰ স্মৰণীয় কথা' পুথিৰ পৰা লোৱা হৈছে। পুথিখনিৰ প্ৰকাশক এন এল পাব্লিকেছনছ, পাণবজাৰ, গুৱাহাটী*

# গহপুৰৰ দক্ষিণাঞ্চলত পুনৰ গঁড়ৰ মুক্ত বিচৰণ আতংকিত ৰাইজ

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২৯ মাৰ্চ ঃ** গহপুৰ মহকুমাৰ দক্ষিণাঞ্চলত পুনৰ এটা গঁড়ৰ বিচৰণক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোৱা ২৮ ফেব্ৰুৱাৰীত মহকুমাটোৰ আমতলা গাঁও পঞ্চায়তৰ দাসপাৰা গাঁৱৰ এটি গঁড়ে মুক্ত বিচৰণ কৰাৰ পাছত পুনৰ আজি পুৱতি নিশাৰে পৰা বৰতামুলী গাঁও পঞ্চায়তৰ লৌগুটিত গঁড়ৰ মুক্ত বিচৰণৰ সন্মুখীন হয় স্থানীয় ৰাইজ। কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ দিশৰ পৰা অহা গঁড়টোৱে লৌগুটি অঞ্চলত পুৱতি নিশাৰে পৰা বিচৰণ কৰি থকা সময়তে পথাৰত চৰি থকা এটা ঘোঁৰাক আক্ৰমণ কৰে। লৌগুটি গাঁৱৰ সমীপতে থকা ঝাওবন এডৰাত দিনটো অৱস্থান কৰি থকা গঁড়টোক লৈ শংকিত হৈ পৰে লৌগুটি অঞ্চলৰ ৰাইজ। বন বিভাগৰ লোক পুৱাৰ ভাগতে উক্ত স্থানত উপস্থিত হয় যদিও গঁড়টো জনাঞ্চললৈ অহাৰ আশংকা কৰি বিয়লি বেলাহে গঁড়টো কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ দিশলৈ খেদি পঠোৱাৰ ব্যৱস্থা কৰে। বাতৰি লিখাৰ পৰলৈকে গঁড়টোক বনকৰ্মীসকলে গোপাল চাপৰি অতিক্ৰম কৰি কাৰ্তিকে চাপৰি দিশে খেদি নি আছে। গঁড়টোক খেদি নি কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ কাৰ্তিকে চাপৰি পাৰ কৰি নিব পাৰিলেও গঁড়টো কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সোমাই পৰিব।

# দক্ষিণ বগুৰিবাৰী সমবায়ৰ ৪০ হেজাৰ গ্ৰাহকৰ মাজত প্লাষ্টিকৰ চাউল বিতৰণ

**আলোপতি, ২৯ মাৰ্চ ঃ** পুনৰ চৰ্চালৈ আহিছে প্লাষ্টিকৰ চাউল। এইবাৰ বৰপেটা জিলাৰ চেঙা সমষ্টিৰ দক্ষিণপাৰৰ চৰঞ্চলত উঠিছে প্লাষ্টিকৰ চাউল বিতৰণৰ অভিযোগ। প্ৰাপ্ত অভিযোগ মতে, জিলাখনৰ চেঙা সমষ্টিৰ দক্ষিণ বগুৰিবাৰী সমবায় সমিতিৰ গ্ৰাহকসকলক এজেণ্টৰ জৰিয়তে বিতৰণ কৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ চাউলত ওলাইছে প্লাষ্টিকৰ চাউল। সমবায় সমিতিৰ অন্তৰ্ভুক্ত একাংশ দৰিদ্ৰ গ্ৰাহকে কৰা অভিযোগ অনুসৰি সমবায় সমিতিৰ পৰা লাভ কৰা মাৰ্চৰ বিনামূলীয়া চাউলৰ প্ৰায় ৫০ শতাংশ চাউলেই প্লাষ্টিকৰ। একাংশ গ্ৰাহকে চাউল ঘৰলৈ আনি ৰান্ধিবলৈ যাওঁতে পোহৰলৈ আহিছে এই ঘটনা। ঘৰলৈ অনা বিনামূলীয়া চাউল ধুবলৈ নিয়াত প্ৰায় অৰ্ধেক চাউল পানীত ওপঙি থকাত সন্দেহ হোৱাত পৰিয়ালৰ লোকে ঘটনাটো ভালদৰে প্ৰত্যক্ষ কৰাত এই চাউলখিনি প্লাষ্টিকৰ বুলি ধাৰণা কৰি স্থানীয় সচেতন লোকক অৱগত কৰে। স্থানীয় একাংশ লোকে ঘটনাটো প্ৰত্যক্ষ কৰি সমগ্ৰ বিষয়টো সমবায় কৰ্তৃপক্ষৰ লগতে সংবাদকৰ্মীক অৱগত কৰায়। সমবায় সমিতিৰ প্ৰায় ৪০ হেজাৰ গ্ৰাহকৰ একাংশৰ মাজত এনে সন্দেহযুক্ত প্লাষ্টিকৰ চাউল বিতৰণ কৰা হৈছে। যদি সঁচাকৈয়ে সমবায় সমিতিৰ গ্ৰাহকৰ মাজত বিতৰণ কৰা চাউল প্লাষ্টিকৰ হয় তেন্তে ই স্বাস্থ্যৰ বাবে অতিকৈ বিপজ্জনক হোৱাৰ লগতে ভয়ানক ক্ষতিকাৰক বুলি ব্যক্ত কৰিছে সচেতন মহলে। বৃহৎ সংখ্যক দৰিদ্ৰ গ্ৰাহকৰ মাজত বিতৰণ কৰা চৰকাৰী বিনামূলীয়া চাউলৰ মাজত প্লাষ্টিকৰ চাউল ওলোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত। সমগ্ৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ শীঘ্ৰে তদন্ত কৰাৰ লগতে বৃহৎ সংখ্যক দৰিদ্ৰ গ্ৰাহকৰ মাজত বিতৰণ কৰা চাউল পৰীক্ষা কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ যোগান বিভাগক দাবী জনাইছে ৰাইজে।



# কোকৰাঝাৰত বিজেপিৰ কৰ্মশালালৈ মাতি সংবাদ মাধ্যমৰ কৰ্মীক অপদস্থ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ মাৰ্চ ঃ** আগন্তুক বিটিচি নিৰ্বাচনত বিটিচি দখল কৰাৰ লক্ষ্যৰে বিজেপিয়ে বড়োভূমিত দলটোক সকলো দিশৰ পৰা শক্তিশালী কৰি তোলাৰ বাবে পদক্ষেপ গ্ৰহণৰ লগতে প্ৰচেষ্টা অব্যাহত ৰাখিছে। সেই পৰিপ্ৰেক্ষিতত আজি বিটিচিৰ সদৰ কোকৰাঝাৰত বিজেপিৰ সামাজিক মাধ্যম কোষৰ এখন কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। কোকৰাঝাৰ চহৰস্থিত তেৰাপনহ ভৱনত আয়োজিত কৰ্মশালাখনত দিনৰ ১২-৩০ বজাত স্থানীয় সংবাদ মাধ্যমৰ সদস্যসকলক আমন্ত্ৰণ কৰা হৈছিল। সেই মৰ্মে সংবাদ মাধ্যমৰ সদস্য কৰ্মশালাখনত উপস্থিত হয় আৰু কৰ্মশালাখনৰ তৃতীয় সত্ৰত তৃতীয় পক্ষৰূপে 'সামাজিক মাধ্যমত আমাৰ ভূমিকা আৰু সামাজিক মাধ্যমৰ আইনগত দিশ' শীৰ্ষক বিষয়ত বক্তব্য ৰাখিব গৈ কোকৰাঝাৰ জিলাৰ সামাজিক মাধ্যমৰ প্ৰভাৰী আইমণি শৰ্মাই কৰ্মশালাখনত উপস্থিত থকা ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সাংবাদিকসকলক তেওঁলোকৰ গোপন কথা আলোচনা কৰিব বুলি কৈ কৰ্মশালাথলীৰ পৰা ওলাই যাবলৈ কয়। এই কাৰ্যই কোকৰাঝাৰ সংবাদ মাধ্যমৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যদিহে কৰ্মশালাখনত গোপন আলোচনা কৰিব লগীয়াই আছিল তেন্তে সংবাদ মাধ্যমক কিয় ১২-৩০ বজাত উপস্থিত হ'বলৈ আমন্ত্ৰণ জনোৱা হৈছিল বুলি প্ৰশ্নৰ উত্থাপন হৈছে।

# কোকৰাঝাৰ শাখাৰ মাৰোৱাৰী যুৱমঞ্চ জাগৃতি মহিলা শাখাৰ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ মাৰ্চ ঃ** কোকৰাঝাৰ শাখাৰ মাৰোৱাৰী যুৱমঞ্চ আৰু মহিলা জাগৃতি শাখাৰ নতুন সমিতি দুখন নিৰ্বাচনৰ দ্বাৰা আজি মাৰোৱাৰী যুৱমঞ্চৰ ভৱনত গঠন কৰা হয়। মাৰোৱাৰী যুৱমঞ্চৰ সুমিত আগুলিয়াক সভাপতি, শচীন শৰ্মাক সচিব আৰু সুভাষ নাওলেখাক কোষাধ্যক্ষ হিচাপে লৈ ১৬ জনীয়া সমিতি গঠন কৰা হয়। বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ী কিষাণলাল নাহাতা, সমাজকৰ্মী শ্ৰীচন্দ্ৰ ভুৰা আৰু দিলীপ শেঠীয়াৰ উপস্থিতিত অনুষ্ঠিত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিৰ্বাচনৰ দ্বাৰা নতুন সমিতিখন গঠন কৰা হয়। ঠিক একেদৰে চান্দিনী শৰ্মাক সভানেত্ৰী, প্ৰেম আগুলিয়াক উপাধ্যক্ষা, অনিতা লালানীক সচিব, বিনীতা বৰডিয়া সহকাৰী সচিব, খুচবু আগুলিয়া কোষাধ্যক্ষ, পুষ্পা ভুৰাক সাংস্কৃতিক সম্পাদিকা, প্ৰতীক্ষা ভুৰাক ক্ৰীড়া বিভাগ, মিনু সাগানী, নিৰ্মনা ভুৰাক সমন্বয়ক, মমতা শেঠীয়া, চিংকী নাওলেখা ৰক্ত সংযোজক, প্ৰিয়াংকা নাহাতা, প্ৰিয়া কাসলীয়াল, সোনল জৈন, সুমন শৰ্মাক কাৰ্যকাৰী সদস্য হিচাপে লৈ ১৬ জনীয়া জাগৃতি মহিলা সমিতিখন গঠন কৰা হয়। মহিলা শাখাৰ নিৰ্বাচন প্ৰক্ৰিয়া পৰিচালনা কৰে ৰাহুল শৰ্মা আৰু সুনীল আগুলিয়াই।

# ভূপতি চন্দ্ৰ ডেকা সোঁৱৰণী বক্তৃতা-বঁটা প্ৰদান অনুষ্ঠান

## মেধাৱী ছাত্ৰ দীপজ্যোতি কলিতাক পুৰস্কাৰ প্ৰদান



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৯ মাৰ্চ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত চেমিনাৰ কক্ষৰ আজি পঞ্চম বাৰ্ষিক ভূপতি চন্দ্ৰ ডেকা সোঁৱৰণী বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। 'শ্ৰী নিবাস ৰামানুজন আৰু তেওঁৰ গণিতলৈ অৱদান' শীৰ্ষক বক্তৃতা অনুষ্ঠানত মুখ্য বক্তা হিচাপে অধ্যাপক নয়নদীপ বৰুৱাই অংশগ্ৰহণ কৰি কালজয়ী গণিতজ্ঞ গৰাকীৰ অৱদানৰ বিষয়ে সবিশেষ আলোকপাত কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আতাউৰ ৰহমানে সঞ্চালনা কৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে বিশ্ববিদ্যালয়খনৰ জিঅ'লজী বিভাগৰ অধ্যাপক ভাগৱত প্ৰাণ দুৱৰাই। উক্ত অনুষ্ঠানতে২০২১-২২ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পৰীক্ষাত গণিত বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানপ্ৰাপ্ত ছাত্ৰ দীপজ্যোতি কলিতাক নগদ ধন আৰু প্ৰমাণপত্ৰৰে পুৰস্কৃত কৰে। মেধাৱী ছাত্ৰজন নলবাৰী জিলাৰ বড়িদতৰা গাঁৱৰ বাসিন্দা তথা ঘগ্ৰাপাৰস্থিত বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতা আৰু পাৰ্বতী কলিতাৰ পুত্ৰ। মেধাৱী ছাত্ৰজনৰ এনে সফলতাই অঞ্চলৰ ৰাইজক আনন্দিত কৰি তুলিছে।

# কন্দলী চাহ বাগিচাত অসম চাহ মজদুৰ সংঘৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা


**যমুনামুখ, ২৯ মাৰ্চ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে কঠিয়াতলিৰ সমীপৰ কন্দলী চাহ বাগিচাতো আজি অসম চাহ মজদুৰ সংঘই এক প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। উল্লেখ্য যে আইনগতভাৱে শ্ৰমিকসকলৰ প্ৰাপ্য আদায় দিয়া, ৩৫১ টকাকৈ মজুৰি দিয়া, অৱসৰপ্ৰাপ্ত শ্ৰমিকক ৯০ দিনৰ ভিতৰত প্ৰাপ্য আদায় দিয়া আদিৰ দাবীত এক প্ৰতিবাদী সমদল উলিয়ায়। 'মালিক পক্ষ হুচিয়াৰ', 'আমাৰ দাবী মানিব লাগিব', 'ইনক্লাব জিন্দাবাদ' আদি ধ্বনিৰে বাগানৰ আকাশ-বতাহ মুখৰিত কৰি তোলে শ্ৰমিকসকলে।

# নিষিদ্ধ ড্ৰাগছে ছানি ধৰিছে নগাঁও

## হেৰ'ইনসহ গ্ৰেপ্তাৰ দুই সৰবৰাহকাৰী

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ মাৰ্চ ঃ** নিষিদ্ধ ড্ৰাগছে ছানি ধৰিছে নগাঁও জিলা। যাৰ ফলত এই ড্ৰাগছেই এতিয়া অন্যতম প্ৰধান সমস্যা হৈ পৰিছে জিলাখনৰ বাবে। কিয়নো ড্ৰাগছৰ কবলত পৰি যুৱপ্ৰজন্মৰ একাংশ নিঃশেষ হ'বলৈ আৰম্ভ কৰিছে। অৱশ্যে নগাঁও আৰক্ষীয়ে জিলাখনত ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিছে যদিও ড্ৰাগছৰ ব্যৱসায় সম্পূৰ্ণৰূপে উৎখাত কৰাত সফল হ'ব পৰা নাই। অৱশ্যে বিগত এবছৰ ধৰি নগাঁও আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই কে'বাজনো কুখ্যাত ড্ৰাগছ মাফিয়া, ড্ৰাগছ ব্যৱসায়ী আৰু ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ বিশেষকৈ নগাঁও চহৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত একাংশ ড্ৰাগছ মাফিয়াই চহৰখনৰ অলিয়ে-গলিয়ে সুলভ কৰি তুলিছে নিষিদ্ধ ড্ৰাগছ। এই ড্ৰাগছৰ কবলত



পৰি ইতিমধ্যে চহৰখনৰ কে'বাজনো যুৱকে অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে। চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা এই পৰ্যন্ত নগাঁও নগৰ আৰক্ষীয়ে অভিযান চলাই চহৰখনৰ বিভিন্ন অঞ্চলৰ পৰা কে'বাজনো ড্ৰাগছ মাফিয়া, ড্ৰাগছ ব্যৱসায়ী আৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। তৎসত্ত্বেও চহৰখনত ড্ৰাগছ ব্যৱসায়ীৰ দৌৰাত্ম্য অকণো কমা নাই। নগাঁও চহৰত ড্ৰাগছৰ ভয়াৱহতাৰ মাজতে যোৱা নিশাও নগাঁৱৰ হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে চহৰখনৰ পাৰ্শ্ববৰ্তী পশ্চিম কাৰৈমাৰীত এক অভিযান চলাই হেৰ'ইনসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ নাম জাহাংগীৰ আলম (১৭) আৰু জেহিৰুল ইছলাম (১৯)। তেওঁলোকৰ হাতৰ পৰা ১৭টা কণ্টেইনাৰভৰ্তি হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। দুয়োকে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# খেৰণিত হাতীৰ আক্ৰমণত এজনৰ মৃত্যু

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**খেৰণি/ডংকামোকাম, ২৯ মাৰ্চ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি আৰক্ষী থানাৰ অধীনস্থ দুই নম্বৰ ৰাম ঠেপি গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। মৃত লোকজনৰ নাম জয় শংকাৰ চৌহান (৪৮)। খাদ্যৰ সন্ধানত অহা বনৰীয়া হাতীটোৱে আজি পুৱাই পাহাৰৰ পিনে উভতি যাওঁতেই ঘটনাটো সংঘটিত হয়। খেৰণি অঞ্চলত সঘনাই অব্যাহত থকা বনৰীয়া হাতীৰ তাণ্ডৱ ৰোধ কৰাত সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে খেৰণি বন বিভাগ। ঘটনাস্থলীত ৰাওনা হৈ আৰক্ষী আৰু বন বিভাগৰ দলে ঘটনাৰ সবিশেষ বুজ লয়।

# বহিঃৰাজ্যত কামপুৰৰ যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৯ মাৰ্চ ঃ** কামপুৰ বিষ্ণুপুৰী গাঁৱৰ এজন যুৱক বহিঃৰাজ্য হায়দৰাবাদত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। তথ্য মতে, ভাস্কৰজ্যোতি নাথ নামৰ যুৱকজনে কিছুদিন ধৰি হায়দৰাবাদৰ এটা কোম্পানীত চাকৰি কৰি আছিল আৰু কালি যুৱকজন বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুক সাবটি ল'বলগীয়া হয়। ইতিমধ্যে ঘৰলৈ মৃতদেহ অনাৰ ব্যৱস্থা কৰিছে বুলি পৰিয়ালৰ সূত্ৰই সদৰী কৰিছে।

# ৰেলৰ খুন্দাত ছাত্ৰী নিহত চামগুৰিত

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২৯ মাৰ্চ ঃ** ম'বাইলৰ হেডফোনৰ বাবে আজি নগাঁও জিলাৰ চামগুৰিত এগৰাকী ছাত্ৰী ৰেলৰ চেপাত নিহত হয়। নিহত ছাত্ৰীগৰাকী চামগুৰিৰ আউনীআটি খুটাৰকান শাখা সত্ৰৰ নিবাসী সোণ বৰা আৰু নীলাক্ষী বৰাৰ জীয়ৰী মেঘনা বৰা (১৭)। তথ্য অনুসৰি আন দিনাৰ দৰে আজিও পুৱা ৮-৩০ বজাত ৰেল পথেৰে প্ৰাতঃভ্ৰমণ কৰিবলৈ যায় ছাত্ৰীগৰাকী। সেই সময়ত ৰেলপথটোৰে কলকাতা-শিলঘাট উজনিমুৱা কাজিৰঙা এক্সপ্ৰেছ যাত্ৰীবাহী ৰেলখন আহি আছিল। সেই সময়ত কাণত হেডফোন লগাই ছাত্ৰীগৰাকীয়ে গান অথবা কথা পাতি ৰেলপথেৰে প্ৰাতঃভ্ৰমণ কৰি থকা অৱস্থাত ৰেলৰ শব্দ আৰু হৰ্ণ নুশুনাত ৰেলৰ চেপাত দুয়োখন ভৰি কাটি যোৱাৰ উপৰি ৰেলপথৰ ওপৰত বাগৰি পৰি ঘটনাস্থলীতে মৃত্যু হয়। এই ঘটনাৰ পাছতে চামগুৰিত আজি পুৱা হুৱাদুৱা লাগে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হয়। পাছত ৰেল সুৰক্ষা বাহিনীৰ লোক আহি ছাত্ৰীগৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ লৈ যায়। নিহত মেঘনা নগাঁৱৰ মেট্ৰিক্স কনিষ্ঠ মহাবিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী আছিল। ছাত্ৰীগৰাকীৰ এই মৃত্যুত হেডফোনেই কাল হ'ল বুলি ইতিমধ্যে চৰ্চা হৈছে। মেঘনাৰ মৃত্যুত বৃহত্তৰ চামগুৰি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

# উপায়ুক্ত বৰ্ণালী ডেকাক জল প্ৰহাৰী সন্মান

## ■ ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰা বঁটা গ্ৰহণ



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ ২৮ মাৰ্চ ঃ** অসমলৈ আন এক গৌৰৱৰ মুহূৰ্ত কঢ়িয়াই আনিবলৈ সক্ষম হৈছে অসম কন্যা তথা বৰ্তমানৰ কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকা। তেওঁ জল খণ্ডত প্ৰচেষ্টা আৰু উদ্ভাৱনৰ বাবে দুটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মানৰ বাবে নিৰ্বাচিত হৈ আজি ভাৰতৰ ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দৰ পৰা নতুন দিল্লীত বঁটা গ্ৰহণ কৰে। উল্লেখ্য যে জল শক্তি মন্ত্ৰনালয়ে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনৰ প্লেনাৰী হলত অনুষ্ঠিত তৃতীয় ৰাষ্ট্ৰীয় জল বঁটা বিতৰণ অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে বঁটা প্ৰদান কৰে। ২০১৯ৰ জানুৱাৰীৰ পৰা ২০২১ লৈ গোৱালপাৰাৰ উপায়ুক্তৰূপে পানী খণ্ডত কৰা উদ্ভাৱনীমূলক কাম আৰু একত্ৰীকৰণৰ স্বীকৃতিৰূপে তেওঁক এই বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে ডেকাক জল প্ৰহাৰী সন্মান, ২০২২ ৰ বাবে নিৰ্বাচিত কৰা হৈছে। তেওঁক ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ আৰু ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ ৰঞ্জন গগৈৰ নেতৃত্বত এখন বাছনি সমিতিয়ে উদ্ভাৱনীমূলক আৰু অনন্য ধাৰণা, একত্ৰীকৰণ আৰু প্ৰকল্পৰ বাবে নিৰ্বাচিত কৰিছিল। ভাৰত চৰকাৰৰ জলশক্তি আৰু জলজীৱন মিছন মন্ত্ৰনালয়ে আয়োজন কৰা ২০২২ৰ জল প্ৰহাৰী সমাৰোহত নতুন দিল্লীৰ কনষ্টিউচন ক্লাবত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱতে ২০২২ৰ জলযোদ্ধা হিচাপে কোকৰাঝাৰৰ উপায়ুক্ত ডেকাক সম্বৰ্ধনা জনাব। উল্লেখ্য যে অসমৰ এই গৰাকী যোগ্য কন্যাই কে'বাটাও সময়ত ৰাজ্যখনলৈ প্ৰশংসা কঢ়িয়াই আনিছে। কেইদিনমান আগতে তেওঁৰ অভিনৱ উদ্ভাৱন 'গ'লমাৰ্ট' প্ৰকল্পৰ বাবে ৰাষ্ট্ৰীয় ই-গভৰ্নেন্স বঁটাত স্বৰ্ণ জয় কৰি অসমলৈ সুনাম কঢ়িয়াই আনিছিল। অসম বিধান সভা নিৰ্বাচন ২০২১ৰ সময়ত নিৰ্বাচন ব্যৱস্থাপনাত উদ্ভাৱনৰ বাবে ডেকাই ভাৰতৰ নিৰ্বাচন আয়োগৰ পৰা শ্ৰেষ্ঠ জিলা নিৰ্বাচন বিষয়াৰ বঁটা লাভ কৰিছিল।

# তামাৰহাটৰ মৰনৈ চাহ বাগিচাত উত্তাল প্ৰতিবাদ

## ■ মজুৰি বৃদ্ধিৰ দাবীত হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ শ্ৰমিকৰ



**তামাৰহাট, ২৯ মাৰ্চ ঃ** ৰাজ্যৰ আন প্ৰান্তৰ দৰে তামাৰহাটৰ মৰনৈ চাহ বাগিচাৰ শ্ৰমিকসকলে আজি প্ৰাপ্য অধিকাৰৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চাহ বাগিচাত কৰ্মৰত শ্ৰমিকৰ মজুৰি বৃদ্ধি, ভূমি পট্টা প্ৰদান, ছাব-ষ্টাফৰ টি এ বৃদ্ধি কৰাকে ধৰি কে'বাটাও দাবীৰ সমৰ্থনত এই প্ৰতিবাদ জনায়। চাহ বাগিচাৰ শ্ৰমিকসকলে হাতে হাতে বিভিন্ন দাবী সম্বলিত বেনাৰ-প্লেকাৰ্ড লৈ 'এচিএএম জিন্দাবাদ', 'আমাৰ দাবী পূৰণ কৰিবই লাগিব', 'আমাৰ দাবী ন্যায্য দাবী', 'আমাৰ মজুৰি বৃদ্ধি কৰক', 'আমাক ভূমি পট্টা দিয়ক' আদি কৰি বিভিন্ন শ্ল'গানেৰে আকাশ-বতাহ কঁপাই তোলে। অসম চাহ মজদুৰ সংঘৰ উদ্যোগত আজি পুৱাই মৰনৈ চাহ বাগিচাৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত শ্ৰমিকসকলে প্ৰতিবাদ জনায়। উল্লেখ্য যে নিৰ্বাচনৰ পূৰ্বে চৰকাৰে অসমৰ চাহ শ্ৰমিকসকলক মজুৰি বৃদ্ধি আৰু ভূমি পট্টা প্ৰদান কৰাৰ লগতে আন কে'বাটাও সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু চৰকাৰৰ সেই প্ৰতিশ্ৰুতি আজিও পূৰণ নহ'ল। নিজৰ মজুৰি বৃদ্ধি কৰাৰ দাবীত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। অহা দিনত যদি সেই দাবী পূৰণ নকৰে তেন্তে আন্দোলন আৰু অধিক তীব্ৰতৰ হ'ব বুলি সকীয়নি দিয়ে শ্ৰমিকসকলে। চাহ শ্ৰমিকসকলে সংবাদ মাধ্যমৰ আগত ক্ষোভ ব্যক্ত কৰি আকৌ কয় যে বজাৰত পেট্ৰ'ল, ডিজেল আদি কৰি সকলো সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি পাইছে। তেনে ক্ষেত্ৰত সপ্তাহত মাত্ৰ ৪৫০ টকাত এটা পৰিয়াল চলাব পৰা নাযায়। সামান্য মজুৰিত কাম কৰি অহা বাবে চকুৰে বাট নেদেখা হৈ পৰিছে অসমৰ চাহ বাগিচাৰ শ্ৰমিকসকলে।

# কোকৰাঝাৰত দুই শতাধিক স্বাস্থ্যকৰ্মীৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ মাৰ্চ ঃ** ক'ভিড কালত প্ৰথম যোদ্ধা হিচাপে জনগণৰ সেৱা আগবঢ়োৱা নাৰ্ছ আৰু স্বাস্থ্যকৰ্মীসকলে মাননি হিচাপে পাবলগীয়া পাৰিশ্ৰমিকৰ নামত এটা টকাও পোৱা নাই। যাৰ পৰিপ্ৰেক্ষিতত আজি কোকৰাঝাৰ হাৰুবাৰী স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰকাশ যে তেওঁলোকে পাবলগীয়া পাৰিশ্ৰমিক বিচাৰি জিলা উপায়ুক্তক সাক্ষাৎ কৰিব গৈ ব্লকত তেওঁলোকৰ ধন মোকলাই দিব বুলি সদৰী কৰে। সেই মতে তেওঁলোকে ব্লকত খবৰ জানিব পাৰে যে তেওঁলোকে তাৰ বাবে আবেদন কৰিব লাগিব। কিন্তু আবেদন লিখি ব্লকৰ কাৰ্যালয়লৈ আহে যদিও সংশ্লিষ্ট বিষয়া উপস্থিত নথকাত তেওঁলোক নিৰাশ হয়। উল্লেখ্য যে কোকৰাঝাৰ জিলাত এন এম আৰু এলএছপিৰ সংখ্যা ২৭৫ গৰাকী আছে আৰু ক'ভিড আৰম্ভ হোৱাৰ পৰাই তেওঁলোকে দায়িত্ব পালন কৰি আহিছিল। কিন্তু জিলাখনৰ তিনিটা ব্লকত নাৰ্ছসকলে পাৰিশ্ৰমিক আদায় পাইছে যদিও বালাজান ব্লকত কৰ্তব্যৰত নাৰ্ছসকলে পাৰিশ্ৰমিক আদায় পোৱা নাই। নিজৰ জীৱন তুচ্ছ কৰি ক'ভিডৰ দৰে অতিমাৰীৰ স'তে যুঁজ দিয়া নাৰ্ছসকলে শীঘ্ৰে তেওঁলোকৰ পাৰিশ্ৰমিক আদায় দিয়াৰ আহ্বান জনাইছে।

# জামুগুৰিহাটৰ দিকৰাই চাহ বাগিচাত শ্ৰমিক বিৰোধী নীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ মাৰ্চ ঃ** জামুগুৰিহাটৰ দিকৰাই চাহ বাগিচাৰ কাৰখানাৰ মূল প্ৰৱেশদ্বাৰত আজি পুৱাই কে'বা শতাধিক শ্ৰমিক উপস্থিত হৈ চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী শ্ৰমিকসকলে 'বিজেপি চৰকাৰ হায়, হায়, বিজেপি চৰকাৰ গো বেক, শ্ৰমিকক শোষণ বন্ধ কৰক' আদি শ্ল'গান দিয়ে। বাগিচাত কৰ্মৰত শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া ১৩ দফীয়া দাবীসমূহ আজি পৰ্যন্ত চৰকাৰে পূৰণ নকৰাৰ প্ৰতিবাদত অসম চাহ মজদুৰ সংঘ, ট্ৰেড ইউনিয়ন তথা শ্ৰমিক ইউনিয়নৰ বিভিন্ন সংগঠনসমূহ সমগ্ৰ ভাৰততে চৰকাৰৰ শ্ৰমিক নীতিৰ বিৰুদ্ধে এইদৰে বিগত কেইটামান দিন ধৰি বিভিন্নধৰণৰ কাৰ্যসূচী হাতত লৈ আছে। তাৰেই অংশ হিচাপে আজি দিকৰাই চাহ বাগিচাৰ শ্ৰমিক গোটে তেওঁলোকৰ ন্যায্য প্ৰাপ্তিৰ দাবীৰে এই দৰে বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনায়। পাছত দিকৰাই চাহ বাগিচাৰ কাৰখানাৰ মূল প্ৰৱেশ দ্বাৰৰ এক ঘন্টীয়া প্ৰতিবাদ স্থলীত উপস্থিত হোৱা দিকৰাই চাহ বাগিচাৰ মুখ্য পৰিচালক কুলজিত বৰাৰ হাতত দিকৰাই শ্ৰমিক ইউনিয়নৰ তৰফৰ পৰা ১৩ দফীয়া দাবী সম্বলিত এক স্মাৰকপত্ৰ প্ৰদান কৰি অনতিপলমে কাৰ্যকৰী কৰাৰ দাবী জনায়।

# চানডুবিৰ কঠালগুৰিত আঘাতপ্ৰাপ্ত হলৌ বান্দৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা



**পলাশবাৰী, ২৯ মাৰ্চ ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত চানডুবি বিলৰ দাঁতিকাষৰীয়া কঠালগুৰিত আজি এটি আহত হলৌ বান্দৰ উদ্ধাৰ হয়। অসম-মেঘালয় সীমান্তৱৰ্তী প্ৰাকৃতিক প্ৰাচুৰ্যৰে পৰিপুষ্ট তথা অঞ্চলটোৰ কঠালগুৰি গাঁৱত আঘাতপ্ৰাপ্ত হৈ হলৌ বান্দৰটোৱে ছটফটাই থকা অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। লগে লগে বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ হলৌ বান্দৰটো উদ্ধাৰ কৰি লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়লৈ আনি প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰে। স্থানীয় লোকৰ পৰা জানিব পৰা অনুসৰি, বিদ্যুতৰ তাঁৰত লাগি হলৌ বান্দৰটো গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ইফালে, হলৌ বান্দৰটো ৰাজ্যিক চিৰিয়াখানালৈ প্ৰেৰণৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি বন বিভাগে জানিবলৈ দিয়ে। উল্লেখ্য যে বিলুপ্তপ্ৰায় হৈ পৰা উক্ত বান্দৰৰ প্ৰজাতিটো বৰ্তমানো উক্ত সীমান্তৱৰ্তী অঞ্চলটোত বিচৰণ কৰি আছে।

# পুত্ৰ-কন্যাৰ স'তে বিদ্যালয়ত নামভৰ্তি পিতৃৰ

## ■ বিভিন্ন কাৰণত বিদ্যালয় এৰা লোকক শিক্ষাদানৰ উদ্যোগ হোজাইত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৯ মাৰ্চ ঃ** পুত্ৰ-কন্যাৰ স'তে একেলগে পিতৃয়ে বিদ্যালয়ত নামভৰ্তি কৰা ঘটনাই সম্প্ৰতি হোজাই জিলাত বিশেষ আকৰ্ষণৰ সৃষ্টি কৰিছে। আধাতে শিক্ষা সামৰিবলৈ বাধ্য হোৱা এজন যুৱকৰ অধ্যয়নৰ ইচ্ছাত সম্প্ৰতি সকলোৱে সাধুবাদ দিছে। এই বিৰল নিদৰ্শন দেখা গ'ল জিলাখনৰ নীলবাগানৰ সমীপৱৰ্তী শিংগিৰপাৰত নতুনকৈ প্ৰতিষ্ঠা হোৱা এখন বিদ্যালয়ত। উল্লেখ্য যে দৰিদ্ৰ, অনাথ আৰু বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলক বিনামূলীয়াকৈ শিক্ষাদান কৰাৰ লগতে বিভিন্ন কাৰণত বিদ্যালয় ত্যাগ কৰা জ্ঞান অৰ্জনৰ ইচ্ছুকসকলক পুনৰ শ্ৰেণীকোঠালৈ ঘূৰাই অনাৰ লক্ষ্যৰেই অলপতে প্ৰতিষ্ঠা হয় নৱদ্বীপ একাডেমী। ডবকাৰ সাংবাদিক মাহমুদ আলীৰ লগতে আন ১৪জন যুৱ সমাজকৰ্মীৰ তৎপৰতাত স্থাপন হোৱা বিদ্যালয়খনত আজিৰে পৰা পাঠদান আৰম্ভ হৈছে।

বিদ্যালয় কৰ্তৃপক্ষই জনোৱা মতে, প্ৰথম বৰ্ষতে বিদ্যালয়খনত প্ৰায় দুশ শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিছে। ইয়াৰে অধিকাংশ শিক্ষাৰ্থীয়েই দৰিদ্ৰ পৰিয়ালৰ। আনহাতে, বিভিন্ন কাৰণত আধাতে বিদ্যালয় ত্যাগ কৰিবলৈ বাধ্য হোৱা প্ৰায় ৪০জন শিক্ষাৰ্থীয়েও নিজৰ শিক্ষা সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে এই বিদ্যালয়ত নামভৰ্তি কৰিছে। ইয়াৰ ভিতৰত বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰিছে পৰিয়াল পোহপাল দিয়াৰ স্বাৰ্থত নৱম শ্ৰেণীতে বিদ্যালয় ত্যাগ কৰি ব্যৱসায়ত হাত দিবলৈ বাধ্য হোৱা এজন যুৱকে। নিজৰ শিক্ষা সম্পূৰ্ণ কৰাৰ স্বাৰ্থতে যুৱকজনে পুনৰ নৱম শ্ৰেণীত নামভৰ্তি কৰিছে। ইয়াৰ লগতে তেওঁ শিশু পুত্ৰ আৰু কন্যাক নৱদ্বীপ একাডেমীৰ প্ৰথম শ্ৰেণীত নামভৰ্তি কৰাই দিছে। অবাঞ্ছিত কাৰণত বিদ্যালয় ত্যাগ কৰিবলৈ বাধ্য হোৱা শিক্ষাৰ্থীসকলক এইদৰে পুনৰ বিদ্যালয়লৈ ঘূৰাই আনিবলৈ সক্ষম হোৱাত নৱদ্বীপ একাডেমীৰ লক্ষ্য পূৰণ হোৱা বুলি আজি একাডেমীৰ ট্ৰাষ্টিসকলে সংবাদ মাধ্যমৰ আগত কয়। তেওঁলোকে লগতে ৰাইজৰ সহায়-সহযোগো কামনা কৰে। বিদ্যালয় কৰ্তৃপক্ষই লগতে কয় যে শিক্ষাৰ্থীসকলে অধ্যয়ন সমাপ্ত কৰি যাতে কোনো কৰ্মত নিয়োজিত হ'ব পাৰে তাৰ বাবে পাঠ্যপুথিৰ পাঠদানৰ লগতে বিদ্যালয়খনত বিশেষভাৱে কাৰিকৰী শিক্ষাতো গুৰুত্ব দিয়া হৈছে। আনহাতে, দৰিদ্ৰ শ্ৰেণীৰ লগতে বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলক বিনামূলীয়াকৈ অধ্যয়নৰ সুবিধা প্ৰদান কৰা হৈছে বুলি বিদ্যালয় পৰিচালনা সমিতিয়ে জনাইছে।


# গোৱালপাৰাত নিচাজাতীয় টেবলেটসহ এজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা



**মাটিয়া, ২৯ মাৰ্চ ঃ** গোৱালপাৰা চহৰৰ ভালুকডুবিত আৰক্ষীয়ে যোৱা নিশা বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেটসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা চহৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমণি চৌধুৰীৰ নেতৃত্বত নিশা প্ৰায় ৮-৩০ বজাত ভালুকডুবিত চলোৱা নাকী তালাচীৰ সময়তে ৪৩২টা নিচাজাতীয় টেবলেটসহ মনচেৰ আলী (২৩) নামৰ যুৱক এজনক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজনৰ ঘৰ বৰপেটা জিলাৰ তিনি নম্বৰ বাঘমাৰা চৰত।

## হিন্দু নহয় বাবেই কেৰালাৰ মন্দিৰত বাতিল ভৰতনাট্যম শিল্পীৰ অনুষ্ঠান



**নিউজ ব্যুৰ’, ত্ৰিশূৰ, ২৯ মাৰ্চ ঃ** ‘মোৰ কোনো ধৰ্ম নাই, মই ক’লৈ যাম?’ ফে’চবুকত এই প্ৰশ্ন উত্থাপন কৰিলে বিশিষ্ট নৃত্যশিল্পী মানছিয়া ভি পিয়ে। দৰাচলতে হিন্দু নোহোৱাৰ অপৰাধত এইগৰাকী নৃত্যশিল্পী কেৰালাৰ এটা মন্দিৰত অনুষ্ঠান পৰিৱেশনত বাধা দিয়া হ’ল। অহা ২১ এপ্ৰিলত ত্ৰিশূৰ জিলাৰ কুড়ালমানিক্যম মন্দিৰত মানছিয়াই ভৰতনাট্যম অনুষ্ঠান প্ৰদৰ্শন কৰাৰ কথা আছিল। কিন্তু ফে’চবুকত নৃত্যশিল্পীগৰাকীয়ে উত্থাপন কৰা অভিযোগ অনুসৰি ত্ৰিশূৰৰ উক্ত মন্দিৰৰ কৰ্তৃপক্ষই তেওঁৰ অনুষ্ঠান বাতিল কৰাৰ কথা অৱগত কৰিছে। মন্দিৰ কৰ্তৃপক্ষই জনোৱা অনুসৰি হিন্দু নোহোৱা হেতুকে উক্ত মন্দিৰত মানছিয়াই অনুষ্ঠান পৰিৱেশন কৰিব নোৱাৰিব। উল্লেখ্য যে কুড়ালমানিক্যম মন্দিৰ কেৰালা চৰকাৰৰ দেৱশ্বম ব’ৰ্ডৰ দ্বাৰা পৰিচালিত। এই ব’ৰ্ডে মানছিয়াৰ অনুষ্ঠান বাতিল কৰিলে। মানছিয়াই ভৰতনাট্যম চৰ্চা কৰাৰ লগতে সম্প্ৰতি দক্ষিণৰ এই নৃত্যশৈলীৰ বিষয়ত গৱেষণা কৰি আছে। মুছলমান পৰিয়ালৰ ডাঙৰ-দীঘল হোৱাৰ পাছতো কিয় ভৰতনাট্যম চৰ্চা কৰিছে বুলি মৌলবাদীয়ে পূৰ্বে মানছিয়াক প্ৰশ্ন কৰিছিল। ফে’চবুকত নৃত্যশিল্পীগৰাকীয়ে দাবী কৰা অনুসৰি শ্যাম কল্যাণ নামৰ এজন সংগীতশিল্পীৰ স’তে তেওঁৰ বিবাহ সম্পন্ন হৈছিল আৰু ইয়াৰ পাছৰে পৰা তেওঁ হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল। কিন্তু ইয়াৰ পাছতো মন্দিৰত অনুষ্ঠান পৰিৱেশন কৰিবলৈ গৈ বাধাগ্ৰস্ত হোৱাত ক্ষোভ প্ৰকাশ কৰিলে নৃত্যশিল্পীগৰাকীয়ে।

## বিপদত শ্ৰীলংকাৰ কাষত থকাৰ বাৰ্তা দিলে ভাৰতে




**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৯ মাৰ্চ ঃ** মালদ্বীপ ভ্ৰমণ সমাপ্ত কৰি এইবাৰ ভাৰত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰ শ্ৰীলংকাত উপস্থিত হ’ল ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ। এই অঞ্চলত চীনৰ একচেটিয়া প্ৰভাৱ হ্ৰাস কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সাগৰ নীতিক শক্তিশালী কৰাৰ লক্ষ্যৰে জয়শংকৰে এই বিশেষ ভ্ৰমণসূচী গ্ৰহণ কৰিছে। ৩০ মাৰ্চলৈকে কলম্বোতে থাকিব ভাৰতৰ বৈদেশিক মন্ত্ৰীজন। ভাৰতে এনে এক সময়ত বৈদেশিক মন্ত্ৰী শ্ৰীলংকালৈ প্ৰেৰণ কৰিলে যি সময়ত দেশখনে আৰ্থিক দিশত চূড়ান্ত বিপৰ্যয়ৰ সন্মুখীন হৈছে। সম্প্ৰতি শ্ৰীলংকা বৈদেশিক ঋণৰ বোজাত জৰ্জৰিত হৈছে। ঋণৰ কবলমুক্ত কৰিবলৈ ভাৰতে কম সুদত ১০০ কোটি ডলাৰৰ ঋণ শ্ৰীলংকাক দিছে। বিপদৰ সময়ত এইদৰে কাষত থিয় দিয়াৰ বাবে ভাৰতক ধন্যবাদ জনালে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষেয়ে। কলম্বোত উপস্থিত হোৱাৰ পাছত জয়শংকৰে শ্ৰীলংকা চহৰলৈ বাৰ্তা প্ৰেৰণ কৰি কয় যে দেশখনৰ আৰ্থিক সংকটত ভাৰতে সদায় কাষত থিয় দি যাব।

## তালিবানৰ নিৰ্দেশ ঃ দাড়ি নৰখা কৰ্মচাৰীয়ে চৰকাৰী কাৰ্যালয়ত কৰিব নোৱাৰিব প্ৰৱেশ



**নিউজ ব্যুৰ’, কাবুল, ২৯ মাৰ্চ ঃ** আফগানিস্তানৰ ক্ষমতা দখল কৰা তালিবানে দাড়ি নৰখা চৰকাৰী কৰ্মচাৰীক কাৰ্যালয়ত প্ৰৱেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিলে। যোৱা সোমবাৰে তালিবানে এই নতুন নিৰ্দেশনা জাৰি কৰিছিল। তালিবানে শেহতীয়াভাৱে আফগানিস্তানত পুনৰ কঠোৰ ইছলামিক শাসন প্ৰৱৰ্তন কৰিছে। এক নিৰ্দেশনাত তালিবান প্ৰশাসনে স্পষ্টভাৱে কয় যে দাড়ি নৰখা কোনো কৰ্মচাৰীয়ে চৰকাৰী কাৰ্যালয়ত প্ৰৱেশ কৰিব নোৱাৰিব। পুৰুষ কৰ্মচাৰীৰ ক্ষেত্ৰত এই নিৰ্দেশনা জাৰি কৰাৰ লগতে তালিবানে আন এক নিৰ্দেশনাত কয় যে এতিয়াৰে পৰা আফগান মহিলাই পুৰুষ সংগীৰ অবিহনে বিমানত অকলে ভ্ৰমণ কৰিব নোৱাৰিব। তদুপৰি সকলো চৰকাৰী কাৰ্যালয়ত মহিলাৰ হিজাব পৰিধানো বাধ্যতামূলক কৰিলে তালিবান চৰকাৰে।

## গণতন্ত্ৰৰ স্বাৰ্থত শক্তিশালী হওক কংগ্ৰেছ ঃ মন্তব্য কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰীৰ




**নিউজ ব্যুৰ’, মুম্বাই, ২৯ মাৰ্চ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিপৰীত পথৰে অগ্ৰসৰ হ’ল বিজেপি নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী। মোদীয়ে প্ৰায়ে কৈ আহিছে যে বিজেপিৰ লক্ষ্য হৈছে কংগ্ৰেছমুক্ত ভাৰত গঠন কৰা। কিন্তু ইয়াৰ বিপৰীত স্থিতিত থিয় দি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গাডকাৰীয়ে দেশৰ গণতন্ত্ৰৰ স্বাৰ্থত কংগ্ৰেছ শক্তিশালী হোৱাটো বিচাৰিলে। পুনেত এক অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীজনে এইদৰে কয়, ‘গণতন্ত্ৰ অগ্ৰসৰ হয় দুটা চকাৰ ওপৰত, শাসক আৰু বিৰোধী। গণতন্ত্ৰক শক্তিশালী বিৰোধী দলৰ প্ৰয়োজন। সেয়েহে আমাৰ আন্তৰিক ইচ্ছা কংগ্ৰেছ শক্তিশালী হওক। কংগ্ৰেছ যদি দুৰ্বল হয় তেন্তে সেই স্থান দখল কৰিব আঞ্চলিক দলে। এয়া গণতন্ত্ৰৰ পক্ষে মংগলজনক নহ’ব। সেয়েহে বিৰোধী দল শক্তিশালী হ’ব লাগিব।’

### সাতদিনৰ ভিতৰত পদত্যাগ কৰিব পাৰে পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে ঃ কোন হ’ব পৰৱৰ্তী প্ৰধানমন্ত্ৰী ?

# ইমৰানৰ বিৰুদ্ধে অনাস্থা দাখিল, বৃহস্পতিবাৰে হ’ব বিতৰ্ক


**নিউজ ব্যুৰ’ ইছলামাবাদ, ২৯ মাৰ্চ ঃ** অৱশেষত পাকিস্তানৰ নেচনেল এছেম্বলিত দেশখনৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ বিৰুদ্ধে উত্থাপিত হ’ল বহুচৰ্চিত অনাস্থা ভোটৰ প্ৰস্তাৱ। যোৱা নিশা পাকিস্তানৰ সংসদত ইমৰানৰ বিৰুদ্ধে অনাস্থা দাখিল কৰিলে বিৰোধীয়ে। অৱশ্যে অনাস্থা দাখিলৰ পাছতে নেচনেল এছেম্বলিৰ অধ্যক্ষই অহা ৩০ মাৰ্চলৈকে সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে। প্ৰকাশিত বাতৰি অনুসৰি অহা ৩১ মাৰ্চত ইমৰানৰ বিৰুদ্ধে উত্থাপিত অনাস্থা প্ৰসংগত সদনত আলোচনা কৰা হ’ব পাৰে। উল্লেখ্য যে ৩৪২ আসন বিশিষ্ট পাকিস্তানৰ নেচনেল এছেম্বলিত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ বাবে ইমৰানক ১৭২ সদস্যৰ সমৰ্থনৰ প্ৰয়োজন হ’ব। কিন্তু বৰ্তমানে ইমৰানৰ দল পাকিস্তান তেহৰিক ই





ইনছাফ (পি টি আই)ৰ সদনত সদস্যৰ সংখ্যা হৈছে ১৫৫ জন। সেয়েহে ইমৰানৰ পক্ষে সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰাটো সহজ নহ’ব। ইমৰানে প্ৰধানমন্ত্ৰীৰ আসন হেৰুওৱাৰ উপক্ৰম হোৱাৰ সময়তে পাকিস্তান তেহৰিক ই ইনছাফৰ কমেও ৫০ জন মন্ত্ৰী সন্ধানহীন হোৱা বুলি এক বাতৰি দেশখনৰ সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। ইমৰানে আগন্তুক এসপ্তাহৰ ভিতৰত পদত্যাগ কৰিব পাৰে বুলিও এক চৰ্চা অব্যাহত আছে। অৱশ্যে পাক প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি তেওঁ কোনো কাৰণতে পদত্যাগ নকৰে।

ইফালে, বিৰোধীয়ে পাকিস্তানত পৰৱৰ্তী চৰকাৰ গঠন কৰিবলৈ তৎপৰ হৈ উঠিছে। পাকিস্তান মুছলীম লীগৰ নেতা শ্বাহবাজ শ্বৰিফক বিৰোধী দলৰ প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী বুলিও ইতিমধ্যে ঘোষণা কৰিছে। উল্লেখ্য যে শ্বাহবাজ হৈছে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰিফৰ ভ্ৰাতৃ।



## দ্বিতীয়বাৰলৈ কৰ’নাত সংক্ৰমিত হ’ল বিশ্ব ধনাঢ্য ব্যক্তি মাস্ক

**নিউজ ব্যুৰ’ টেক্সাছ, ২৯ মাৰ্চ ঃ** সাম্প্ৰতিক বিশ্বৰ সবাতোকৈ ধনী ব্যক্তি তথা টেছলা আৰু স্পেচএক্সৰ মুখ্য কাৰ্যবাহী বিষয়া এলন মাস্ক পুনৰ ক’ভিড-১৯ত সংক্ৰমিত হ’ল। অৱশ্যে মাস্কৰ শৰীৰত কৰ’নাৰ তেনে কোনো উপসৰ্গ প্ৰত্যক্ষ হোৱা নাই। উল্লেখ্য যে পূৰ্বেও মাস্ক ক’ভিড-১৯ত সংক্ৰমিত হৈছিল। আজি দ্বিতীয়বাৰৰ বাবে ক’ভিডত আক্ৰান্ত হোৱাৰ কথা নিজে টুইটাৰত প্ৰকাশ কৰে মাস্কে। ইয়াৰ পূৰ্বে ২০২০ৰ অন্তিম ভাগত মাস্কৰ শৰীৰত ক’ভিডৰ সংক্ৰমণ প্ৰথমবাৰ ধৰা পৰিছিল।



## জম্মু-কাশ্মীৰত লস্কৰ-ই-তৈবাৰ দুই সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ

**নিউজ ব্যুৰ’ বডগাম, ২৯ মাৰ্চ ঃ** নিৰাপত্তা বাহিনীয়ে এক যৌথ অভিযানত জম্মু-কাশ্মীৰৰ বডগাম অঞ্চলৰ পৰা সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ দুজন সদস্যক গ্ৰেপ্তাৰ কৰিলে। ধৃত দুই সন্ত্ৰাসবাদীৰ নাম হৈছে বছিম আহমদ গনাই আৰু ইকবাল আশ্ৰফ শ্বেখ। বছিম আৰু ইকবাল জম্মু-কাশ্মীৰৰ ছপিয়ানৰ বাসিন্দা। ধৃত দুই সন্ত্ৰাসবাদীৰ পৰা এটা চীনা পিষ্টল, দুটা মেগজিন, ১২ কাৰ্টুজ আৰু ৩২ টা এ কে ৪৭ৰ কাৰ্টুজ জব্দ কৰা হৈছে।

## মেক্সিকোত এক অনুষ্ঠানত দুষ্কৃতিকাৰীৰ গুলীয়াগুলিত নিহত ১৯ জন লোক



**নিউজ ব্যুৰ’, লাছ তিনাজছ, ২৯ মাৰ্চ ঃ** মধ্য মেক্সিকোত ১৯ জন লোকক গুলীয়াই হত্যা কৰা হ’ল। মেক্সিকোৰ লাছ তিনাজছ চহৰত এক অনুষ্ঠানত এই ভয়াৱহ ঘটনা সংঘটিত হ’ল। গুলীয়াগুলিৰ ফলত উক্ত অনুষ্ঠানত অংশ লোৱা ১৬ জন পুৰুষ আৰু তিনিগৰাকী মহিলাই প্ৰাণ হেৰুৱালে। তদুপৰি গুলি আক্ৰমণত আন কে’বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। যোৱা নিশা ১০-৩০ বজাত এই ঘটনা সংঘটিত হৈছিল। কি কাৰণত দুষ্কৃতিকাৰীয়ে এই ঘটনা সংঘটিত কৰিলে সেয়া নিশ্চিত হোৱা নাই। প্ৰকাশিত বাতৰি অনুসৰি দুটা গোটৰ মাজত হোৱা সংঘাতৰ পৰিণতিতে গুলীয়াগুলিৰ ঘটনা সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে যোৱা ফেব্ৰুৱাৰীতো মেক্সিকোত একে ধৰণৰ গুলিৰ আক্ৰমণৰ ঘটনাত ১৭ জন লোকৰ মৃত্যু হৈছিল।

## বোৰ্খা খোলাৰ পাছতহে কৰ্ণাটকত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ অনুমতি ছাত্ৰীক

**নিউজ ব্যুৰ’, বাংগালুৰু, ২৯ মাৰ্চ ঃ** কৰ্ণাটকৰ এগৰাকী স্কুলীয়া ছাত্ৰীক বোৰ্খা খুলি অহাৰ পাছতহে বিদ্যালয়ৰ পৰীক্ষাত অৱতীৰ্ণ হ’বলৈ অনুমতি দিয়া হ’ল। ৰাজ্যখনত আজিৰে পৰা দশম শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰে পূৰ্বে স্পষ্টভাৱে ঘোষণা কৰিছিল যে হিজাব অবিহনেহে ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হ’ব পাৰিব। হুবলি জিলাত এটা পৰীক্ষা কেন্দ্ৰত এগৰাকী ছাত্ৰীয়ে আজি বোৰ্খা পৰিধান কৰি পৰীক্ষা দিবলৈ গৈছিল। লগে লগে কৰ্তৃপক্ষই ছাত্ৰীগৰাকীক পোছাক সলনি কৰাৰ নিৰ্দেশ দিয়ে। ছাত্ৰীয়ে এই নিৰ্দেশ পালন কৰি পোছাক



সলনি কৰাতহে তেওঁক পৰীক্ষাত অৱতীৰ্ণ হ’বলৈ দিলে কৰ্তৃপক্ষই। অৱশ্যে কৰ্তৃপক্ষই ইয়াৰ বাবে ছাত্ৰীগৰাকীক অতিৰিক্ত সময় মঞ্জুৰ কৰে। এই ঘটনাক লৈ কৰ্ণাটকত পুনৰ এক নতুন বিতৰ্কৰ সৃষ্টি হৈছে।

## ফে’চবুক-ইনষ্টাগ্ৰামক প্ৰত্যাহ্বান জনাব এলন মাস্কে



**নিউজ ব্যুৰ’, টেক্সাছ, ২৯ মাৰ্চ ঃ** বৈদ্যুতিক গাড়ী নিৰ্মাতা কোম্পানী টেছলা আৰু মহাকাশ সংস্থা স্পেচএক্সৰ মুখ্য কাৰ্যবাহী বিষয়া (চি ই অ’) এলন মাস্কে অচিৰে নিজাববীয়া এক সামাজিক মাধ্যম মুকলি কৰিব। টুইটাৰৰ জৰিয়তে এই কথা প্ৰকাশ কৰি মাস্কে কয় যে তেওঁ টুইটাৰৰ এক বিকল্প সামাজিক মঞ্চ সংযোজন কৰিব বিচাৰে, কিয়নো মাইক্ৰ’ ব্লগিং ছাইটটোৱে মুক্ত বাক স্বাধীনতাৰ সুবিধা সময়ে সময়ে খৰ্ব কৰি আহিছে। যোৱা সপ্তাহত বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে এক টুইটত কৈছিল যে গণতন্ত্ৰৰ বাবে মুক্ত বাক স্বাধীনতাৰ অত্যন্ত প্ৰয়োজন। মাস্কে এনে এক সামাজিক মঞ্চ প্ৰস্তুত কৰিব বিচাৰে যি মঞ্চত সকলো ব্যৱহাৰকাৰীয়ে নিজৰ মতামত মুকলিকৈ ব্যক্ত কৰিব পাৰিব। ফে’চবুক, টুইটাৰ, ইনষ্টাগ্ৰামক প্ৰত্যাহ্বান জনাই মাস্কৰ প্ৰতিষ্ঠানে অচিৰে এই নতুন ছ’চিয়েল এপ মুকলি কৰিব। অৱশ্যে সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে মাস্কক পৰামৰ্শ দি কয় যে তেওঁ নতুন ছ’চিয়েল এপ মুকলি কৰাৰ পৰিৱৰ্তে টুইটাৰৰ দৰে জনপ্ৰিয় মাইক্ৰ’ ব্ল’গিং ছাইট ক্ৰয় কৰা উচিত।

## কেপিটল হিলৰ হিংসাকাণ্ডৰ গোচৰত ট্ৰাম্পৰ বিৰুদ্ধে আদালতৰ সিদ্ধান্ত


**নিউজ ব্যুৰ’ ৱাশ্বিংটন, ২৯ মাৰ্চ ঃ** কেপিটল হিল হিংসাকাণ্ডৰ গোচৰত আমেৰিকাৰ এখন আদালতে দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ বিৰুদ্ধে ৰায় দিলে। যুক্তৰাষ্ট্ৰীয় ন্যায়াধীশ ডেভিড কাৰ্টাৰে ২০২১ৰ ছয় জানুৱাৰীত সংঘটিত হোৱা কেপিটল হিল হিংসাকাণ্ডৰ তদন্ত চলোৱা কংগ্ৰেছ কমিটীয়ে জাৰি কৰা চমনৰ স’তে জড়িত ৰায়ত ট্ৰাম্পৰ বিৰুদ্ধে গুৰুতৰ



অভিযোগ উত্থাপন কৰে। আদালতে কয় যে প্ৰাক্তন ৰাষ্ট্ৰপতি ট্ৰাম্পে মাৰ্কিন কংগ্ৰেছক বাধা দিবলৈ আৰু নিৰ্বাচনৰ পৰাজয়ৰ ঘোষণা সলনি কৰিবলৈ তদানীন্তন উপ ৰাষ্ট্ৰপতি মাইক পেন্সক হেঁচা দিছিল। কেৱল ইমানতে ক্ষান্ত নাথাকি ট্ৰাম্পে সমৰ্থকৰ জৰিয়তে হিংসাত্মক কাণ্ড সংঘটিত কৰিছিল বুলি আদালতে ৰায় দিলে। আদালতে লগতে কয় যে ট্ৰাম্পে এই কথা নিশ্চিতভাৱে জানিছিল যে নিৰ্বাচনত প্ৰৱঞ্চনাৰ সন্দৰ্ভত উত্থাপন হোৱা অভিযোগ ভিত্তিহীন আছিল আৰু সেয়েহে কেপিটল হিল হিংসাকাণ্ডৰ ঘটনা সম্পূৰ্ণৰূপে অবৈধ আছিল। উল্লেখ্য যে কেপিটল হিলত সংঘটিত হোৱা উক্ত হিংসাত্মক ঘটনাত পাঁচজন লোকৰ মৃত্যু হৈছিল। যুক্তৰাষ্ট্ৰীয় আইন উলংঘনৰ প্ৰসংগত ট্ৰাম্পৰ বিৰুদ্ধে পৰৱৰ্তী সিদ্ধান্ত আমেৰিকাৰ এটৰ্ণী জেনেৰেলে গ্ৰহণ কৰিলে।

## দেশত ক’ভিডৰ সংক্ৰমণ হ্ৰাস, ঊৰ্ধ্বমুখী হ’ল মৃত্যুৰ হাৰ

**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৯ মাৰ্চ ঃ** ক’ভিডৰ তৃতীয়টো ঢৌৰ প্ৰকোপ ভাৰতত সম্প্ৰতি যথেষ্ট নিয়ন্ত্ৰিত হৈছে। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ হ্ৰাস পালে কৰ’নাৰ সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ১২৫৯ জন লোক ক’ভিডত সংক্ৰমিত হ’ল। সংক্ৰমণ হ্ৰাস পালেও মৃত্যুৰ হাৰ দেশত বিগত ২৪ ঘণ্টাত পুনৰ বৃদ্ধি পালে। বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ক’ভিডত প্ৰাণ হেৰুৱালে ৩৫ জন ৰোগীয়ে। সোমবাৰে মৃতকৰ সংখ্যা আছিল ৩১ জন। সম্প্ৰতি দেশত ১৫,৩৭৮ জন সক্ৰিয় ক’ভিড ৰোগী আছে।





## মলিকৰ পৰিয়ালৰ সদস্যৰ সম্পত্তিৰ হ’ব তদন্ত ঃ ই ডিয়ে বিচাৰিলে তথ্য

**নিউজ ব্যুৰ’, মুম্বাই, ২৯ মাৰ্চ ঃ** মহাৰাষ্ট্ৰৰ কেবিনেট মন্ত্ৰী নবাব মলিকৰ বিপদ পুনৰ বৃদ্ধি পালে। প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ এইবাৰ মলিকৰ পৰিয়ালৰ সদস্যৰ নামত থকা সকলো সা-সম্পত্তিৰ সবিশেষ তথ্যপাতি জানিব বিচাৰিলে। এই বিষয়ত ই ডিয়ে ইতিমধ্যে মুম্বাই উপনগৰৰ পঞ্জীয়কলৈ এখন পত্ৰ প্ৰেৰণ কৰি মলিকৰ পৰিয়ালৰ নামত থকা সকলো সা-সম্পত্তিৰ বিৱৰণ দাখিল কৰিবলৈ নিৰ্দেশ দিছে। মলিকৰ লগতে তেওঁৰ পত্নী মেহজবিন আৰু পুত্ৰ ফৰাজ মলিকৰ নামত থকা সা-সম্পত্তিৰ তথ্যপাতি বিচাৰিলে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। উল্লেখ্য যে অবৈধ বিত্তীয় লেনদেনৰ এক গোচৰত ই ডিয়ে মলিকক গ্ৰেপ্তাৰ কৰিছিল আৰু সম্প্ৰতি তেওঁ কাৰাগাৰত আছে।

## ৩৭০ অনুচ্ছেদ বাতিলৰ পাছত কাশ্মীৰত আন ৰাজ্যৰ ৩৪ লোকে ক্ৰয় কৰিলে ভূমি

**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৯ মাৰ্চ ঃ** জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত পূৰ্বে প্ৰযোজ্য হোৱা ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিলৰ পাছত বৰ্তমানলৈকে ৰাজ্যখনত আন ৰাজ্যৰ ৩৪ জন লোকে ভূমি সম্পত্তি ক্ৰয় কৰিলে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে আজি লোকসভাত এই তথ্য প্ৰকাশ কৰিলে। মন্ত্ৰণালয়ে সদনত দাখিল কৰা তথ্য অনুসৰি জম্মু-কাশ্মীৰৰ জম্মু, ৰিয়াছি, উধমপুৰ আৰু উটিৰ গান্দৰবল জিলাত আন ৰাজ্যৰ লোকে ভূমি সম্পত্তি ক্ৰয় কৰিছে। কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে নিম্ন সদনত এক লিখিত প্ৰশ্নৰ উত্তৰ দি এইদৰে কয়, ‘জম্মু-কাশ্মীৰ চৰকাৰৰ পৰা লাভ কৰা তথ্য অনুসৰি কেন্দ্ৰীয় শাসিত প্ৰদেশ জম্মু আৰু কাশ্মীৰত আন ৰাজ্যৰ ৩৪ জন লোকে বৰ্তমানলৈকে সম্পত্তি ক্ৰয় কৰিছে।’ উল্লেখ্য যে



ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ ফলত জম্মু-কাশ্মীৰে পূৰ্বে লাভ কৰা বিশেষ ৰাজ্যৰ মৰ্যাদা হেৰুৱাইছিল। বিশেষ ৰাজ্যৰ মৰ্যাদা লাভ কৰা সময়ছোৱাত জম্মু-কাশ্মীৰত আন ৰাজ্যৰ লোকে ভূমি সম্পত্তি ক্ৰয় কৰিব নোৱাৰিছিল। কেন্দ্ৰীয় চৰকাৰে ২০১৯ৰ পাঁচ আগষ্টত কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা সংবিধানৰ উক্ত অনুচ্ছেদ বাতিল কৰিছিল। ৩৭০ অনুচ্ছেদ বাতিলৰ লগতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনক দুখন কেন্দ্ৰীয় শাসিত প্ৰদেশ ক্ৰমে জম্মু-কাশ্মীৰ আৰু লাডাখত বিভাজন কৰিছিল। কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰী নিৰ্মলা সীতাৰমণেও অলপতে ৰাজ্যসভাত কৈছিল যে ৩৭০ অনুচ্ছেদ বাতিলৰ পাছত জম্মু-কাশ্মীৰত সন্ত্ৰাসৰ ঘটনা হ্ৰাস পাইছে আৰু ৰাজ্যখনত সম্প্ৰতি বিনিয়োগ বৃদ্ধি পাবলৈ ধৰিছে।

## টি এম চিৰ নাম তালিবানী মানসিকতা কংগ্ৰেছ হোৱা উচিত ঃ বিজেপিৰ কটাক্ষ



**নিউজ ব্যুৰ’, কলকাতা, ২৯ মাৰ্চ ঃ** পশ্চিমবংগত তৃণমূল কংগ্ৰেছ (টি এম চি)ৰ বিধায়কে মুকলিকৈ বিজেপিক ধমক দিয়াৰ পাছত এইবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে বিজেপিয়ে। আজি বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰাই কয় যে টি এম চিক তালিবানী মানসিকতা কংগ্ৰেছ বুলি ক’লে ভুল নহ’ব। দৰাচলতে টি এম চিৰ বিধায়কে ধমক দি কৈছিল যে বিজেপিৰ হৈ কোনো লোকে ভোট দিলে পৰিণতি বিষম হ’ব। টি এম চিৰ বিধায়ক নৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে মুকলিকৈ বিজেপি সমৰ্থকক এইদৰে ভাবুকি দিয়াৰ পাছত আজি বিজেপিৰ মুখপাত্ৰ পাত্ৰাই কয়, ‘এই ধমক যদি বিজেপিৰ বিধায়কে দিয়া হ’লে তেওঁলোকে আমাক ঘেৰি ধৰিলেহেঁতেন। টি এম চিৰ বিধায়কে বিজেপিৰ নেতা-কৰ্মীক নহয়, বৰঞ্চ বিজেপিৰ ভোটদাতাক ভাবুকি দিলে। যদি আমি টি এম চিক তালিবানী মানসিকতা কংগ্ৰেছ বুলি কওঁ তেন্তে ভুল নহ’ব। ভোটদাতাই ঘৰৰ পৰা ওলাই ভোট দিব নোৱাৰিব, এনে মানসিকতা কেৱল তালিবানী মানসিকতা কংগ্ৰেছৰহে হ’ব পাৰে, আন কোনো দলৰ হ’ব নোৱাৰে। পশ্চিমবংগত অনুষ্ঠিত হ’ব লগা বিধানসভা আৰু লোকসভাৰ উপনিৰ্বাচনৰ পূৰ্বে এইদৰে টি এম চি আৰু বিজেপিৰ মাজত বাকবিতণ্ডা অব্যাহত আছে।

## ‘টাইপ ২’ মধুমেহৰ পৰিণতিত হ’ব পাৰে ৫৭ গুৰুতৰ ৰোগ ঃ গৱেষণাৰ তথ্য



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৯ মাৰ্চ ঃ** যিসকল ব্যক্তি ‘টাইপ ২’ ডায়েবেটিছ অৰ্থাৎ মধুমেহ ৰোগত আক্ৰান্ত হৈছে তেওঁলোক ৫৭ টাকৈ গুৰুতৰ ৰোগত আক্ৰান্ত হ’ব পাৰে। স্বাস্থ্য গৱেষকে চলোৱা শেহতীয়া এক অধ্যয়নত এই তথ্য পোহৰলৈ আহিছে। দীৰ্ঘদিন ধৰি মধুমেহত আক্ৰান্ত লোকৰ ক্ষেত্ৰত কৰ্কট, বৃক্কৰ ৰোগ, স্নায়ুজনিত ৰোগসহ ৫৭ বিধ স্বাস্থ্যজনিত সমস্যাই দেখা দিব পাৰে। ইউ কে বায়’বেংক আৰু জি পি ৰেকৰ্ডৰ যৌথ অধ্যয়নত মধুমেহত আক্ৰান্ত তিনি নিযুত লোকৰ তথ্যপাতি আহৰণ কৰা হৈছিল। এইসকল মধুমেহ আক্ৰান্তই সন্মুখীন হোৱা ১১৬ স্বাস্থ্যজনিত সমস্যাৰ সন্দৰ্ভত অধ্যয়ন চলাই গৱেষকে লাভ কৰা তথ্য অনুসৰি ‘টাইপ ২’ মধুমেহত আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত ৫৭ টা ৰোগৰ আক্ৰান্ত হোৱাৰ শংকা সৰ্বাধিক থাকে। ‘টাইপ ২’ মধুমেহত আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত কৰ্কটত আক্ৰান্ত হোৱাৰ শংকা ন শতাংশ অধিক হয় বুলিও অধ্যয়নটো চলোৱা গৱেষকে জানিবলৈ দিয়ে। মধ্য বয়সীয়া মধুমেহ ৰোগীৰ ক্ষেত্ৰত অন্যান্য ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা অধিক হয় বুলিও তথ্য লাভ কৰা হৈছে। মধ্য বয়সীয়া মধুমেহ ৰোগীৰ ক্ষেত্ৰত বৃক্ক ৰোগৰ সম্ভাৱনা ৫.২ গুণ, যকৃত কৰ্কটৰ সম্ভাৱনা ৪.৪ গুণ আৰু মাংসপেশীৰ ক্ষতিৰ শংকা ৩.২ গুণ অধিক হয়। কেমব্ৰিজ ইউনিভাৰ্ছিটিৰ প্ৰাক্তন গৱেষক ডাঃ লুৱানলুৱান ছুনৰ নেতৃত্বত এই অধ্যয়নটো চলোৱা হৈছিল।

# গোৱালপাৰা চহৰৰ বামুণপাৰাত শ্লুইছ গেট নিৰ্মাণত দুৰ্নীতি

## ■ তদন্তৰ দাবীৰে পৌৰসভাৰ কাৰ্যবাহী বিষয়াক ৰাইজৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা,**
**মাটিয়া, ২৯ মাৰ্চ ঃ** গোৱালপাৰা পৌৰসভাৰ অন্তৰ্গত ছয় নম্বৰ ৱাৰ্ডৰ বামুণপাৰাত শ্লুইছ গেট আৰু গাৰ্ড ৱাল নিৰ্মাণৰ নামত ব্যাপক দুৰ্নীতি সংগঠিত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে গোৱালপাৰা চহৰৰ বামুণপাৰাত অৱস্থিত শ্লুইছ গেটৰ বোঁৱতী পানীয়ে বামুণপাৰা বাৰোৱাৰী নামদল আৰু বামুণপাৰা-চন্দৰীয়া অঞ্চলৰ ৰাজহুৱা ভেলাঘৰ তথা ৰাস্তাৰ ভূমিত খহনীয়াৰ সৃষ্টি কৰে। পাছত স্থানীয় ৰাইজৰ আবেদনৰ ভিত্তিত পৌৰসভা কৰ্তৃপক্ষই শ্লুইছ গেটৰ মেৰামতি, গাৰ্ড ৱাল নিৰ্মাণৰ লগতে খহনীয়া প্ৰতিৰোধৰ বাবে ২০২১-২২ৰ পঞ্চদশ বিত্তীয় আয়োগৰ পাঁচ লাখ ৭০ হেজাৰ টকা আবণ্টন দিয়ে। কিন্তু বাস্তৱ ক্ষেত্ৰত প্ৰাক্কলন বিসৰ্জন দি দায়িত্বৰত ঠিকাদাৰ মৃদুল ঘোষে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত স্থানীয় সচেতন ৰাইজে



তদন্তৰ দাবীৰে ইতিমধ্যে পৌৰসভাৰ কাৰ্যবাহী বিষয়াক এখন লিখিত অভিযোগ দাখিল কৰিছে। ঠিকাদাৰজনে অতি নিম্নমানৰ কাম কৰাৰ লগতে বালি- চিমেন্টৰ মিশ্ৰণত নলাৰ লেতেৰা পানী ব্যৱহাৰ কৰে। লগতে খহনীয়া হোৱা ঠাই মাটিৰে পূৰ নকৰাৰ উপৰি ব'ল্ডাৰৰ গাঁথনিত পানী দিয়াৰ ব্যৱস্থা নকৰা বুলিও অভিযোগ পত্ৰত প্ৰকাশ। এইদৰে অতি নিম্নমানৰ কাম কৰা ঠিকাদাৰজনে আঁচনি সন্দৰ্ভত আঁৰি দিয়া নামফলকতো কে'বাটাও শব্দৰ বানান ভুলকৈ লিখাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি স্থানীয় সচেতন যুৱক ৰূপম দাসে কয় যে শ্লুইছ গেটখনৰ বাবে কৰ্তৃপক্ষই পাঁচ লাখ ৭০ হেজাৰ টকা আবণ্টন দিছে যদিও বাস্তৱ ক্ষেত্ৰত ঠিকাদাৰজনে এক লাখ ৭০ হেজাৰ টকাৰো কাম কৰা নাই। অতি নিম্নমানৰ ব'ল্ডাৰ ব্যৱহাৰ কৰি নিৰ্মাণ কৰা গাৰ্ড ৱালখনত কোনো দিনেই পানী নিদিয়াত অচিৰেই খহি পৰাটো একপ্ৰকাৰ নিশ্চিত।

ইপিনে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নৌহওঁতেই গাৰ্ড ৱালত ছিৰাল ফাট মেলাত আশ্চৰ্য প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। লগতে মাটিৰ কাম নকৰা বাবেই সামান্য বৰষুণ হ'লেই ভেলাঘৰৰ খহনীয়া হোৱাৰ পূৰ্ণ আশংকা ব্যক্ত কৰিছে সচেতন মহলে। এই ক্ষেত্ৰত উপযুক্ত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাইজে আইনৰ কাষ চাপিবলৈ বাধ্য হ'ব বুলি হুংকাৰ দিছে।

# সংগীত শিল্পী সত্যজিৎ বৰাক অসম জ্ঞান ৰত্ন বঁটা-২০২২ প্ৰদান



**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২৯ মাৰ্চ ঃ** শিৱসাগৰ নগৰৰ ইতিহাস সমৃদ্ধ এক নম্বৰ টাউন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক তথা সু-গায়ক সমাজকৰ্মী সত্যজিৎ বৰাক ২০২২ৰ অসম জ্ঞান ৰত্ন বঁটা প্ৰদান কৰা হয়। ৰাজ্যখনৰ অন্যতম সাহিত্য সাংস্কৃতিক-সামাজিক অনুষ্ঠান অসম জ্ঞান ৰত্ন সমন্বয় গোষ্ঠীৰ উদ্যোগত কালি গুৱাহাটীৰ বেলতলাস্থিত অমলপ্ৰভা ভৱনত অনুষ্ঠিত এখন গাম্ভীৰ্যপূৰ্ণ সভাত এই বঁটা প্ৰদান কৰা হয়। বিশিষ্ট লেখিকা বৈজয়ন্তী গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থকা সভাখনত শিক্ষক তথা গায়ক সত্যজিৎ বৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত নিজৰ কৰ্মৰাজিৰে জিলিকি ৰোৱা আন বহু কেইগৰাকী বিশিষ্ট ব্যক্তিকো এই বঁটা প্ৰদান কৰা হয়। গৌৰীসাগৰৰ সমীপৰ ভটীয়াপাৰাৰ নিৱাসী অসম জ্ঞান ৰত্ন বঁটা প্ৰাপক সত্যজিৎ বৰাই নিজ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সাংস্কৃতিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত লোৱা বলিষ্ঠ ভূমিকাৰ বাবেই এই বঁটা প্ৰদান কৰে। জিলাখনৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা এইগৰাকী শিক্ষকে বিদ্যালয়খনৰ উপৰি বৃহত্তৰ ভটীয়াপাৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক সাংস্কৃতিক দিশত আগবঢ়াই নিয়াৰ প্ৰচেষ্টাৰে গায়িকা পত্নী বৃষ্টিৰাণী বৰাৰ স'তে ঘৰতে সংগীত কানন নামৰ এখন সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰি বিভিন্ন সংগীত শিক্ষা গ্ৰহণ কৰি আহিছে। আনহাতে, এনে এগৰাকী শিক্ষক তথা শিল্পীক এই বঁটা আগবঢ়োৱাত উৎফুল্লিত হৈ পৰিছে অঞ্চলবাসী।

# গোসাঁইগাঁৱত পাঁচদিনীয়া কাৰ্যসূচীৰে বিহু নাচৰ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও, ২৯ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱত আগন্তুক ৰঙালী বিহুৰ প্ৰতি সংগতি ৰাখি গোসাঁইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ২৫ আৰু ২৬ এপ্ৰিলত গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৰঙালী বিহু উদ্‌যাপন কৰিব। বিহুৰ অন্যান্য কাৰ্যসূচীৰ উপৰি প্ৰথম দিনৰ কাৰ্যসূচীত সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। ইপিনে, বিহু উদ্‌যাপনৰ স'তে সংগতি ৰাখি উদ্‌যাপন সমিতিয়ে কালিৰে পাঁচদিনীয়াকৈ এখন বিহু কৰ্মশালাৰ আৰম্ভ কৰে। চহৰখনৰ মাজমজিয়াত অৱস্থিত কমলনাথ ক্লাব কাম লাইব্ৰেৰীৰ বাকৰিত অনুষ্ঠিত উক্ত কৰ্মশালাত নলবাৰীৰ নৃত্যাংগনা নামৰ এক খ্যাতনামা বিহু প্ৰশিক্ষক গোষ্ঠীৰ দ্বাৰা বিহু নাচৰ ছেও, মুদ্ৰা আদি বিভিন্ন দিশত প্ৰশিক্ষণ প্ৰদান কৰিব। সেই উপলক্ষে কালি বিয়লি তিনি বজাত কমলনাথ ক্লাব কাম লাইব্ৰেৰীৰ বাকৰিত অনুষ্ঠিত উক্ত কৰ্মশালাখন উদ্বোধন কৰে গোসাঁইগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অমৰজ্যোতি বাইলুঙে। গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সম্পাদক খনীন্দ্ৰ নাথ দাসে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানৰ অন্তত নৃত্যাংগনা বিহু প্ৰশিক্ষক গোষ্ঠীৰ মুখ্য প্ৰশিক্ষক মণিকংকণা মেধি আৰু তেওঁৰ সহযোগী প্ৰশিক্ষকসকলে ৬০তকৈ অধিক অংশগ্ৰহণকাৰীক প্ৰশিক্ষণ প্ৰদান কৰে।

# সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ উদ্‌যাপনৰ লাইখুঁটা স্থাপন



**অগ্ৰদূত বাৰ্তা**
**টংলা, ২৯ মাৰ্চ ঃ** ওদালগুৰি জিলাৰ ৭০ বছৰ গৰকা সদৌ টংলা ৰঙালী বিহু সন্মিলনীয়ে ১৫ এপ্ৰিলৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। ৰঙালী বিহু উৎসৱৰ যোৱা ২৭ মাৰ্চৰ পৰা পুৱা ন বজাত টংলা পৌৰসভাৰ সভাপতি তথা খালিংদুৱাৰ পৰিষদৰ পাৰিষদ দিলীপ বড়োৱে লাইখুঁটা স্থাপন কৰে। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক নাৰায়ণ ডেকাই আঁত ধৰা লাইখুঁটা অনুষ্ঠানত উদ্‌যাপন সমিতিৰ সভাপতি বিনোদ মহন্ত, স্থায়ী সমিতিৰ সভাপতি প্ৰমোদ হাজৰিকা, উপদেষ্টা মণ্ডলী, উদ্‌যাপন সমিতিৰ বিষয়ববীয়া প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# ১০ এপ্ৰিলত নগৰবেৰা সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা-সঞ্চালক মণ্ডলীৰ নিৰ্বাচন

**আলোপতি, ২৯ মাৰ্চ ঃ** বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা গাঁও পঞ্চায়ত সমবায় সমিতিৰ ২০২১-২২ৰ বাৰ্ষিক সাধাৰণ সভা আৰু সঞ্চালক মণ্ডলীৰ নিৰ্বাচন অহা ১০ এপ্ৰিলত স্থানীয় নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব বুলি সমবায় সমিতিৰ সভাপতি আব্দুল বাৰিক আৰু সম্পাদক ৰুদ্ৰ বাহাদুৰ ভাণ্ডাৰীয়ে জনাইছে। সিদিনা পুৱা ১০ বজাত সমবায় সমিতিৰ সভাপতি আব্দুল বাৰিকৰ পৰিচালনাত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ সভাত সমবায় সমিতিখনৰ আগন্তুক পাঁচ বছৰৰ বাবে কাৰ্যকৰী সমিতিৰ সঞ্চালক মণ্ডলীৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনত মুঠ ১৫গৰাকী সঞ্চালক নিৰ্বাচিত কৰা হ'ব। ইয়াৰে এখন আসন অনুসূচিত জাতি, জনজাতিৰ বাবে সংৰক্ষিত আৰু দুখন আসন মহিলাৰ বাবে সংৰক্ষিত। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব খোজা অংশীদাৰসকলে অহা ৩১ মাৰ্চত দিনৰ ১০ বজাৰ পৰা এক বজালৈ সমবায় সমিতিৰ মুখ্য কাৰ্যালয়ত নিৰ্বাচনী বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। সেইদিনাই মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু বৈধ-অবৈধ ফলাফল ঘোষণা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব বিচৰা প্ৰাৰ্থীয়ে অহা দুই এপ্ৰিলৰ ভিতৰত লিখিত আবেদনযোগে মনোনয়ন উঠাই ল'ব পাৰিব। লগতে উক্ত দিনাই প্ৰাৰ্থীসকলক প্ৰতীক চিহ্নি দিয়া হ'ব। সঞ্চালক মণ্ডলীৰ নিৰ্বাচনৰ পাছত সভাত ২০২০-২০২১ৰ সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু দৃঢ়কৰণ, সম্পাদকীয় প্ৰতিবেদন পাঠ গ্ৰহণ, ২০২০-২০২১ আৰু ২০২১-২০২২ৰ বিত্তীয় বৰ্ষৰ চৰকাৰী আৰু আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ গ্ৰহণ, আগন্তুক ২০২১-২০২২ৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিয়োগ আৰু পাৰিতোষিক নিৰ্ধাৰণ, ২০২১-২২ৰ বাবে সৰ্বোচ্চ পৰিমাণৰ ঋণ গ্ৰহণৰ সীমা নিৰ্ধাৰণ আৰু ২০২১-২০২২ বিত্তীয় বৰ্ষৰ সম্ভাব্য বাজেট দাখিল গ্ৰহণ আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। সভাত সমবায় সমিতিখনৰ অধীনস্থ সমূহ অংশীদাৰসকলক উপস্থিত থাকিবলৈ সমবায় কৰ্তৃপক্ষৰ হৈ সভাপতি-সম্পাদকে আহ্বান জনাইছে।

# ডিগবৈত সাহিত্যিক পেঞ্চনাৰ পুণ্য শইকীয়াৰ কবিতাৰ ভিডিঅ' মুক্তি

**ডিগবৈ, ২৯ মাৰ্চ ঃ** ডিগবৈৰ কবি-সাহিত্যিক পেঞ্চনাৰ পুণ্য শইকীয়াৰ স্ব-ৰচিত কবিতা 'পথে প্ৰান্তৰে' শীৰ্ষক এটি ভিডিঅ' যোৱা ২৫ মাৰ্চত মুক্তি দিয়া হয়। সাংবাদিক ৰাজু হাজৰিকাৰ পৰিকল্পনাৰে ডিগবৈৰ অগ্ৰণী বাণীবদ্ধ অনুষ্ঠান স্পন্দন 'ষ্টুডিঅ'ত বাণীবদ্ধ হোৱা সাহিত্যিক শইকীয়াৰ কবিতাৰ ভিডিঅ'টোৰ আৱহ সংগীত পৰিচালনা কৰিছে প্ৰদ্যুৎ হাজৰিকা আৰু সম্পাদনা কৰিছে অঞ্জন জ্যোতিয়ে। সাহিত্যিক পেঞ্চনাৰ পুণ্য শইকীয়াৰ স্ব-ৰচিত কবিতা পাঠ কৰিছে নিজেই। 'পথে প্ৰান্তৰে' কবিতাৰ ভিডিঅ'টো গীত স্পন্দন ইউ টিউব চেনেলত উপলব্ধ হ'ব। ডিগবৈ চেণ্ট্ৰেল নামঘৰ প্ৰাংগণত অৱস্থিত গীত স্পন্দন ষ্টুডিঅ'ত মুক্তি দিয়া অনুষ্ঠানত ডিগবৈৰ বহুসংখ্যক ব্যক্তি উপস্থিত থকাৰ লগতে ডিগবৈৰ বহুকেইজন সাংবাদিক উপস্থিত থাকে।

# মঙলদৈৰ জলজলী শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৯ মাৰ্চ ঃ** দৰং জিলা সাহিত্য সভাৰ অন্যতম গোট জলজলী শাখা সাহিত্য সভাৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি উদ্‌যাপন কৰা হয়। এই উপলক্ষে শাখাৰ সভাপতি বলেন্দ্ৰ ডেকাই সভাপতিত্ব কৰা আৰু সহকাৰী সম্পাদক নিকুঞ্জ চহৰয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভা উদ্বোধন কৰে দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামীয়ে। সভাত জিলা সভাৰ উপ-সভানেত্ৰী বৰদা শইকীয়া আৰু আকাশ অনুষ্ঠানৰ কাৰ্যকৰী সভানেত্ৰী কুঞ্জলতা দেৱী আৰু জলজলী শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি মহেন্দ্ৰ শইকীয়াই অংশগ্ৰহণ কৰে। উক্ত সভাতেই অসম সাহিত্য সভাৰ ২৬ গৰাকী আজীৱন সভ্যক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। আনহাতে, ইয়াৰ পূৰ্বে পুৱা কুমুদ চহৰীয়া আৰু দিগন্ত চহৰীয়াই পৰিৱেশ নিকাকৰণ, সমাজকৰ্মী বীৰেন চহৰীয়াই বৃক্ষৰোপণ, উপ-সভাপতি মহেশ্বৰ শইকীয়াই বন্তি প্ৰজ্বলন, প্ৰাক্তন সভাপতি মিলিক কুমাৰ, দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ প্ৰাক্তন সভাপতি গহীন চন্দ্ৰ চহৰীয়া আৰু নৱজ্যোতি সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ সভাপতি ফটিক চন্দ্ৰ ডেকাই স্মৃতি তৰ্পণ আৰু সাহিত্য সভাৰ পতাকা উত্তোলন কৰে জলজলী শাখা সাহিত্য সভাৰ সভাপতি বলেন্দ্ৰ ডেকাই। সাহিত্য উদ্বোধন কৰে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক সৎৰাম ডেকাই।

# জনপ্ৰিয় অভিনেতা-প্ৰবীণ খেলুৱৈ-অসম আন্দোলনৰ সক্ৰিয় কৰ্মী বিনোদ ডেকাৰ বিয়োগত শোক

**অগ্ৰদূত বাৰ্তা**
**টিহু, ২৯ মাৰ্চ ঃ** অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনপ্ৰিয় অভিনেতা, অসম আন্দোলনৰ সক্ৰিয় কৰ্মী তথা প্ৰবীণ খেলুৱৈ টিহুৰ বিনোদ ডেকা (৬৫)ৰ ২৬ মাৰ্চ শনিবাৰে বৰপেটা মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যু হোৱাত টিহুৰ বিভিন্ন দল-সংগঠন-অনুষ্ঠানে শোক প্ৰকাশ কৰে। টিহু মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে সাংস্কৃতিক ক্ষেত্ৰত জড়িত হৈ পৰা



ডেকা আছিল একেধাৰে এগৰাকী ফুটবল, ভলীবল আৰু এথলেটিকছ খেলুৱৈ। তেওঁ টিহু টাউন ক্লাবৰ দ্বাৰা ৰূপায়িত হেমন্ত ৰাজৰ 'প্ৰহৰী', 'ভঙা জাহাজৰ যাত্ৰী' আদি কে'বাখনো নাটকত অভিনয় কৰাৰ লগতে 'অন্তগিৰী' নামৰ দূৰদৰ্শনৰ ধাৰাবাহিকত নায়কৰ ভূমিকাত অভিনয় কৰিছিল। অভিনয়কে জীৱিকাৰূপে গ্ৰহণ কৰি ৮০ৰ দশকত ভাগ্যদেৱী থিয়েটাৰত অভিনয়ৰ যোগেদি ভ্ৰাম্যমাণ মঞ্চজগতত প্ৰৱেশ কৰে। ইয়াৰ পাছতে শিল্পীজনে মকুন্দ, শংকৰদেৱ, নটৰাজ, ইন্দ্ৰধনু, অনিৰ্বাণ আৱাহন, আৰাধনা আদি আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ভালেসংখ্যক কালজয়ী নাটকত অভিনয় কৰি দৰ্শকৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। ক্ৰীড়া ক্ষেত্ৰতো সুনাম দখল কৰা ডেকাই টিহুৰ বয়জ ইউনিয়ন ক্লাবৰ সুদক্ষ ফুটবল খেলুৱৈৰূপে বিশেষ পাৰদৰ্শিতা আগবঢ়াইছিল। তেওঁ অসম আন্দোলনত স্বেচ্ছাসেৱক বাহিনীৰ যোগেদি অসম আন্দোলনৰ এজন সক্ৰিয় কৰ্মীৰূপে সেৱা আগবঢ়াইছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ টিহু অঞ্চলৰ লগতে সাংস্কৃতিক মহলতো গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ নশ্বৰদেহ টিহুৰ আঠ নম্বৰ ৱাৰ্ডৰ বৰবাৰীস্থিত বাসগৃহলৈ অনাৰ লগে লগে অগণন গুণমুগ্ধই তেওঁৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তেওঁৰ মৃত্যুত টিহু টাউন ক্লাব, নাটচ'ৰা, টিহু কেন্দ্ৰীয় ৰঙালী বিহু, উত্তৰাঞ্চল ৰঙালী বিহু সন্মিলনী, ৰাস মহোৎসৱ সমিতি, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, টিহু আঞ্চলিক ছাত্ৰ সন্থা, টিহু মহাত্মা গান্ধী ভৱন সমিতি, টিহু ৰাজহুৱা পুথিভঁৰাল সমিতি, নাট্যকাৰ হেমন্ত ৰাজ, জনপ্ৰিয় কণ্ঠশিল্পী হেমন্ত তালুকদাৰ, অসম জাতীয়তাবাদী যুৱ- ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নগেন শালৈ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক আদি দল-সংগঠন তথা ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ মাতৃৰ উপৰি ভ্ৰাম্যমাণ থিয়েটাৰৰ অভিনেত্ৰী পত্নী নীলিমা ডেকা, এজন পুত্ৰসহ বহুতো গুণমুগ্ধক এৰি যায়।

# ৰূপালী জয়ন্তী বৰ্ষত বৰপেটাৰ 'ইনভিকটাছ'

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৯ মাৰ্চ ঃ** প্ৰখ্যাত ব্ৰিটিছ কবি উইলিয়াম এৰ্নেষ্ট হেনলীয়ে ১৮৭৫তে ৰচনা কৰা এটি জনপ্ৰিয় কবিতাৰ নাম 'ইনভিকটাছ'। যাৰ অসমীয়া ভাবাৰ্থ হয় অপৰাজেয়। তেনে এক মানসিক চিন্তা আৰু চেতনাৰে উদ্বুদ্ধ হৈয়ে বৰপেটা চহৰৰ কেইজনমান যুৱকে ২৫ বছৰ পূৰ্বে ১৯৯৭ৰ পহিলা এপ্ৰিলত গঠন কৰিছিল ইনভিকটাছ' নামৰ এটি ক্লাব। জন্মক্ষণৰে পৰা ক্লাবৰ সদস্যসকলে চহৰখনৰ সামাজিক সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰলৈ অনেক সেৱা আগবঢ়াই আহিছে। উল্লেখ্য যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা জীয়াই থকা দিনৰে পৰা তেওঁৰ জন্মদিনটো বিশেষ কাৰ্যসূচীৰে পালন কৰি অহা ক্লাবটোৱে সুধাকণ্ঠৰ দেহাৱসনাৰ পাছতে অদ্যপৰিমিত পালন কৰি আছে। অহা পহিলা এপ্ৰিলৰ দিনা ৰূপালী জয়ন্তীৰ শুভ ক্ষণত ক্লাবৰ চৌহদত ক'ভিডজনিত পৰিস্থিতিৰ বাবে অনুষ্টুপীয়া কাৰ্যসূচীৰে ৰূপালী জয়ন্তী পালন কৰা হ'ব বুলি ক্লাবৰ সভাপতি ধীৰেশ দাস আৰু সম্পাদক মনোজ কুমাৰ দাসে জনাইছে।



বাহাৰঘাটত দেশজোৰা সাধাৰণ ধৰ্মঘটৰ সমৰ্থনত নিৰ্মাণ শ্ৰমিকৰ প্ৰতিবাদ।

# প্ৰধান শিক্ষক শংকৰ ভূমিজৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ২৯ মাৰ্চ ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাট অঞ্চলৰ ম'হবন্ধা চাপৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, সমাজকৰ্মী তথা আটাছৰ প্ৰাক্তন নেতা শংকৰ ভূমিজৰ (৫৭) কালি বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। ম'হবন্ধা চাহ বাগিচা নিৱাসী শিক্ষকজনৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে শেহতীয়াকৈ বৃক্কজনিত বেমাৰত আক্ৰান্ত হৈ ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছিল। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ একালৰ যোৰহাট জিলাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহক কৰিছিল। ইয়াৰ পাছতে অসম গণ পৰিষদ দলৰ দেৰগাঁও সমষ্টিৰ এগৰাকী নিষ্ঠাবান কৰ্মী আছিল।

# শিৱসাগৰৰ কন্যা তামান্নাই লাভ কৰিলে 'লিটল মিছ দিৱ অসম খিতাপ-২২'

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৯ মাৰ্চ ঃ** গুৱাহাটীৰ ছয়মাইলত অনুষ্ঠিত হোৱা এক ফেশ্বন শ্ব প্ৰতিযোগিতাত শিৱসাগৰ জেঙনীকটীয়া অঞ্চলৰ আকবৰ হুছেইন আৰু নাফিচা বেগমৰ কন্যা তামান্না হুছেইনে চূড়ান্ত প্ৰতিযোগিতাত 'লিটল মিছ দিৱা অৰ আসাম-২২' খিতাপ লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। আৰোহণ, ভৱেন্দ্ৰনাথ শইকীয়া টয়পাৰ উদ্যোগত আৰু দি প্লাছৰ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাত তামান্নাই লাভ কৰা এনে সফলতাত উৎফুল্লিত হৈছে সাংস্কৃতিক মহল। উল্লেখ্য যে শিৱসাগৰ হলীনেম স্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী তামান্নাই ইতিমধ্য বিভিন্ন প্ৰতিযোগিতাত উজ্বলি উঠাৰ লগতে কিডছৰ শাখাত মহাবাহু অসম-২২, সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় শিল্পী দিৱসত পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ হোৱাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত ১০ টাকৈ অধিক প্ৰতিযোগিতাত শ্ৰেষ্ঠ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে।

# আমি সকলো প্ৰত্যাহ্বান নেওচি জীৱনৰ শিখৰত উপনীত হ'ব লাগিব ঃ বাচেন্দ্ৰী পাল

## ■ তামুলপুৰত ভাৰতৰ প্ৰথমগৰাকী মহিলা পৰ্বত আৰোহী পদ্মশ্ৰী,পদ্মভূষণ বাচেন্দ্ৰী পাল

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ , ২৯ মাৰ্চ ঃ** 'আমি সকলো প্ৰত্যাহ্বান নেওচি জীৱনৰ শিখৰত উপনীত হ'ব লাগিব। সকলো মানুহৰে জীৱনত এটা শিখৰ থাকে। সেই শিখৰত উপনীত হ'বলৈ পৰিশ্ৰমী, সাহসী, মানসিকভাৱে শক্তিশালী আৰু উৎসাহী হ'ব লাগিব।' এই ভাষ্য প্ৰথম এভাৰেষ্ট বিজয়ী,পদ্মভূষণ, পদ্মশ্ৰী, অৰ্জুন বঁটাপ্ৰাপক ভাৰতৰ প্ৰথমগৰাকী মহিলা পৰ্বত আৰোহী বাচেন্দ্ৰী পালৰ। 'নাৰী শক্তি সৱলীকৰণ, সু-স্বাস্থ্য আৰু নৱ প্ৰজন্মক' নিজৰ লক্ষ্যত উপনীত হ'বলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰে আজি তামুলপুৰ জিলা সদৰস্থিত তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত উপস্থিত হৈ এই মন্তব্য কৰে এভাৰেষ্ট বিজয়ী বাচেন্দ্ৰী পালে। নাৰী শক্তি সৱলীকৰণৰ লক্ষ্যৰে যোৱা আঠ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱসৰ দিনা অৰুণাচলৰ ৫০৫ পইণ্টৰ পৰা লাডাখৰ টাইগাৰ হিলছলৈ প্ৰায় পাঁচ হেজাৰ কিলোমিটাৰ যাত্ৰা আৰম্ভ কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা পৰ্বত আৰোহী বাচেন্দ্ৰী পালসহ দেশৰ বিভিন্ন প্ৰান্তৰ আন ১০ গৰাকী ৫০ ঊৰ্দ্ধৰ মহিলা পৰ্বত আৰোহীৰ স'তে যাত্ৰা কালত আজি তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত পদাৰ্পণ কৰে দলটোৱে। দলটোক কেন্দ্ৰীয় বিদ্যালয়ৰ তামুলপুৰ আৰু ৰেডহৰ্ণ ডিভিজনৰ তৰফৰ পৰা



আদৰণি জনোৱা হয়। ভাৰতীয় সেনাৰ ১০৭ নম্বৰ মাউণ্টেইন ব্ৰিগেডৰ সহযোগত তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ চৌহদত উপস্থিত হোৱাত দলটোৱে তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ স'তে এক মত বিনিময় অনুষ্ঠানত ভাগ লয়। মত বিনিময় অনুষ্ঠানত জীৱনত সফল হ'বলৈ হ'লে কিদৰে আগবাঢ়ি যাব লাগিব তাৰ ওপৰতো গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে বাচেন্দ্ৰী পালে। ছাত্ৰ-ছাত্ৰীৰ স'তে হোৱা মত বিনিময়ত নিজৰ জীৱনৰ অভিজ্ঞতাৰ ওপৰতো মন্তব্য প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহী কৰি তোলে বাচেন্দ্ৰী পালে। তেওঁ পুনৰ কয়, 'শ্ৰমৰ বিকল্প নাই। ১৯৮১ৰ পৰা মই পৰ্বতাৰোহণ কৰো । পাহাৰীয়া গাঁৱলীয়া জীৱন মোৰ কাৰণে আছিল বৰ কষ্টকৰ জীৱন। কষ্টকৰ জীৱনৰ মাজেৰে মই সময় অতিবাহিত কৰি আগবাঢ়িছো। গাঁৱৰ জীৱনে মোক বহু সপোন দেখিবলৈ শিকাইছিল। সেয়ে মই বহু সপোন দেখিছিলো।' জীৱনত এশ শতাংশ শক্তিৰে কাম কৰি জীৱনৰ সফলতাৰ দিশে আগবাঢ়ি যাবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। তেওঁ এগৰাকী ছাত্ৰীৰ উত্তৰত কয়, 'হবি কি মই গাঁৱত বুজি পোৱা নাছিলো। মই কেৱল খেলা খেলিছিলো। গাঁৱৰ ওচৰত এছএছবি আৰু সেনাই মহিলাসকলক আত্মৰক্ষাৰ বাবে দিয়া প্ৰশিক্ষণত মই সাহসেৰে গৈ প্ৰশিক্ষণ গ্ৰহণ কৰিছিলো। আনকি এভাৰেষ্ট জয় কৰাৰ সময়ত মই মোৰ গাঁৱৰ পৰা ওলাই যোৱাটোৱে মোৰ বৰ কঠিন কাম আছিল। কিয়নো মই ছোৱালী আছিলো। আজি দেশে মোক বহু মৰম দিছে, বহু সন্মান দিছে। সেয়ে মোৰ দেশৰ প্ৰতি দায়িত্ব বাঢ়িছে। মই দেশৰ হৈ সমাজৰ হৈ কাম কৰিবলৈ ওলাই আহিছো। টাটাই মোক কৰ্মসংস্থাপন দিছে। সেয়ে টাটাৰ সহযোগত কাম কৰি গৈ আছো। নাৰীসকলৰ মাজত সবলীকৰণৰ কাৰণে মই সহপাঠীৰ স'তে যাত্ৰা আৰম্ভ কৰিছো।' আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বিদ্যালয় তামুলপুৰৰ অধ্যক্ষ গুৰুপদ তালুকদাৰৰ লগতে ১০৭ মাউন্টেইন ব্ৰিগেডৰ উচ্চ পদস্থ সেনা বিষয়াসকলে ফুলৰ থোপা আৰু গামোচাৰে আদৰণি জনায় বাচেন্দ্ৰী পাল আৰু সতীৰ্থ বৃন্দক।

# ফৰকাটিঙত জয়মতী দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২৯ মাৰ্চ ঃ** গোলাঘাট দিলাৰ ফৰকাটিং প্ৰগতি মহিলা সমিতিৰ উদ্যোগত অহা তিনি এপ্ৰিলত ফৰকাটিং অমৰজ্যোতি ক্লাবত জয়মতী দিৱস আয়োজন কৰা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা পতাকা উত্তোলন কৰিব প্ৰাক্তন শিক্ষয়িত্ৰী ভনী শইকীয়াই। ছহিদ বেদী উন্মোচন কৰিব প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী প্ৰমিলা চুতীয়াই। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা, মহিলাসকলৰ মাজত 'জয়মতী আত্ম বলিদান' শীৰ্ষক বক্তৃতা প্ৰতিযোগিতা আৰু সংগীত চকী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি সমাজসেৱিকা ভাৰতী বৰুৱাৰ পৌৰোহিত্যত মুকলি সভা অনুষ্ঠিত হ'ব। সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব প্ৰাক্তন অধ্যাপিকা ড° লুকুমণি গোস্বামী আৰু নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়া, ফৰকাটিং ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ অধ্যক্ষা ড° মনীষা বৰুৱা, সাংবাদিক পেঞ্চনাৰ দুগ্ধ দত্ত, গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰৱক্তা ড° যতীন নাথ আদিয়ে উদ্যোক্তাসকলে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

# নাট্যপ্ৰয়াস কালচাৰেল অৰ্গেনাইজেচন, বৰভাগৰ নাট সমাৰোহ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৯ মাৰ্চ ঃ** নলবাৰী জিলাৰ বৰভাগৰ নৱগঠিত সংস্থা নাট্যপ্ৰয়াস কালচাৰেল অৰ্গেনাইজেচনৰ উদ্যোগত যোৱা ২৭ মাৰ্চত বিশ্ব থিয়েটাৰ দিৱসৰ স'তে সংগতি ৰাখি নাট্য সন্ধিয়া অনুষ্ঠিত হয়। দ্বিতীয় বৰ্ষৰ নিবেদন হিচাপে অনুষ্ঠিত অনুষ্ঠানটোত তিনিখনকৈ নাট মঞ্চস্থ কৰা হয়। শংকৰদেৱ সাংস্কৃতিক কলাকেন্দ্ৰ, বাইহাটা চাৰিআলিয়ে বেণুধৰ পাটোৱাৰীৰ ৰচনা পৰিচালনাত মঞ্চস্থ কৰে 'জিৰণি', ৰংগতীৰ্থ নলবাৰীয়ে মঞ্চস্থ কৰে ধ্ৰুৱ বৰ্মনৰ ৰচনা পৰিচালনাত 'দেখা কথা শুনা কথা' আৰু নাট্যপ্ৰয়াস বৰভাগৰ শিশু শিল্পীসকলে মঞ্চস্থ কৰে দেৱব্ৰত মহন্তৰ ৰচনা আৰু কৰেন বেজবৰুৱাৰ পৰিচালনাত 'টিম ৱৰ্ক'। নাট্য সন্ধিয়াটিৰ উদ্বোধন কৰে এমট্ৰনৰ উপাধ্যক্ষ দিনমনি ভাণ্ডাৰ কায়স্থই। অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে বৰভাগ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সমীন্দ্ৰ নাথ মহন্ত আৰু শিক্ষাবিদ ৰজত চন্দ্ৰ কলিতাই। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লুইতজ্যোতি কাকতৰ সম্পাদক অৰূপ কুমাৰ শৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, উপ সভাপতি ডাঃ বিপিন চন্দ্ৰ কলিতা, সমাজকৰ্মী সুভাষ তালুকদাৰ, বাহাৰঘাটৰ সাংবাদিক নৰেন শৰ্মা, সাংস্কৃতিক সাংবাদিক জিতু ৰায়মেধি, ষ্টাফ ৰিপ'ৰ্টাৰ খনীন শৰ্মা, শচীন নাথ ভূঞা।

### ■ দাবী মানি নল'লে সমগ্ৰ ৰাজ্যতে চাহ বাগিচাসমূহ অচল কৰি দিয়াৰ হুংকাৰ

# জনজাতিকৰণ-মাটিৰ পট্টাৰ দাবীত নাগ্ৰীজুলি চাহবাগিচাত ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৯ মাৰ্চ ঃ** ৰাজ্যৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি, চাহ জনগোষ্ঠীৰ লোকসকলক জনজাতিকৰণ আৰু মাটিৰ পট্টা প্ৰদানৰ দাবীত কালি তামুলপুৰ জিলাৰ নাগ্ৰীজুলি চাহ বাগিচাত চাহ শ্ৰমিকসকলে এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে । অসম চাহ মজদুৰ সংঘৰ আহ্বানত নাগ্ৰীজুলি চাহ মজদুৰ সংঘৰ উদ্যোগত তথা চাহ জনজাতি ছাত্ৰ সন্থাৰ নাগ্ৰীজুলি সমিতিৰ সহযোগত কালি পুৱা সাত বজাৰ পৰা আঠ বজালৈ ৰূপায়ণ কৰা একঘণ্টীয়া ধৰ্ণা কাৰ্যসুচীত শ্ৰমিকসকলে 'চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি কৰক, চাহ বাগিচাত কৰ্মৰত উপ-কৰ্মচাৰীসকলক দৰমহা বৃদ্ধি কৰক, ব'নাচ সংশোধন কৰক, শ্ৰমিকৰ পাততোলা নিৰিখিৰ হাৰ বৃদ্ধি কৰক, চাহ জনগোষ্ঠীৰ লোকসকলক মাটিৰ পট্টা প্ৰদান কৰক, মালিকপক্ষ হায় হায়, অসম চৰকাৰ হায় হায়, বিজেপি চৰকাৰ হায় হায়, আমাৰ দাবী ন্যায্য দাবী, বিজেপি চৰকাৰ মিছলীয়া' আদি শ্ল'গানেৰে নাগ্ৰীজুলি চাহ বাগিচাৰ পৰিৱেশ উত্তাল কৰি তোলে। অসম চাহ মজদুৰ সংঘৰ আহ্বানত ৰূপায়ণ কৰা ধৰ্ণা কাৰ্যসুচীত অংশগ্ৰহণ কৰি সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য অজয় কৰ্মালিয়ে কয়, 'ৰাজ্যত বসবাস কৰা চাহ শ্ৰমিকৰ বিভিন্ন দাবীসমূহৰ ভিতৰত প্ৰধান দাবী চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি, চাহ বাগিচাত কৰ্মৰত উপ-কৰ্মচাৰীসকলৰ দৰমহাৰ লগতে ব'নাছ আদায় দিয়া, জনজাতিকৰণ আৰু মাটিৰ পট্টা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দি বিগত সাত বছৰে বিজেপি চৰকাৰে তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে। বিগত সাত বছৰে বিজেপি চৰকাৰৰ এটাই ডায়লগ আমাৰ চৰকাৰ আহিলে চাহ শ্ৰমিকৰ উন্নয়নৰ হকে কাম কৰিম। কেৱল নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত চাহ শ্ৰমিকৰ মজুৰি পূৰ্বতকৈ মাত্ৰ ৫০ টকা বঢ়াই দি চাহ জনগোষ্ঠীক ললীপপ দি দায়িত্ব সামৰে। কিন্তু প্ৰায় দুশ বছৰ ধৰি অসমত বসবাস কৰা চাহ জনগোষ্ঠীৰ লোকসকলৰ আজি অৱস্থা তথৈবচ। কংগ্ৰেছ চৰকাৰৰ দীৰ্ঘদিনীয়া প্ৰতাৰণাৰ পাছত বিজেপি চৰকাৰে কেৱল নিৰ্বাচনৰ সময়ত চাহ জনজাতিৰ লোকসকলৰ বাবে দুই-এটা আঁচনি ঘোষণা কৰি ভোট বেংকৰূপে ব্যৱহাৰ কৰি আহিছে।' চাহ জনগোষ্ঠীৰ বিকাশ অবিহনে অসমৰ কেতিয়াও বিকাশ নহয় বুলি আটছাৰ নেতাজনে কয় যে চাহ জনগোষ্ঠীৰ জীৱনক লৈ কৰা ল'ৰা- ধেমালি আৰু সহ্য কৰা নহ'ব। বিজেপি চৰকাৰে চাহ জনগোষ্ঠীক কৰা প্ৰতাৰণাৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব। অহা ছেপ্টেম্বৰৰ ভিতৰত চাহ শ্ৰমিকসকলক ১১ দফীয়া দাবীসমূহ সমাধানৰ বাবে উচিত পদক্ষেপ নল'লে ৰাজ্যৰ সকলো চাহ বাগিচা অচল কৰি দিয়া হ'ব বুলিও হুংকাৰ দিয়ে আটছাৰ নেতাজনে। নাগ্ৰীজুলি চাহ বাগিচাৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা কাৰ্যসূচীত অসম চাহ মজদুৰ সংঘৰ নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ সভাপতি জীৱন তিৰ্কী, সম্পাদক আনন্দ মুণ্ডা, উপ-সভাপতি সহদেৱ বাগ, নাগ্ৰীজুলি আঞ্চলিক আটছাৰ সভাপতি প্ৰতাপ মহানন্দ, সম্পাদক ৰোহিত ঘাটোৱাৰৰ লগতে বাগিচাখনৰ তিনি শতাধিক শ্ৰমিক উপস্থিত থাকে।



# বাগ্‌সাৰ লাৱদাংগুৰিত এছএছবিৰ ৰাজহুৱা গৃহ মুকলি

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৯ মাৰ্চ ঃ** বাগ্‌সাৰ খাৰিজা বিজনীৰ লাৱদাংগুৰিত কালি বিজনীস্থিত এছএছবিৰ ৫৪ নম্বৰ বেটেলিয়নৰ দ্বাৰা ৰাইজৰ বাবে মুকলি কৰা এটা ৰাজহুৱা ভৱন উন্মোচন কৰা হয়। বিজনীৰ এছএছবিৰ ৫৪ নম্বৰ বেটেলিয়নৰ তৰফৰ পৰা ইতিপূৰ্বে লাৱদাংগুৰি বজাৰত নিৰ্মাণ কৰি উলিওৱা ৰাজহুৱা ভৱনটোৰ আজি ৰঙা ফিটা কাটি উন্মোচন কৰাৰ পাছতেই এখন সভাৰ জৰিয়তে লাৱদাংগুৰি বজাৰ কমিটীলৈ অৰ্পণ কৰা ভৱনটো। স্থানীয় ব্যৱসায়ী, ৰাইজে এছএছবিৰ এই কাৰ্যক ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে এছএছবিৰ তৰফৰ পৰা ইতিপূৰ্বে বৃহত্তৰ অঞ্চলটোত মানৱ চিকিৎসা শিবিৰ, পশু চিকিৎসা শিবিৰ, কৃষকৰ মাজত সঁজুলি বিতৰণকে ধৰি বিভিন্ন সমাজ হিতকৰ কাম কৰি আহিছে বুলি ৰাইজে মন্তব্য কৰিছে। অনুষ্ঠানটোত এছএছবিৰ বিজনী শিবিৰৰ ডিওৱাই কামাণ্ডেণ্ট অবিনাশ যাদৱ, সহকাৰী কামাণ্ডেণ্ট দীপক জয়ছোৱাল, স্থানীয় ভিচিডিচিৰ অধ্যক্ষ মনোজ স্বৰ্গীয়াৰী, লাৱদাংগুৰি বজাৰ কমিটীৰ সভাপতি ৰহিধৰ দৈমাৰী, সম্পাদক নীলাম্বৰ নাথ, গাঁওবুঢ়া ৰঞ্জন লাহাৰীকে ধৰি লাৱদাংগুৰি অঞ্চলৰ ৰাইজ।



# ২০২৩ৰ আগষ্টৰ ভিতৰত সম্পূৰ্ণ হ'ব জামুগুৰিহাটৰ চকীঘাট দলং নিৰ্মাণৰ কাম

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৯ মাৰ্চ ঃ** জামুগুৰিহাটৰ চকীঘাটত জীয়াভৰলী নদীৰ ওপৰত নিৰ্মাণ কাৰ্য চলি থকা চকীঘাট দলং নিৰ্মাণৰ কাম ২০২৩ৰ আগষ্টৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি সংসদৰ মজিয়াৰ লগতে সামাজিক মাধ্যমত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাদকাৰীয়ে ঘোষণা কৰাৰ পাছতে এতিয়া উৎফুল্লিত হৈ পৰিছে জামুগুৰিহাটৰ লগতে উত্তৰ অসমৰ ৰাইজ। কিয়নো চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ জীয়াভৰলী নদীৰ ওপৰত নিৰ্মাণ কাৰ্য চলি থকা এই দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিলে যাতায়াতৰ ক্ষেত্ৰত সূচনা হ'ব এক নতুন অধ্যায়ৰ। জামুগুৰিহাটৰ পৰা তেজপুৰলৈ বৰ্তমান ৫২ কিলোমিটাৰ দূৰত্বৰ সলনি এই দলং নিৰ্মাণ হৈ উঠিলে দূৰত্ব হ'ব মাত্ৰ ১৮ কিলোমিটাৰ আৰু বৰ্তমানৰ এক ঘণ্টাৰ সলনি তেজপুৰ পাবলৈ লাগিব মাত্ৰ ১৫ মিনিট।

### উৎফুল্লিত জামুগুৰিহাটৰ লগতে অসমৰ ৰাইজ

ইতিমধ্যে চকীঘাটৰ দলং নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবঢ়া পৰিলক্ষিত হৈছে। নিৰ্মাণকাৰী সংস্থাই দলংখনৰ নিৰ্মাণ কাৰ্য চলি থকা ২৮টা খুঁটাৰ ইতিমধ্যে ১৭টা খুঁটাৰ প্ৰায়সমূহ কাম সম্পূৰ্ণ কৰি তুলিছে। জামুগুৰিহাটৰ লগতে সমগ্ৰ উত্তৰ অসমৰ ৰাইজৰ সপোনৰ চকীঘাটৰ দলঙৰ নিৰ্মাণৰ কাম চলি থকাৰ মাজতে এতিয়া কেন্দ্ৰীয় মন্ত্ৰী নিতিন গাদকাৰীয়ে অহা বছৰৰ আগষ্টৰ ভিতৰত চকীঘাট দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিব বুলি ঘোষণা কৰাত স্বাভাৱিকতেই উত্তৰ অসমৰ ৰাইজ উৎফুল্লিত হৈ পৰা দেখা গৈছে। ইফালে, দ্ৰুতগতিত চলি থকা ১.২ কিলোমিটাৰ দৈৰ্ঘ্যৰ চকীঘাটৰ দলং নিৰ্মাণৰ কাম প্ৰত্যক্ষ কৰিবলৈ বহু লোক দৈনিক জামুগুৰিহাটৰ পশ্চিমাঞ্চলত উপস্থিত হোৱা দেখিবলৈ পোৱা যায়।

# নগৰবেৰা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ মুখপত্ৰ 'ওলগনি'ৰ বাবে লেখা আহ্বান

**আলোপতি, ২৯ মাৰ্চ ঃ** বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাত অহা ৩০ চ'ত, এক আৰু দুই ব'হাগত বৰ্ণাঢ্য কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৬৫ সংখ্যক ৰঙালী বিহু সন্মিলনৰ প্ৰস্তুতি চলিছে। সেয়ে উক্ত বিহু সন্মিলন উপলক্ষে উদ্‌যাপন সমিতিৰ সহযোগত এখন আকৰ্ষণীয় মুখপত্ৰ 'ওলগনি' প্ৰকাশ কৰাৰো যো-জা চলোৱা হৈছে। মুখপত্ৰখনৰ বাবে নগৰবেৰা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ঐতিহ্য সম্পৰ্কীয় আৰু অসমীয়া সাহিত্য-সংস্কৃতি সম্বন্ধীয় ভিন্ন ধৰ্মী লেখাসমূহ বিচৰা হৈছে। অহা সাত এপ্ৰিলৰ ভিতৰত লেখাসমূহ দীপেন্দ্ৰ পাঠ সভাপতি আৰু আবু আয়ুব আহমেদ সম্পাদক মুখপত্ৰ 'ওলগনি', সম্পাদনা সমিতি, নগৰবেৰা আঞ্চলিক ৰঙালী বিহু সন্মিলন, নগৰবেৰা, কামৰূপ (অসম) অথবা হোৱাটছএপ ৯৩৬৫০০৫৮৬২ বা ৯৮৫৯৫১১৯২৪ নম্বৰ ঠিকনাত পঠাবলৈ সকলোকে অনুৰোধ জনাইছে।

# পাঁচ-ছয় এপ্ৰিলত গঠন হ'ব বৰপেটা জিলাৰ পাঁচখন পৌৰসভা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৯ মাৰ্চ ঃ** পৌৰসভাৰ নিৰ্বাচন সুকলমে সম্পন্ন হোৱাৰ পাছত বৰপেটা জিলাৰ পাঁচখন পৌৰসভা গঠনৰ বাবে জিলা প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি, অহা পাঁচ এপ্ৰিলত হাউলী আৰু বৰপেটা ৰোড পৌৰসভাৰ নৱনিৰ্বাচিত পৰিষদসকলৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ব। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালে জাৰি কৰা জাননী অনুসৰি বৰপেটা, সৰভোগ আৰু সৰ্থেবাৰী পৌৰসভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হ'ব ছয় এপ্ৰিলত। সংশ্লিষ্ট পৌৰসভাৰ কাৰ্যালয়ৰ সভাকক্ষতে পুৱা ১০ বজাত এই বৈঠকসমূহ অনুষ্ঠিত কৰিবলৈ জাননীখনত কোৱা হৈছে। ইফালে,

### ■ সভাপতি উপ-সভাপতি নিৰ্বাচনৰ বাবে জাননী জাৰি

প্ৰতিখন পৌৰসভাৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচনৰ বাবে সুকীয়া সুকীয়াকৈ জাননী জাৰী কৰা হৈছে। সেই অনুসৰি হাউলী আৰু বৰপেটাৰোড পৌৰসভাৰ সভাপতি আৰু উপ-সভাপতি পদৰ প্ৰাৰ্থীৰ বাবে মনোনয়ন পত্ৰ অহা চাৰি এপ্ৰিলৰ বিয়লি পাঁচ বজাৰ ভিতৰত দাখিল কৰিব লাগিব। বৰপেটাৰোডৰ বাবে অতিৰিক্ত লাচিত দাসক আৰু হাউলী পৌৰসভাৰ বাবে অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠকক মনোনয়ন গ্ৰহণৰ দায়িত্ব অৰ্পণ কৰা হৈছে। একেদৰে বৰপেটাৰ বাবে অতিৰিক্ত উপায়ুক্ত খনীন্দ্ৰ দাস, সৰ্থেবাৰীৰ বাবে লখিমী দত্ত আৰু সৰভোগৰ বাবে নৱজিৎ পাঠকক দায়িত্ব দিয়া হৈছে। তাৰ বাবে অহা পাঁচ এপ্ৰিলৰ আবেলি পাঁচ বজাৰ ভিতৰত মনোনয়ন দাখিল কৰিব লাগিব। তেওঁলোকে জিলা উপায়ুক্তৰ কাৰ্যালয়ত থকা নিজ নিজ কাৰ্যালয় কক্ষত মনোনয়নপত্ৰ গ্ৰহণ কৰিব পাৰিব। আগ্ৰহী প্ৰাৰ্থীসকলে ইয়াৰ বাবে আৱশ্যকীয় মনোনয়নপত্ৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ ৰূপায়ণ আৰু উন্নয়ন শাখাৰ পৰা সংগ্ৰহ কৰিব পাৰিব বুলি জিলা প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিয়ে।

# জামুগুৰিহাট বালক আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ

### ■ মূলসুঁতিকৰণ অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৯ মাৰ্চ ঃ** অসম সৰ্বশিক্ষা অভিযান মিছনৰ অন্তৰ্গত ২০০৮তে প্ৰতিষ্ঠা হোৱা শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ 'জামুগুৰিহাট বালক আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ'ত যোৱা ২৫ মাৰ্চত ৩০ গৰাকী শিশু ছাত্ৰৰ মূলসুঁতিকৰণ অনুষ্ঠান সফলতাৰে সম্পন্ন হয়। ক'ভিডৰ বাবেই কেন্দ্ৰসমূহ দীৰ্ঘ সময় ধৰি বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত ২০১৯ৰ পৰা বৰ্তমানলৈকে প্ৰশিক্ষণৰত, পূৰ্বৰ বিদ্যালয় বহিৰ্ভূত শিশু ছাত্ৰসকলক এই অনুষ্ঠানত শৈক্ষিক মানপত্ৰৰ লগতে কিতাপ-কলম আদি উদাহৰণস্বৰূপে আগবঢ়োৱা হয়। প্ৰশিক্ষাৰ্থীসকলৰ মূলসুঁতিকৰণ অনুষ্ঠানটোত বিশেষভাৱে উপস্থিত থাকে জিলা আঁচনি বিষয়া দীপক বিশ্বাস, কনিষ্ঠ জিলা গাণনিক বিষয়া নৱাবুদ্দিন আহমেদ আৰু জিলা মানৰক্ষক বিষয়া শশী দাস। জিলা আঁচনি বিষয়া দীপক বিশ্বাসে শিশুসকলৰ অভিভাৱকসকলক উদ্দেশি যিকোনো মূল্যৰ বিনিমত শিশু ছাত্ৰসকলে নিজ অঞ্চলৰ বিদ্যালয়সমূহত অবিৰতভাৱে যেন শিক্ষা গ্ৰহণ কৰে তাৰ ওপৰত এক গঠনমূলক পৰামৰ্শ আগবঢ়ায়। জামুগুৰিহাট বালক আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ সমূহ কৰ্মীবৃন্দৰ সহযোগত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত প্ৰশিক্ষাৰ্থী ছাত্ৰসকলে সুন্দৰকৈ কোৰাচ আৰু ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰি অনুষ্ঠানটোৰ পৰিৱেশ অধিক জীপাল কৰি তোলে।

# চেপন চাহ বাগিচাত চাহ মজদুৰ সংঘৰ মহিলা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৯ মাৰ্চ ঃ** অসম চাহ মজদুৰ সংঘৰ অন্যতম সক্ৰিয় সংঘ মৰাণ শাখা চাহ মজদুৰ সংঘৰ অন্তৰ্গত চেপন চাহ বাগিচাত শ্ৰমিক মহিলাসকলৰ মাজত এখন মহিলা সমিতি গঠন কৰা হয়। যোৱা ২৭ মাৰ্চত চাহ বাগিচাখনৰ শ্ৰমিক বিনোদন কেন্দ্ৰত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ৰীতা তাঁতীক সভানেত্ৰী, দেৱনী কাৱাৰক উপ-সভানেত্ৰী, লিলিমা বাৰলাক সম্পাদিকা, বিনিতা চাউৰাক সহকাৰী সম্পাদিকা, মালবিকা চাউৰাক কোষাধ্যক্ষ হিচাপে লৈ ২৫ জনীয়া চাহ মজদুৰ মহিলা সমিতি বেৰবাৰী শাখা নামেৰে এখন সমিতি গঠন কৰা হয়। অনিতা গোৱালাৰ সভানেত্ৰিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথিৰূপে ভাগ লৈ মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে চাহ জনগোষ্ঠী সমাজৰ মহিলাসকলৰ মাজত দেখা দিয়া শিক্ষা, স্বাস্থ্য, ধৰ্মীয়, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, অন্ধবিশ্বাস দিশসমূহৰ সমস্যাবিলাক উল্লেখ কৰে আৰু সেয়া সমাধান কৰিবলৈ মহিলাসকলক আগবাঢ়ি আহিবৰ কাৰণে আহ্বান জনায়। মৰাণ শাখা চাহ মজদুৰ সংঘৰ সহকাৰী সম্পাদক প্ৰমোদ সিং তাঁতীয়ে আঁত ধৰা অনুষ্ঠানত মনোজ তাঁতী, ৰতন মিৰ্ধা, অনিমা কৰ্মকাৰ, ৰুকমিনি আনচাৰীকে মুখ্য কৰি কে'বাজনো ব্যক্তিয়ে পৰামৰ্শ আগবঢ়ায়।





*সৰুপথাৰত জয়া দিৱস উদ্‌যাপনৰ দৃশ্য।*

# নলবাৰীত ছয় কৃতী শিক্ষকক প্ৰাক্তন ছাত্ৰীৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৯ মাৰ্চ ঃ** নলবাৰী জিলাৰ এলেংগীদলত আজি ছয় গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক দধিৰাম ডেকা, ধীৰেন্দ্ৰ নাথ শৰ্মা, হেমচন্দ্ৰ বৈশ্য, নীলিমা দেৱী, কামিনী চৌধুৰী, লীলাৱতী কলিতাক এক অনুষ্ঠানত তেওঁলোকৰ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰীসকলে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনাত গামোচা, চেলেং চাদৰ, হাতেৰে বনোৱা ফটো, ফ্লাস্ক, হিন্দু ধৰ্মৰ অন্যতম গ্ৰন্থ গীতা প্ৰদান কৰে। তদুপলক্ষে দীপাঞ্জলি দত্তৰ সঞ্চালনাত শিক্ষক, ছাত্ৰীৰ মাজত এখন অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰী হীৰা দেৱীয়ে আঁত ধৰা অনুষ্ঠানত সেউজী সাহিত্য কাননৰ সভাপতি হিতেশ বৈশ্য, মূল উদ্যোক্তা তথা প্ৰাক্তন ছাত্ৰী হীৰামণি দেৱী, হিমানী দেৱী, প্ৰাক্তন ছাত্ৰী অঞ্জুৰাণী বৈশ্য, ছাত্ৰী নীলিমা চক্ৰৱৰ্তী, মীৰা দেৱী, কল্পনা বৈশ্য, গিতি দেৱী, সাংবাদিক প্ৰাঞ্জল শৰ্মাসহ মুঠ ৫২ গৰাকী ছাত্ৰী, শুভাকাংক্ষী উপস্থিত থাকে। অনুষ্ঠানত কল্পনা বৈশ্যই আৰম্ভণি গীত, অঞ্জুৰাণী বৈশ্যই হোলী গীত, হীৰামণী দেৱী আৰু ৰীণা দেৱীয়ে তেওঁলোকে পঢ়া বিদ্যালয়খনকলৈ লিখা গীত, হিমানী দেৱী নাটকৰ সংলাপ পৰিৱেশন আৰু দিপ্তী ডেকাই এটি গীত, অনিমা মিশ্ৰই হাস্যব্যংগ গীত পৰিৱেশন কৰি সমবেতসকলক মুগ্ধ কৰে। শেষত সম্বৰ্ধিত শিক্ষকসকলে ছাত্ৰীসকলৰ এনে প্ৰচেষ্টাই জীৱন উদ্‌যাপনত প্ৰেৰণা দিয়া বুলি ব্যক্ত কৰে। জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি হয়।

# হাফলুটিং কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৯ মাৰ্চ ঃ** বৃহত্তৰ হাফলুটিং কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ এখন গুৰুত্বপূৰ্ণ ৰাজহুৱা সভা যোৱা ২৭ মাৰ্চত হাফলুটিং বৰনামঘৰৰ সভাগৃহত অনুষ্ঠিত হয়। বহু সংখ্যক ব্যক্তি তথা যুৱকৰ উপস্থিতিত অনুষ্ঠিত সভাত হাফলুটিং কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ পূৰ্বৰ সভাপতি জগদীশ গগৈৰ নেতৃত্বাধীন সমিতিখন সৰ্বসন্মতিক্ৰমে বাহাল ৰখাৰ উপৰি আন এখন উদ্‌যাপন সমিতি গঠন কৰে। তদুপৰি আগন্তুক ২০২২ৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনখন সফলতাৰে অনুষ্ঠিত কৰিবৰ বাবে শিক্ষক অজিত নাথক সভাপতি, সাংস্কৃতিক কৰ্মী নৰেশ গগৈক কাৰ্যকৰী সভাপতি, সমাজকৰ্মী যোগেন নাথ, হেমন্ত খনিকৰক উপ-সভাপতি, নয়নজ্যোতি শইকীয়াক মুখ্য সম্পাদক, জিতু লাহন, বাস্পক খনিকৰ, গৌৰীশংকৰ নাথ আৰু পলাশ গগৈক সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰে।

# ভূপতি চন্দ্ৰ ডেকা সোঁৱৰণী বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৯ মাৰ্চ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত চেমিনাৰ কক্ষত কালি পঞ্চম বাৰ্ষিক ভূপতি চন্দ্ৰ ডেকা সোঁৱৰণী বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। 'শ্ৰী নিৱাস ৰামানুজন আৰু তেওঁৰ গণিতলৈ অৱদান' শীৰ্ষক বক্তৃতা অনুষ্ঠানত মুখ্য বক্তা হিচাপে অধ্যাপক নয়নদীপ বৰুৱাই অংশগ্ৰহণ কৰি কালজয়ী গণিতজ্ঞাগৰাকীৰ অৱদানৰ বিষয়ে সবিশেষ আলোকপাত কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আতাউৰ ৰহমানে

### ■ মেধাৱী ছাত্ৰ দীপজ্যোতি কলিতাক পুৰস্কাৰ প্ৰদান

সঞ্চালনা কৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে বিশ্ববিদ্যালয়খনৰ জিঅ'লজী বিভাগৰ অধ্যাপক ভাগৱত প্ৰাণ দুৱৰাই। উক্ত অনুষ্ঠানতে ২০২১-২০২২ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পৰীক্ষাত গণিত বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানপ্ৰাপ্ত ছাত্ৰ দ্বীপজ্যোতি কলিতাক নগদ ধন আৰু প্ৰমাণ পত্ৰৰে পুৰস্কৃত কৰে। মেধাৱী ছাত্ৰজন নলবাৰী জিলাৰ বড়িদতৰা গাঁৱৰ বাসিন্দা তথা ঘগ্ৰাপাৰস্থিত বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতা আৰু পাৰ্বতী কলিতাৰ পুত্ৰ।মেধাৱী ছাত্ৰজনৰ এনে সফলতাই অঞ্চলক ৰাইজক অনন্দিত কৰি তুলিছে।

# চাৰি বছৰে তলাবন্ধ দলগোমা সমবায় সমিতিৰ কাৰ্যালয়-গুদাম গৃহ মুকলি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ মাৰ্চ ঃ** বিগত চাৰি বছৰে তলাবন্ধ থকা পূব গোৱালপাৰাৰ দলগোমা সমবায় সমিতিৰ কাৰ্যালয় আৰু গুদাম গৃহ যোৱা ২৭ মাৰ্চত মুকলি কৰা হয়। উল্লেখ্য যে বিগত সময়ত মাটিয়াত ঘৰ ভাড়া লৈ সমবায় সমিতিৰ কাৰ্যালয় আৰু গুদাম গৃহ চলি আছিল। অৱশেষত প্ৰায় চাৰি বছৰৰ অন্তত কালি সমবায় সমিতিৰ নতুন কমিটী আৰু প্ৰাক্তন বিধায়ক জ্যোতিষ দাসৰ উদ্যোগত সমিতিখনৰ স্থায়ী কাৰ্যালয় আৰু গুদাম গৃহটোৰ তলা খুলি মোকলাই সমিতিখনৰ প্ৰাক্তন সম্পাদকজনে।

# গোৱালপাৰা সাহিত্য সভা আৰু লেখিকা সমাৰোহৰ উদ্যোগত সম্বৰ্ধনা সভা

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ মাৰ্চ ঃ** গোৱালপাৰা সাহিত্য সভা আৰু লেখিকা সমাৰোহ সমিতি গোৱালপাৰা শাখাই যুটীয়াভাৱে আয়োজন কৰা ২০২২ৰ শিল্পী দিৱসৰ আধাৰুৱা সভাখন যোৱা ২৭ মাৰ্চত পুনৰ অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অকল শিল্পীগৰাকীৰ প্ৰতি মাল্যাৰ্পণ কৰি সামৰি ৰখা হৈছিল। গোৱালপাৰা সাহিত্য সভাৰ সভাপতি ড° সিদ্ধিনাথ শৰ্মাৰ পৌৰোহিত্যত গোৱালপাৰা চহৰৰ অসম ক্লাবত অনুষ্ঠিত সভাৰ আৰম্ভণিতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি প্ৰদান কাৰ্যসূচী আৰম্ভ কৰে প্ৰাক্তন বিধায়ক দুলাল চন্দ্ৰ ঘোষে। গোৱালপাৰা সাহিত্য সভাৰ সম্পাদক চিত্তৰঞ্জন কলিতাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। উক্ত সভাত নিৰ্দিষ্ট বক্ত হিচাপে মহাবিদ্যালয়ৰ অধ্যাপক শৈলেনজিৎ শৰ্মাই ভাষণ দিয়ে। লেখিকা সমাৰোহৰ গোৱালপাৰা জিলা সমিতিৰ সভানেত্ৰী গীতা দাস, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ছজিমুদ্দিন আহমেদ আদি কৰি ভালেসংখ্যক লোক উপস্থিত থকা সভাখনত গোৱালপাৰাৰ প্ৰথম গৰাকী অসম চৰকাৰৰ সাংবাদিক পেঞ্চন প্ৰাপ্ত নৰেশ দাস কলিতা, অসম চৰকাৰৰ শিল্পী পেঞ্চনপ্ৰাপ্ত মহেশ চৌধুৰী, সাহিত্যিক পেঞ্চন প্ৰাপ্ত দিলীপ কুমাৰ শৰ্মা আৰু গোৱালপাৰাৰ লোকগীতৰ বিশিষ্টা শিল্পী জৰা চক্ৰৱৰ্তীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

# আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আমছুৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস চিৰাঙৰ তুলসীঝোৰাত

**অগ্ৰদূত বাৰ্তা,**

**কাজলগাঁও, ২৯ মাৰ্চ ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস ৩০ আৰু ৩১ মাৰ্চ দুদিনীয়া কাৰ্যসূচীৰে চিৰাঙৰ তুলসীঝোৰা আই নৈৰ পাৰত অনুষ্ঠিত হ'ব। অসমৰ নিপীড়িত, নিৰ্যাতিত, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু জনসাধাৰণৰ জাতীয় সংগঠন আমছুৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস কাইলৈৰ পৰা চিৰাং জিলাৰ তুলসীঝোৰা হাগ্ৰামা দলঙৰ সমীপত আয়োজন কৰা হৈছে। ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশৰ জাতীয় সংগঠন হিচাপে আমছুয়ে জন্মলগ্নৰে পৰা অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত থকা ভুল বুজাবুজি আঁতৰাই মিলাপ্ৰীতি, ভ্ৰাতৃত্ববোধ আৰু সমন্বয়ৰ এনাজৰীডাল সুদৃঢ় কৰিবলৈ অহোপুৰুষাৰ্থ কৰাৰ উপৰি নিপীড়িত - নিৰ্যাতিসকলৰ হকে সৰ্বক্ষণ সংগ্ৰাম অব্যাহত ৰাখিছে। আমছুৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজক সমিতিৰ সভাপতি মফিদুল আলমে জনায় প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি, ৩০ মাৰ্চৰ পুৱা সাত বজাত ঘৰে ঘৰে শিক্ষা, তেতিয়াহে ৰক্ষা আৰু বাল্যবিবাহ বন্ধ কৰাৰ বাবে সজাগতামুলক পদযাত্ৰা, আঠ বজাত আমছুৰ পতাকা উত্তোলন, ৮.৩০ বজাত ছহিদক স্মৰণ আৰু পুৱা, ন বজাত গছপুলি ৰোপণ, ৯.৩০ বজাত শিক্ষামূলক আলোচনাচক্ৰ, ১০ বজাত অসম ভিত্তিত মুকলি তৰ্ক প্ৰতিযোগিতা, ১১ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, ১২ বজাত স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান, এক বজাত অসম ভিত্তিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৩১ মাৰ্চত পুৱা সাত বজাত ছাফাই অভিযান, আঠ বজাত বিভিন্ন ক্ৰীড়া, ১০ বজাত ন-পুৰণি সতীৰ্থ সন্মিলন, এক বজাত মুকলি সভা অনুষ্ঠিত হ'ব আমছুৰ সভাপতি ৰেজাউল কৰিম চৰকাৰৰ সভাপতিত্বত। মুকলি সভাত প্ৰতিষ্ঠা দিৱসৰ স্মৃতিগ্ৰন্থ উন্মোচন হ'ব। মুকলি সভাত মুখ্য অতিথিৰূপে থাকিব ত্ৰিপুৰাৰ মহাৰাজ প্ৰদ্যুৎ বিক্ৰম মাণিক্য দেৱ বাৰ্মা। বিশিষ্ট অতিথিৰ আসনত থাকিব বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিশেষ সন্মানীয় অতিথি আমছুৰ প্ৰতিষ্ঠাপক সভাপতি আব্দুল হাই নাগৰি। সন্মানীয় অতিথিৰূপে থাকিব আমছুৰ প্ৰাক্তন সভাপতিসকল। আমছুৰ সভাপতি ৰেজাউল কৰিম চৰকাৰে ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ প্ৰতিটো কাৰ্যসূচীত সকলো জাতি-জনগোষ্ঠী নিৰ্বিশেষে অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনাইছে।


# ১৫ এপ্ৰিলত বিহপুৰীয়াত আছুৰ ৰঙালী বিহু আদৰণি-২০২২

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৯ মাৰ্চ ঃ** বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাই অহা ১৫ এপ্ৰিলত দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু আদৰণি-২০২২ অনুষ্ঠান উলহ-মালহেৰে অনুষ্ঠিত কৰিবৰ বাবে ব্যাপক আয়োজন কৰিছে। ইতিমধ্যে ভাস্কৰ দেউৰীক সভাপতি, কুলদ্বীপ শইকীয়াক কাৰ্যকৰী সভাপতি, বিকাশ গগৈ, লক্ষ্যমণি শৰ্মা, পুলক উপাধ্যায়ক উপ-সভাপতি, যুগল মেধি, হীৰক ৰক্তিম বৰাক যুটীয়া সম্পাদক আৰু কাকু গগৈ, খনিন্দ্ৰ মাধৱ ভূঞা আৰু বিকাশ শইকীয়াক সহকাৰী সম্পাদক হিচাপে লৈ গঠিত উদ্‌যাপন সমিতিয়ে বিহু উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল দেউৰীৰ দ্বাৰা আছুৰ পতাকা উত্তোলন, উদ্‌যাপন সমিতিৰ সভাপতিৰ দ্বাৰা বিহুৰ পতাকা উত্তোলন, বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক হীৰকজ্যোতি বৰুৱাৰ দ্বাৰা ছহিদ তৰ্পণ আৰু বিহপুৰীয়া খণ্ড বন বিষয়া খনীন্দ্ৰ সন্দিকৈৰ দ্বাৰা গছপুলি ৰোপণ কৰা হ'ব। দুপৰীয়া বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য কুমাৰ হাজৰিকাৰ সভাপতিত্বত বয়োজ্যেষ্ঠসকলক সম্বৰ্ধনা আৰু আশীৰ্বাদ গ্ৰহণ আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ দলীয় বিহু প্ৰদৰ্শন অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠান উদ্বোধন কৰিব উত্তৰ লখিমপুৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি জ্যোতিৰ্ময় হাজৰিকাই। সন্ধিয়া বিহপুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰাৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু বিহপুৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জয়প্ৰকাশ মহন্তৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰা হ'ব। সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠশিল্পী মীৰ দ্বীপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত সকলো ৰাইজৰ সহায়-সহযোগিতা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।



# বিখ্যাত লোকৰ কাহিনী
## ব্যৰ্থতাৰ পৰা শিক্ষা



**সাহিত্যৰ** ন'বেল বঁটা লাভ কৰিছিল বিশ্ববিখ্যাত সাহিত্যিক আৰ্ণেষ্ট হেমিংৱেই। শৈশৱত হেমিংৱে অতিশয় ধেমেলীয়া আৰু উৎপতীয়া স্বভাৱৰ আছিল। অৱশ্যে পঢ়া-শুনাতো আছিল সমানেই মেধাৱী। তেওঁৰ কল্পনাশক্তিও আছিল অতি প্ৰখৰ। এদিন তেওঁলোকৰ শ্ৰেণীৰ এজন শিক্ষকে সকলোকে নিজে সজা কাহিনী লিখিবলৈ দিলে। তেনে কাহিনী লিখিবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এমাহ সময় দিলে। কিন্তু হেমিংৱেই ভাবিলে, এটা কাহিনী লিখিবলৈ এমাহৰ কি দৰকাৰ! এঘণ্টাৰ ভিতৰতে দেখোন লিখিব পাৰি! সেয়ে তেওঁ পাছত লিখিম বুলি থৈ দিলে।

দিনবোৰ পাৰ হৈ থাকিল আৰু হেমিংৱেও খেলা-ধূলাতে মগ্ন হৈ ৰ'ল। বায়েকে তেওঁক কে'বাবাৰো কাহিনীটো লিখিবলৈ সকীয়াই দিছিল। কিন্তু প্ৰতিবাৰেই হেমিংৱেই উত্তৰ দিছিল যে তেওঁ এঘণ্টাৰ ভিতৰতে কাহিনী লিখি শেষ কৰিব। কাহিনী জমা দিবলগীয়া দিনটোৰ আগনিশাও বায়েকে তেওঁক মনত পেলাই দিলে। কিন্তু সেইসময়ত হেমিংৱেৰ টোপনি ধৰিছিল। 'পুৱা শুই উঠি লিখিম' বুলি মনতে ঠিক কৰি লৈ তেওঁ শুই থাকিল। সেইদৰেই তেওঁ পুৱা শুই উঠি ততাতৈয়াকৈ লিখিবলৈ আৰম্ভ কৰিলে। সোনকালেই তেওঁ কাহিনী লিখি সম্পূৰ্ণও কৰিলে, কিন্তু নিজেই সন্তুষ্ট হ'ব নোৱাৰিলে।

হেমিংৱেৰ ধাৰণা হ'ল যে কাহিনীটোত ভাষা আৰু বাক্য গাঁথনিৰ শুধৰণিৰ প্ৰয়োজন আছে। কিন্তু সময়ৰ অভাৱত তেওঁ ইচ্ছা থকা সত্ত্বেও কাহিনীটো ঠিকঠাক কৰিব নোৱাৰিলে। সেয়ে অনিচ্ছাসত্ত্বেও শুধৰণি নকৰাকৈয়ে তেওঁ গল্পটো শিক্ষকৰ হাতত জমা দিলেগৈ। নিশ্চিতভাৱেই সুন্দৰ কাহিনীৰ বাবে আন এজন ছাত্ৰই পুৰস্কাৰ পালে। হেমিংৱেই যেতিয়া নিৰাশমনেৰে ঘৰলৈ উভতি আহিল, তেতিয়া তেওঁৰ বায়েকে ক'লে, 'সকলো কাম শেষ সময়লৈ এৰি থোৱাৰ অভ্যাসৰ বাবেই তুমি সেই পুৰস্কাৰ নাপালা। এই ব্যৰ্থতাৰ পৰা শিক্ষা লোৱা আৰু সকলো কাম সঠিক সময়ত কৰাৰ অভ্যাস গঢ়ি তোলা।' হেমিংৱেই বায়েকৰ সেই উপদেশক নিজৰ আদৰ্শ হিচাপে গ্ৰহণ কৰিলে। সেই শিক্ষাই আৰ্ণেষ্ট হেমিংৱেক এসময়ত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ গল্পকাৰত পৰিগণিত কৰিলে।

## কেতবোৰ বিশেষ তথ্য




- ⇨ প্ৰথম ভাৰতীয় ডাক টিকট ১৮৫৪ৰ জুলাইত কলকাতাৰ নোট ছপাশালত ছপা কৰা হৈছিল।
- ⇨ টেঙা মৌ একমাত্ৰ ব্ৰাজিলৰ জংঘলত পোৱা যায়।
- ⇨ ছৌদি আৰব বিশ্বৰ একমাত্ৰ দেশ, য'ত এখনো নদী নাই।
- ⇨ শাখাৰ দিশৰ পৰা বিশ্বৰ সবাতোকৈ বৃহৎ বেংক হ'ল ভাৰতীয় ষ্টেট বেংক।
- ⇨ বিশ্বত মুঠ ২১২ খন দেশ আছে।
- ⇨ আয়ৰণ অ'াইডক 'নকল সোণ' বুলি কোৱা হয়।
- ⇨ বাল্বৰ ফিলামেণ্ট টংগষ্টেন ধাতুৰে নিৰ্মাণ কৰা হয়।
- ⇨ 'ওঁম জয় জগদীশ' ৰচনা কৰিছিল পণ্ডিত শ্ৰদ্ধানন্দ ফিল্ল'ৰীয়ে।
- ⇨ দেওবাৰৰ ছুটীৰ দিন ১৮৪৩ৰ পৰা আৰম্ভ হয়।

## গাখীৰ উতলি পৰাৰ কাৰণ



**ঘৰত** নিশ্চয় প্ৰায়েই দেখা যে গাখীৰ উতলাই থকা অৱস্থাত হঠাতে ওফন্দি উঠি বাচনৰ পৰা ওলাই পৰে। কিন্তু কিয় সেইদৰে ওলাই পৰে, সেই কথা সততে ভাবি চোৱা নাযায়। অথচ কিয় তেনে হয় জানানে? গাখীৰ যেতিয়া গৰম কৰা হয়, তেতিয়া গাখীৰৰ পৰা প্ৰ'টিন আৰু ফেট আঁতৰি যায়। পাতল হোৱাৰ বাবে প্ৰ'টিন আৰু ফেটে গাখীৰৰ পৰা ওলাই ওপৰ ভাগত এটা তৰপৰ সৃষ্টি কৰে। সেই তৰপকে আমি সৰ বুলি কওঁ। গাখীৰত পানীৰ মাত্ৰা বেছি। গৰম হ'লে সেই পানী ভাপলৈ ৰূপান্তৰিত হয়। সেই ভাপ ওপৰলৈ উঠি আহে যদিও গাখীৰৰ ওপৰত চামনি বন্ধা সৰৰ বাবে ওলাই যাব নোৱাৰে। তেতিয়াই সেই ভাপে সৰৰ চামনিত খুন্দা মাৰিবলৈ আৰম্ভ কৰে। সেই সময়তে যদি গাখীৰখিনি জুইৰ পৰা নমাই থোৱা নহয় আৰু সৰত খুন্দা মৰা অব্যাহত থাকে; তেতিয়া ভাপখিনি এটা সময়ত তীব্ৰ গতিৰে ওপৰলৈ উঠি যায়। ফলত গাখীৰ ওফন্দি পাত্ৰটোৰ পৰা ওলাই পৰে।



*ভাৰ্গৱজ্যোতি শইকীয়া, পঞ্চম শ্ৰেণী, ৪ নম্বৰ ৱাৰ্ড প্ৰাথমিক স্কুল।*



*নিবিৰ পৰাশৰ, চতুৰ্থ শ্ৰেণী, পায়'নিয়াৰ একাডেমী পুঠিমাৰী।*

## চিলা চিলা মন



**আজি** কেইদিনমানৰ পৰা আমাৰ মনত অলপ দুখ। দুখ মানে বিশেষ ডাঙৰ দুখ নহয়। মানে এসপ্তাহ মানৰ পৰা মাকক বৰকৈ কুটুৰি আছে, তাক এশ টকা দিবলৈ। মাকে কথাটোত অলপো গুৰুত্বই দিয়া নাই। অকল গুৰুত্ব নিদিয়াই নহয় এবাৰলৈ সোধাও নাই। 'কিয় লাগে মন?' বুলিও। আগতে মনে কিবা ক'লেই মাক ব্যস্ত হৈ পৰে। এতিয়া মাকৰ কামৰ পৰা আহৰিয়েই নাই। অফিচৰো বহুত কাম। লাহে-লাহে ভায়েক আৰু সিও অলপ-অলপকৈ ডাঙৰ হৈছে। তাতে তাক পঢ়ুৱাবও লাগে মাকে। তথাপিও মনে ভাবে,' মায়ে এবাৰ সুধিলেও মোৰ দুখতো পাতলিলে হয়।' পিছে মনৰ মনৰ কথা মনতে আছে এসপ্তাহ ধৰি।

আজি দেওবাৰ। মাক ঘৰতে আছে। মনে ৰাতিপুৱা চোতালতে খেলি আছিলে। সি সাহস কৰি মাকক কথাটো আকৌ ক'লে, 'মা, এশটকা এটা দিবানে? প্লিজ মা'.. মনে বৰ আশাৰে মাকৰ মুখলৈ চালে।

'ইমান সৰু ল'ৰা। ইমান পইচা কিয় লাগে মন?'

'পইচা নহয় মা, এশ টকা লাগে। এশ পইচা মানে এটকাত মই বাৰু কি পাম বাৰুমা?'

'বাপৰে! তোমাক এশ টকা লাগে। পইচা এশ পইচাই তোমাৰ বাবে বেছি। তুমি আকৌ এশ টকাৰ কথা কৈছা?'

'মা'..বুলি কৈ মনে কান্দিবলৈ ধৰিলে।

মনৰ চকুত চকুপানী দেখি মাকৰ মন কুমলিল। মৰমেৰে কোলাত লৈ তেওঁ মনক সুধিলে,' তোমাক এশ টকা কিয় লাগে কোৱাচোন বাবা?'

'মা, তুমিয়েইচোন কৈছিলা ফাগুনত মানে ফাগুনৰ প্ৰথম বুধবাৰত মিচিংসকলে 'আলি আয়েঃ লৃগাং' উৎসৱ পালন কৰে বুলি।'

'অ', পিছে 'আলি আয়েঃ লৃগাং' হৈ গ'ল দেখোন।'

'মোক লৃগাঙৰ বাবে নহয়, ফাগুনৰ বাবেহে এশ টকা লাগে মা।'


'ফাগুন কোন বাবা? তোমাৰ কোনোবা বন্ধু নেকি? তাৰ বাবে আকৌ এশ টকা কিয় লাগে?'— মাকে হাঁহি হাঁহি কথাটো ক'লে। 'মা, তুমি আকৌ ধেমালি কৰিছা তাৰমানে? ফাগুন মোৰ লগৰ ল'ৰা নহয় মা, ফাগুন মানে আমাৰ অসমীয়া মাহ 'ফাগুন'ৰ কথা কৈছো। মা, তুমি যোৱা বছৰেই কৈছিলা, 'অহা বছৰ ফাগুনত তুমি চিলা উৰুৱা দেই মন। এই বছৰ কৰ'নাৰ বাবে তোমাক ওলাই যাবলৈ দিবলৈকে ভয়। এতিয়া পাহৰিছা ন। তোমাৰ কষ্ট মই বুজিছো মা। সেইবাবে মই এখন কিনি আনিম বুলি ভাবিছিলো, কণ খুৰাৰ লগত বজাৰলৈ গৈ। মই কণ খুৰাকো কৈছিলো কথাটো। খুৰাই তুমি অনুমতি আৰু এশ টকাটো দিলেহে কিনি দিব বুলি কৈছে, মা'।

'অ' কণ খুৰাই ঠিক কথাই কৈছে মন। আচলতে মাক-দেউতাকে নজনাকৈ যে এটা খোজো দিব নালাগে সেই কথাটোকে কণ খুৰাই তোমাক বুজাব খুজিছে।

আৰু বাবা অ' কি ক'ম নো মোৰ ব্যস্ততাৰ কথা। তোমালোকৰ লগত সময় পাৰ কৰিবলৈ পালে আমাৰো ভালেই লাগে। দেউতা সদায় ৰাতি আঠটামানত পায়হি। মই পাওঁহি আবেলি। তাৰ পাছত তোমালোকৰ পঢ়া-শুনাও চাব লাগে। বাকীবোৰ কথাটো থাকেই। আজি দেওবাৰ বাবে মনটো ভাল লাগি আছে। ক্ৰমাশঃ

**গায়ত্ৰী দেৱী বৰঠাকুৰ**

## সূৰুযৰ বতৰা



**সূৰুয,** সূৰ্য, আদিত্য, দিনকৰ, দিবাকৰ, ভাস্কৰ, অৰুণ, তপন বা বেলি, আমি অনেক নামেৰেই জানো আমাৰ সৌৰজগতৰ একমাত্ৰ তথা পৃথিৱীৰ একেবাৰে ওচৰত থকা নক্ষত্ৰটোক। নক্ষত্ৰ মানে তৰা। নিশাৰ আকাশত আমি দেখা পোৱা তৰাবোৰ একো একোটা বিশাল নক্ষত্ৰ। এই সূৰ্যৰ বাবেই আমাৰ পৃথিৱীত প্ৰাণীয়ে বাস কৰিবলৈ সক্ষম হৈছে। পুৱা পূৱ দিশত উদয় হোৱাৰ পাছত গধূলি পশ্চিমফালে অস্ত যোৱা এই বেলি বা সূৰ্যটোক কেন্দ্ৰ কৰি অনেক প্ৰবাদ, কাহিনী বা কিংবদন্তি আছে। ভাৰতৰ পুৰণি শাস্ত্ৰত সূৰ্যক পোহৰৰ দেৱতা আখ্যা দিয়া হৈছে। তোমালোকৰ বাৰু সূৰ্যটোৰ বিষয়ে জানিবলৈ মন নাযায়নে?

সূৰ্য হৈছে প্ৰকৃততে এটা অতি তপত গেছৰ বাষ্পপিণ্ড। ইয়াৰ ব্যাস প্ৰায় ১৩,৮৪,০০০ বৰ্গ কিলোমিটাৰ (পৃথিৱীৰ ১০৯ গুণ)। সূৰ্যক অনন্ত মহাশূন্যত ভাহি থকা এক সুবিশাল জ্বলন্ত গেছীয় পিণ্ড বুলিও ক'ব পাৰি। ইয়াৰ বয়স ৪৫০ কোটি বছৰ বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে। সূৰ্যটো গঠিত হৈছে ৯০ শতাংশ হাইড্ৰ'জেন, আঠ শতাংশ হিলিয়াম আৰু মাত্ৰ দুই শতাংশ আন গধূৰ মৌলৰে। অভ্যন্তৰত থকা হাইড্ৰ'জেন ভাগ প্ৰচণ্ড তাপ আৰু চাপৰ ফলত হিলিয়ামলৈ ৰূপান্তৰিত হয় আৰু এই বিক্ৰিয়াই সূৰ্যক বিপুল শক্তিৰ অধিকাৰী কৰি তুলিছে। আমাৰ পৃথিৱীৰ পৰা সূৰ্যৰ দূৰত্ব প্ৰায় ১৫ কোটি কিলোমিটাৰ।

সৌৰজগতৰ আন আন গ্ৰহৰ দৰে সূৰ্যৰো নিজা গতি আছে। ২৫ দিন আৰু ন ঘণ্টাত ই নিজৰ অক্ষৰ ওপৰত আৱৰ্তন কৰাৰ উপৰি মহাকাশতো এটা নিৰ্দিষ্ট দিশত গতি কৰে। তদুপৰি, সূৰ্য আৰু ইয়াৰ ওচৰ-পাজৰৰ তৰাৰ থুপটোৱে হাতীপটিৰ গতিৰ বাবে হাতীপটিৰ কেন্দ্ৰৰ চাৰিওফালে ঘূৰে।

সৌৰজগতৰ শক্তিৰ আধাৰ হৈছে সূৰ্য। ইয়াৰ শক্তিৰ অবিহনে কোনো জীৱ-জন্তু, গছ-গছনি আদি জীয়াই থকা সম্ভৱ নহয়। সূৰ্যৰ অন্তৰ্ভাগত থকা গভীৰ চাপবিশিষ্ট হাইড্ৰ'জেনৰ বাবে অফুৰন্ত নিউক্লিয় শক্তিৰ উৎপন্ন হয়। যদিও সূৰ্যটো অতি পাতল গেছেৰে পৰিপূৰ্ণ, তথাপি ই পৃথিৱীতকৈ ৩০ হেজাৰ গুণে ডাঙৰ। ইয়াৰ অন্তৰ্ভাগৰ উত্তাপ ১৪ নিযুত ডিগ্ৰী ছেলচিয়াছ আৰু উপৰিভাগৰ উত্তাপ ৬০০০ ডিগ্ৰী ছেলচিয়াছ। সূৰ্যৰ ৰশ্মিৰ বৰ্ণালী বিশ্লেষণ কৰি গম পোৱা গৈছে যে পৃথিৱীত যিবোৰ মৌলিক পদাৰ্থ আছে, তাৰ অধিকাংশই সূৰ্যৰ অভ্যন্তৰত গেছীয় অৱস্থাত আছে।

সূৰ্যৰ পৃষ্ঠভাগত তিনিটা তৰপ আছে — আলোকমণ্ডল, বৰ্ণমণ্ডল আৰু সৌৰমুকুট। সূৰ্যৰ যি ভাগৰ পৰা অধিকাংশ পোহৰ নিৰ্গত হয়, তাৰ নাম আলোকমণ্ডল (Photosphere)। আলোকমণ্ডলক আগুৰি আছে কে'বা হেজাৰ মাইল ডাঠ অগ্নিশিখাই। সূৰ্যৰ এই অংশৰ নাম বৰ্ণমণ্ডল (Chromosphere)। সূৰ্যৰ প্ৰকাশমণ্ডলৰ ওপৰলৈ কে'বা হেজাৰ কিলোমিটাৰ পৰ্যন্ত ই বিয়পি থাকে। সূৰ্যৰ একেবাৰে বাহিৰভাগৰ নাম সৌৰমুকুট (Corona)।




## নীড়মুখী পক্ষী

**আমি** যিদৰে ঘৰত বাস কৰো, ঠিক তেনেকৈ সকলো ধৰণৰ পক্ষীয়েও নিজাকৈ বাসস্থান নিৰ্মাণ কৰে। অৱশ্যে পক্ষীয়ে সচৰাচৰ কণী পাৰিবলৈ আৰু পোৱালি লালন-পালন কৰিবলৈহে নীড় বা বাহ ব্যৱহাৰ কৰে। কাৰণ কণী পৰাৰ সময়ত পক্ষীয়ে বাহ সাজে। কণী পৰা, কণী ওমনি দি পোৱালি জগোৱা আৰু পোৱালি উৰিব পৰা হোৱালৈকে প্ৰতিপালন কৰিবলৈ চৰাইবোৰে বাহ ব্যৱহাৰ কৰে। অন্যান্য সময়ত চৰাইক সততে বাহৰ প্ৰয়োজন নহয়।

অৱশ্যে মানুহে যেনেকৈ মিস্ত্ৰীৰ সহায়ত চিমেণ্ট-কংক্ৰিটেৰে মৰমৰ বাসস্থান নিৰ্মাণ কৰায়, চৰাইবোৰৰ বাবেও নিজৰ বাহটো অতিকৈ মৰমৰ আৰু সিহঁতে এডাল এডালকৈ খেৰ-কুটা সংগ্ৰহ কৰি নিজেই প্ৰচুৰ পৰিশ্ৰম কৰি বাহ তৈয়াৰ কৰে। বিভিন্ন পক্ষীৰ বাহ সজাৰ ধৰণ সম্পৰ্কে চমুকৈ তথা ধাৰাবাহিকভাৱে উল্লেখ কৰা হ'ল— চিকাৰী তথা আকাৰত ডাঙৰ পক্ষী শেন চৰাই। আকাশৰ বহু ওপৰত উৰি ফুৰি ভাল পোৱা শেন চৰাইৰ বাহো দেখা যায় অনেক ওখ-ডাঙৰ গছতহে। শেন চৰাইয়ে কেতিয়াও দেখিবলৈ ধুনীয়া বাহ নাসাজে। ওখ বন আৰু শুকান গছৰ ডালেৰে অতি সাধাৰণভাৱে বাহটো নিৰ্মাণ কৰে। কিন্তু বাহৰ বাহিৰফালে ওলাই থাকে বহুতো জোঙাল গছৰ ডাল। বাহত যাতে শত্ৰুৱে হঠাৎ আক্ৰমণ কৰিব নোৱাৰে আৰু থাপ মাৰিবলৈ সাহস নকৰে, তাৰ বাবেই এনে জোঙাল প্ৰতিৰোধ ব্যৱস্থা। মজাৰ কথা যে শেন চৰাইৰ বাহ থকা গছজোপাত আন কোনো পক্ষীয়ে বাহ নাসাজে। সচৰাচৰ বিভিন্ন পক্ষীয়ে এজোপা গছতে বাহ সাজিব পাৰে। কিন্তু চিকাৰী শেন চৰাইক ভয় কৰে বাবেই আনবোৰ পক্ষীয়ে সেইজোপা গছৰ পৰা আঁতৰি থাকে।

## মাটি ওপঙি ফুৰা সৰোবৰ মণিপুৰৰ গৌৰৱ



**আমাৰ** উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম ৰাজ্য মণিপুৰ। তোমালোকৰ কোনো কোনোৱে হয়তো প্ৰকৃতিৰ অনুপম উপহাৰ মণিপুৰলৈ গৈছা! প্ৰচুৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এই পাহাৰীয়া ৰাজ্যখন। সেই সৌন্দৰ্যকে বৃদ্ধি কৰিছে লোকতক সৰোবৰে। আমাৰ জগতখনত অসংখ্য অদ্ভুত প্ৰকৃতিৰ সৰোবৰ আছে, যিবোৰৰ বিষয়ে শুনিলে আচৰিত লাগে। কোনো কোনো সৰোবৰৰ পানী তেজৰ দৰে ৰঙা দেখি কোনো সৰোবৰৰ পানী উতলা পানীৰ দৰে উতলি থাকে। তেনেকুৱা এনে অদ্ভুত বিশেষত্ব আছে মণিপুৰৰ ৰাজধানী ইম্ফলৰ পৰা কিছু আঁতৰত থকা লোকতক সৰোবৰত। উত্তৰ-পূবৰ সবাতোকৈ নিৰ্মল পানীৰ সৰোবৰ হিচাপেও ইয়াক জনা যায়। সৰোবৰৰ পানীৰ মাজৰ কোনো কোনো অংশত গোলাকাৰ ভূখণ্ড বা মাটিৰ টুকুৰা সাঁতুৰি ফুৰাৰ দৰে দেখা যায়। এইবোৰ ভূখণ্ডৰ পানী জমা হৈ থাকে। এনে মাটিৰ টুকুৰাক স্থানীয় ভাষাত ফুমদী বুলি কয়। এই ভূখণ্ডবোৰ মাটি, বিভিন্ন উদ্ভিদ আৰু জৈৱিক পদাৰ্থ মিহলি হৈ প্ৰাকৃতিকভাৱে তৈয়াৰ হৈছে। ভূখণ্ড ইমানেই কঠিন যে পানীত সাঁতুৰি থাকিলেও এইবোৰ পানীৰ দৰে বিলীন হৈ যোৱা নাই।

## সেউজীয়া চকুৰ পখিলা

**পখিলাৰ** জগতখনত এবিধ নতুন সদস্যৰ অন্তৰ্ভুক্তি ঘটিছে। এবিধ নতুন প্ৰজাতিৰ পখিলা আৱিষ্কাৰ কৰিছে আমেৰিকাৰ এদল প্ৰাণীবিদে। আমেৰিকাৰ টেক্সাছ ৰাজ্যত আৱিষ্কাৰ হোৱা এই পখিলাবিধৰ চকুৰ ৰং সেউজীয়া আৰু পাখিত উজ্জ্বল আঁচ আছে। ৱিক্ৰ'য়জ মিনিষ্ট্ৰীক নামৰ এই পখিলাৰ বৈজ্ঞানিক নাম হ'ল মিনিষ্ট্ৰীম'ন জেনেৰিক্ৰ'য়জ। প্ৰাণীবিদসকলৰ মতে বিলুপ্তপ্ৰায় পখিলাবোৰৰ ভিতৰত নতুনকৈ আৱিষ্কাৰ হোৱা এই পখিলা হয়তো অন্তিম প্ৰজাতি। ৱাইক্ট্ৰ' মিনিষ্ট্ৰীক পখিলাবোৰ প্ৰায়



এটা শতিকাৰ পূৰ্বে বৃহৎ সংখ্যাত দেখা পোৱা গৈছিল। কিন্তু তেতিয়া এইবিধ পখিলাই পৰিচিতি লাভ কৰা নাছিল। কাৰণ ইহঁতৰ দৰে দেখিবলৈ প্ৰায় একে গ্ৰে মিনিষ্ট্ৰীক প্ৰজাতি বুলিয়েই ধাৰণা কৰা হৈছিল। বিশেষত্বটো হ'ল নতুনকৈ আৱিষ্কৃত পখিলাবিধৰ চকুৰ ৰং সেউজীয়া। এইবিধ পখিলা হাতৰ আঙুলিৰ নখ এটাতকৈ ডাঙৰ নহয়। অৰ্থাৎ তেনেই অকণমানি।

## প্ৰাণী জগতৰ বিচিত্ৰ নিদ্ৰা
## শীতনিদ্ৰা বা গ্ৰীষ্মনিদ্ৰা

প্ৰশান্ত বৰা



**কিছু** কিছু প্ৰাণীয়ে শীত বা গ্ৰীষ্মৰ সমগ্ৰ সময়খিনি শুই অতিবাহিত কৰে। ইয়াৰ প্ৰধান কাৰণ হৈছে শক্তি সঞ্চয় কৰা। শীতকালীন নিদ্ৰাক কোৱা হয় 'হাইবাৰনেছন' বা শীতনিদ্ৰা। গ্ৰীষ্মকালীন নিদ্ৰাক কোৱা হয় 'এষ্টিভেছন' বা গ্ৰীষ্মনিদ্ৰা। আকৌ কিছু প্ৰজাতিৰ প্ৰাণীয়েতো প্ৰায় প্ৰতিদিনেই এনে দশালৈ যায়। যেনে আমেৰিকান বেজাৰ বা শকত নেজৰ অপ'ছাম।

দিনৰ পৰিসৰ, খাদ্যৰ যোগান, তাপমাত্ৰা; এই তিনিটা বিষয়ে বিশেষকৈ প্ৰাণীবোৰক সংকেত দিয়ে যে সিহঁতৰ শীতনিদ্ৰা বা গ্ৰীষ্মনিদ্ৰালৈ যোৱাৰ সময় হৈছে নে নাই। যেতিয়াই সিহঁতে নিদ্ৰাৰ এই বিশেষ দশালৈ গুচি যায়; তেতিয়া সিহঁতৰ ৰক্ত সঞ্চালনৰ মাত্ৰা, মস্তিষ্কৰ ক্ৰিয়াশীলতা আৰু হৃদস্পন্দন মন্থৰ হৈ পৰে।

মনত ৰাখিব লাগিব যে সাধাৰণ চিন্তাতকৈ এই বিশেষ নিদ্ৰা কিন্তু সম্পূৰ্ণৰূপে ভিন্ন। যেতিয়া প্ৰাণীবোৰ এই বিশেষ দশালৈ যায়, তেতিয়া সিহঁতে দীৰ্ঘ সময়লৈ একো নোখোৱাকৈ বা মল-মূত্ৰ ন্যাগ নকৰাকৈও অতিবাহিত কৰিব পাৰে। অৱশ্যে তিষ্ঠি থকাৰ তাগিদাতে বহু প্ৰাণীয়ে শীতনিদ্ৰাত যায়। যেনে কিছু প্ৰজাতিৰ ভালুকে পোৱালি জন্ম দিয়াৰ বাবে শীতনিদ্ৰাৰ পৰা উঠি আহে, আকৌ সন্তান জন্ম দিয়েই পুনৰ শীতনিদ্ৰালৈ গুচি যায়। সদ্যোজাত পোৱালিটোৱে জীৱনৰ প্ৰাথমিক পৰ্বত মাতৃস্নেহ অবিহনে নিজে নিজেই ডাঙৰ হ'বলৈ ধৰে।

অৱশ্যে প্ৰাণীবোৰৰ এই কৌশলো সিহঁত বাচি থকাৰ বাবে অত্যন্ত জৰুৰী। যেতিয়া খাদ্যৰ তীব্ৰ সংকটে দেখা দিয়ে, তেতিয়া সজাগ হৈ থাকিলে খাদ্যাভাৱতে মৰিব লাগিব। তাতকৈ শুই থাকিলে একো নোখোৱাকৈয়ে খাদ্য সংকটৰ সময়খিনি অতিবাহিত কৰিব পৰা যাব। সমাপ্ত

## কবিতা

### অনুভৱী ফাগুন

• প্ৰাঞ্জল গোহাঁই



মোৰ হাতৰ মুঠিত
এপিয়লা ফাগুনী মদিৰা।
মদিৰা পান কৰি উত্ৰাৱল নীৰবতা
পক্ষীৰ কাকলি সন্ধ্যাবেলা আৰতি।
যৌৱনা ফাগুনৰ গোপনঘাটত
ৰূপালী মাছে লিখি পেলায়
মৰহি নোযোৱা মহকাব্যৰ উৰুলি
এচাটি।
পোহৰ হয় সীতাৰ চিত্ৰকুট অৰণ্যত
পলাশী প্ৰেমৰ দেওলগা
জ্যোতি...!!!
সমীৰ দুষ্ট, ফাগুনক জোকাই
লাজহীন ফাগুনে আঁচল খহাই।
ঋতুৰ নৃত্যত দেৱীৰ বসন শিমলু
ডালত
কমলাবুলীয়া পলাশৰ ঠোঁটে
খুঁটি খুঁটি খুলি পেলায়
বুকুৰ প্ৰেমৰ একাঁজলি জোনাকী
সাঁথৰ
তেজৰঙা লাজুকী ফাগুন
ধূলিয়ৰি পছোৱাই আবিৰ সানি
কয়...
'বক্ৰভাঁজৰ কেনভাচত আঁকিব
পাৰো মই
বৰ্ণিল মায়ালগা পাৰিজাত ছবি।'
মইও ফাগুন ভালপোৱা কবি।
নালাগিব পাৰে পূজা-অৰ্চনাত
পলাশ, শিমলু কিম্বা মদাৰৰ পৰাগ-
ৰেণুৰ অঞ্জলি।
তথাপিও মোৰ বাবে ফাগুন
তোমাৰ খোপাত লাগি থকা সুবাসৰ
হিয়া জুৰ পেলোৱা অৰণ্যৰ
নাচোন...।

### বৰষা মাহীৰ কথা

জুনুক জুনুক নুপূৰ পিন্ধি
বৰষা মাহী আহে
তাকে দেখি মেঘ ককায়ে
আকাশত ঢাৰি পাৰি বহে।
ভেকোলা ককাইৰ টোৰটোৰণিত
বিজুলী বায়ে নাচিবলৈ ধৰে
খাল-বিল নদ-নদী সকলোবোৰ
পানীৰে উপচি পৰে।
সূৰুজ মামাই ডাৱৰৰ আঁৰত
চাই আছে দুখ মনে
কোনে কি কথা পাতিছে গোপনে
শুনিছে মনে মনে।
বৰষা মাহী আহিলে হেনো
বগলী পেহীয়ে বৰ আনন্দ পায়
নদীৰ পাৰত বহি যে মাছ-পুঠি
মজা মাৰি খাবলৈ পায়।
বৰষা মাহী আহিলে ধৰণী
হৈ উঠে বিনন্দীয়া
আমাৰো যে মনবোৰ তেতিয়া
কৰি তোলে সেউজীয়া।

• ঝৰ্নালী শৰ্মা বৰকটকী

### সংসাৰ সাগৰ

• হৰেন্দ্ৰ নাথ দাস

দুখৰ অশ্ৰু বোৱাই
বিলুপ্ত হৈছে জীৱন
জীৱনক ধিয়াই;
জীৱনৰ সুখ-দুখ
হয় মাথোন দুদিনীয়া।
সংসাৰৰ বেদনা
সাগৰৰ-
ঢৌৰ নিচিনা
আহে আৰু যায়
তাৰ কোনো অন্ত নাই,
অনন্ত সাগৰত-
পাৰ হৈ যায়
আত্ম-জীৱাত্মাই।

## কবিতা

### কপি কুমাৰৰ বিলৈ

• অৰূপ কলিতা

পকা পকা ফলবোৰ,গছত আছে ভৰি,
কেনেকৈনো থাকে সি, লোভত ধৈৰ্য ধৰি!
সূৰুযকে ফল ভবা, তাৰ হনুমন্ত ককা,
মুখ যে পুৰিছিল, তাহানিৰ সেই কথা।
সোণালী বৰণ তাৰ, নোম ভৰা দেহ,
শোটৰা পৰা ছালৰে, লগতে এডাল নেজ।
মাকৰ বোকোচাত উঠি, গছৰ ডালত বহি,
জংঘলত ঘূৰি ফুৰে, চিঞৰ-বাখৰ কৰি।
মলুৱা বাপেক তাৰ, মাক আকৌ মলুৱানী,
বাপেক বৰ বলৱন্ত, মাক দলৰ ৰাণী।
পিৰিক পাৱাক চকুৰে, সি বান্দৰ পোৱালি,
তাক মাতে সকলোৱে, কপি কুমাৰ বুলি।
দেশে বিদেশে সিহঁতৰ, বিয়পি আছে বংশধৰ,
আফ্ৰিকা-আমেৰিকা আৰু বহু দেশ দেশান্তৰ।
দুশ জাতি উপজাতি, সকলো একেই প্ৰজাতি,
কোনোবাটো ডাঙৰ সৰু,থাকে দল পাতি।
সোণালী, মিলিটাৰী, বেবুন, হলৌ আৰু পিগমি,
কিমান যে আছে নাম, পোৱা জানো চিনি!
গছৰ ডালত বহি, কপি কুমাৰে ভাবে,
পকি থকা ফলবোৰ, কেনেকৈ খাব পাৰে!
সহজ নহয় পিছে, এই ফল খোৱা,
ৰখীয়া হৈ আছে, এটা মস্ত ঢেকুৱা।
লগাব যে হুলস্থুল,মাতিব দুঠেঙীয়া গৃহস্থক,
কেটেপা টাঙোন লৈ, গৃহস্থই খেদিব সিহঁতক।
তথাপি সুযোগ বুজি, মলুৱা উঠিল গছত,




লোমা-লোমে সৰিল ফল, মলুৱাৰ ভৰত।
ঢেকুৱাই আহিল খেদি, ভুকিলে গছলৈ
চাই,
কাণ জোঁকাৰি মলুৱাই,থাকিল খেক-
খেকাই!
ওলাই আহিল গৃহস্থ, হাতত কেটেপা লৈ,
দাঁত নিকটাই মলুৱাই,পলাল বিতত হৈ।
কাষৰ গছত বহি, লুকাল কপি কুমাৰ,
মলুৱানী ৰাণী মাকৰ, লাগি গ'ল হাহাকাৰ।
ঢেকুৱা আৰু গৃহস্থই, ল'লে সিহঁতলৈ
চোঁচা,
মলুৱানীয়ে তাক চিঞৰিলে, প্ৰাণ বচাই
পলা।
ফলৰ লোভ সামৰি,মাকৰ পিঠিত বহি,
একে কোবে পালেহি, কাষৰ বাঁহনি বাৰী।
মাকৰ কোলত বহিহে ল'লে সি উশাহ,
কপি কুমাৰে নকৰে দুনাই এনে মৰসাহ।

### ব্যঞ্জনবৰ্ণৰ ব্যঞ্জন

• দিগন্ত বৈশ্য

আৰু বহুত আছে,
তৃতীয় ভাগটো আজি কম
মন দিবা পাছে।
প্ৰেমেশ্বৰে পাটবাউসীত
পটীয়াৰ কাম কৰে,
ফণীৰামে ফটিকা খাই
ফাকি দি ফুৰে।
ব্ৰজেনৰ বাৰীত বগৰীগছ
বহুতেই আছে,
ভক্তিবিনে ভকত হ'ব
নোৱাৰিবা পাছে।
মংগলতীয়ে মংগল চাই
মংগল কামনা কৰে,
যজ্ঞেশ্বৰে যজ্ঞ কৰি
পুণ্য অৰ্জন কৰে।
ৰামচন্দ্ৰৰ ৰামৰাজ্য কোনে
কৰিব পাৰে,
লক্ষ্য নাথাকিলে লক্ষজনো
পথভ্ৰষ্ট হ'ব পাৰে।
'ৰ'ক আগত লৈ পিছে
কোনো শব্দ নাই,
ব্যঞ্জনবৰ্ণৰ ব্যঞ্জনৰ যে
কোনো উপমা নাই ।

## বিলাসনন্দন চ'ৰা



# ভেনিটি ভেন আহি গ'ল

**'আহিছে** ঐ আহিছে, ভেনিটি ভেন আহিছে/গাড়ীতে সব ফেচিলিটী/গুলি মাৰ দেছৰ প্ৰচপাৰিটী'! দিছপুৰত এই গানটো বৰ্তমান বৰ ভাইৰেল হৈছে, ঠিক 'কাচ্চা বাদাম'ৰ দৰে। এনেয়েও ভাইৰাছে গোৱা গান ভাইৰেল হ'বই। তথাপি এই গানটো ভাইৰেল হোৱাৰ ভিত্তি আছে। কাৰণ সঁচাসঁচিকৈ আমাৰ এল জে এম ওৰফে এমেলেসৱৰ কাৰণে ভেনিটি ভেন আহিছে। এন জে এম মানেতো বুজিছেই! লগত যোৱা মানুহ। মিনিষ্টাৰ ছাৰসকল ক'ৰবালৈ গ'লে লগত যে কোনোবাই যাব লাগে, সেই কামটো কৰিয়ে বৰ্তমান সন্তুষ্টি ভুগিব লগা হৈছে আমাৰ এমেলে দাদাসকলে। ৰাজভোগ খাম বুলি সকলো নীতি-নিয়ম বিসৰ্জন দি ৰাজনীতিত নামি ৰাজ কৰাৰ সপোন দেখা এই এমেলে দাদাসকলৰ একো কাম নাই বুলি কৈ দিয়াৰ পাছত পানীত নচৰা হাঁহকেইটাতকৈও বেয়া অৱস্থা হৈছিল। ৰাজভোগ খোৱাৰতো কোনো চাঞ্চেই নাই। ৰাজভোগৰ ভাগ-বাটোৱাৰা কৰাৰ পৰ্বটো ৰাজাসকলৰ অফিচতে খতম হৈ আছে। ৰাজভোগ ৰন্ধা বাচনকেইটা ভালকৈ ধুই-পখালি তাৰ পানীখিনি খোৱাৰো সুবিধা নাপায় লগত যোৱা দাদাসকলে। এনেকৈ বেকাৰ হৈ থাকোতে থাকোতে দাদাসকলৰ মনলৈ ফ্ৰাষ্ট্ৰেছনে আহি ৰেজিষ্ট্ৰেছন কৰি লৈছিল। ঘৈণীয়েকবোৰে ভেনিটি বেগবোৰ মুখৰ আগত ওলমাই দি হানা-খোঁচা কৰি প্ৰায়ে কৈছিল, 'ভেনিটি বেগ খালী কৰি দেখোন ভোট খেলিবলৈ গৈছিল। জিকিলে এনেহেন তিনি-চাৰিটা ভেনিটি বেগ দিব বুলি কৈছিল। কি হ'ল এতিয়া? নিজে দেখোন খালী মানিবেগটো লৈ বহি আছে!' এনেহেন সময়তে ভেনিটি ভেনখন আহি দাদাহঁতৰ ডাউন হোৱা ইজ্জতৰ বেটাৰী বহুখিনি চাৰ্জড কৰি দিছে। ঘৈণীয়েকক ভেনিটি বেগ দিব নোৱাৰিলেও নিজেতো এখন ভেনিটি বেগ পাইছে। ৰাজভোগ খাবলৈ নাপালেও ভেনিটি ভেনত বহি অলপ ৰাজসুখতো খাব পাৰিব। ইমানদিনে ডাঙৰ ডাঙৰ ফিল্মষ্টাৰবোৰৰহে এখনকৈ ভেনিটি ভেন থকা বুলি জনা গৈছিল। এই ভেনবোৰত আৰামী বিছনা, পাকঘৰ, ডাইনিং টেবুল, ফ্ৰিজ, টয়লেট সব থাকে। মুঠতে ৰজাৰ দৰে থাকিব পাৰে। তেনে এখন ভেনিটি ভেনত লগত যোৱা দাদাহঁতে বহিব পাৰিব, সেয়া কম আনন্দৰ কথানে? অৱশ্যে এয়া এতিয়াও খাটাং হোৱা নাই যে ৰাজসভাৰ সভাসদসকলৰ কাৰণে অনা ভেনিটি ভেনখনৰ ড্ৰাইভাৰ কোন হ'ব, হেণ্ডিমেন কোন হ'ব, ফুটা চকা কোনে চেঞ্জ কৰিব ইত্যাদি। মিনিষ্টাৰ দাদাহঁত থাকোতে এই লগত যোৱা দাদাহঁতে তাত বহাৰ চাঞ্চ পাব জানো? যেতিয়াই তেতিয়াই নিগেটিভ কথাবোৰ চিন্তা কৰিব নাপায়। আৰু যদি বহাৰ চাঞ্চ নাপায়, হেণ্ডিমেন হৈ যাব। মেকামিক হৈ যাব। সেইটোনো কি ডাঙৰ কথা! সমষ্টিত নামি দিব পাৰিলে হ'ল। তেতিয়াহে সমষ্টিৰ ভোটাৰে বুজিব যে তেওঁলোকে ভোট দি জিকোৱা মানুহজনে ৰজাঘৰত অন্ততঃ অলপ ইজ্জত পাইছে। গতিকে ঘৰ বা সমষ্টিত নাপালেও কোনো কথা নাই।



চকু চৰহাবোৰে কৈছে যে চাৰিওফালে বজাৰত জুই ছাই দাম। বস্তু কিনিবলৈ জেপ খালী। ৰাজকোষ উদং। ঠিকাদাৰে ঠিকাৰ বিল নাপাই খাল-বিল বিচাৰি ফুৰিছে পানীৰ তলত লুকাই থাকিবলৈ। ইটা-বালি-চিমেণ্টৰ দোকানীবোৰে পইচা বিচাৰি পুৱাতে আহি ঘৰ ওলায়। এনেহেন পৰিৱেশত ভেনিটি ভেনত উঠি কিয় আৰাম কৰিব লাগে? এনেয়ে কথাবোৰ কৈ দিলেই নহয়তো! ৰজাই সদায় ৰথতে যাব! ৰাজ্যৰ অৱস্থা দুৰৱস্থা হোৱা কাৰণে ৰজাই ৰথৰ পৰা নামি খোজকাঢ়ি যাব নেকি? এনেয়েও এই ভেনিটি বেগৰ নাম হ'ব গণতান্ত্ৰিক ভেন। কিয়নো এই ভেনখনত সেই তান্ত্ৰিকসকলহে যাব যিসকলে তন্ত্ৰ-মন্ত্ৰ কৰি জনগণক যন্ত্ৰ কৰি আহিছে।

অকল এমেলে দাদাহঁতৰ কাৰণেই নহয়, গোটেই ৰাজ্যজুৰি পাব্লিকৰ কাৰণেও এখন বেলেগ ভেন ঘূৰোৱা হ'ব। নহয়, এই ভেনখনৰ নাম ভেনিটি ভেন নহয়। পাব্লিকৰ কাৰণে চলাব লগা ভেনখন হ'ব আধাপেটী ভেন। এই আধাপেটী ভেনখনৰ লক্ষ্য উদ্দেশ্য বৰ মহৎ। এই ভেনখনৰ জৰিয়তে পাব্লিকক বুজোৱা হ'ব আধাপেটী হৈ খোৱাৰ টেবুলৰ পৰা কেনেকৈ উঠি যাব পাৰি। আধাপেটী হৈ থকাৰ উপকাৰিতাবোৰো এই আধাপেটী ভেনখনত লিখা থাকিব।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*




**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৯ মাৰ্চ ঃ** এসময়ত ছলমান খানে অভিনয় কৰা বলিউদৰ 'জুড়োৱা' নামৰ ছবিখনে যথেষ্ট সফলতা অৰ্জন কৰিছিল। পৰৱৰ্তী সময়ত উক্ত ছবিৰ ৰিমেকো নিৰ্মাণ হৈছিল। এহাল যমজ ভ্ৰাতৃৰ নানা ধৰণৰ কৰ্মকাণ্ড সেই ছবিত দেখুওৱা হৈছিল। এজনে আঘাত পালে আনজনেও দুখ পায়, এজনে হাঁহিলে আনজনে বিনা কাৰণত হাঁহে। এজন বাগৰি পৰিলে, সিজনো বাগৰি পৰে। এইবোৰ কৰ্মকাণ্ডই দৰ্শকৰ মনত হাঁহিৰ খোৰাক যোগাইছিল। যমজসকলৰ এনে বহু কাণ্ড-কাৰখানা অন্যান্য বহু ছবি বা ৱেব ছিৰিজতো দেখুওৱা হৈছে। কমেডীৰ উপৰি যমজক কেন্দ্ৰ কৰি বহু ক্ৰাইম থ্ৰিলাৰো আছে। অমিতাভ বচ্চনে অভিনয় কৰা এখন ছবিত দুজন যমজ খলনায়কৰ অপৰাধজনিত কাণ্ড-কাৰখানা দেখুওৱা হৈছিল। সততে যমজ ভ্ৰাতৃ বা ভগ্নীৰ প্ৰতি মানুহৰ আকৰ্ষণ দেখা যায়। ইয়াৰ প্ৰধান কাৰণ হৈছে শাৰীৰিক সাদৃশ্য। লগতে বহু ক্ষেত্ৰত দেখা দিয়া অনুৰূপ আচৰণ বা সমস্যাই মানুহক আকৰ্ষণ কৰে। যমজক কেন্দ্ৰ কৰি বিজ্ঞানেও উৎসাহ দেখুৱাই আহিছে। বিশ্বত বিভিন্ন সময়ত যমজক কেন্দ্ৰ কৰি নানা গৱেষণা চলিছে।

প্ৰশ্ন হৈছে, যমজসকলে বাৰু সঁচাকৈয়ে পৰস্পৰৰ দুখ-বেদনা অনুভৱ কৰিব পাৰেনে? সংবাদ মাধ্যমত কেতিয়াবা সেই ধৰণৰ দুই-এক ঘটনাৰ উল্লেখ পোৱা যায়। দেশৰ দুটা প্ৰান্তত থকা যমজৰ এজনে হঠাৎ অনুভৱ কৰিলে যে তেওঁৰ যমজ ভ্ৰাতৃৰ ভয়ানক বিপদ হৈছে। দেখা গ'ল ঠিক সেই মুহূৰ্ততে আনটো প্ৰান্তত থকা যমজ ভ্ৰাতৃৰ গাড়ী দুৰ্ঘটনা ঘটিছে। অথবা এজনৰ হঠাৎ পেটৰ যন্ত্ৰণা হ'লে, দেখা গ'ল যে চহৰৰ ইটো প্ৰান্তত থকা যমজ ভ্ৰাতৃ বা ভগ্নীৰো সেই সময়তে খাদ্যত বিষক্ৰিয়া হৈছে। এইধৰণৰ বিভিন্ন বিচিত্ৰ ঘটনাৰ বিষয়ে পঢ়ি বহুতৰ মনতে ধাৰণা হয় যে যমজসকলে বোধহয় ইজনে সিজনৰ প্ৰতিটো অনুভূতিয়ে সহজে অনুভৱ কৰে। বিজ্ঞানৰ ভাষাত ইয়াক কোৱা হয় 'ইএছপি' বা 'এক্সট্ৰা ছেনছুৱাৰী পাৰচেপছন'। এই বিষয়তো ইতিমধ্যে অনেক গৱেষণা হৈছে। যদিও গৱেষণাত তেনে কোনো প্ৰমাণ পোৱা নাই বুলিয়ে ক'ব পাৰি। কিছু ঘটনা কাকতালীয় বুলিয়ে দাবী কৰিছে বিজ্ঞানীয়ে। কেতিয়াবা হয়তো দুই যমজ ভগ্নীয়ে একে পেছাত জড়িত লোকৰ স'তে বিয়া হোৱাৰ সম্ভাৱনা থাকে। কেলিফ'ৰ্ণিয়া ৰাজ্যিক বিশ্ববিদ্যালয়ৰ 'টুইন ষ্টাডিজ চেণ্টাৰ'ৰ তথ্য অনুসৰি, পশ্চিমৰ দেশসমূহত ৮০জন নৱজাতকৰ ভিতৰত অন্ততঃ এহাল যমজৰ জন্ম হয় স্বাভাৱিক নিয়মতে। যমজসকল আন ভ্ৰাতৃ-ভগ্নীৰ তুলনাত অতি বেছি ঘনিষ্ঠভাৱে ডাঙৰ হয়, গতিকে তেওঁলোকৰ পাৰস্পৰিক আকৰ্ষণো বেছি থাকে। ইয়াৰে এজনৰ মৃত্যু হ'লে আনজন মানসিকভাৱে অত্যন্ত ভাঙি পৰে। অথচ বহু গৱেষণাত স্পষ্টভাৱে দেখা গৈছে যে বিশ্বজুৰি প্ৰায় ১০ কোটি যমজ থাকিলেও তাৰ ভিতৰত এই ধৰণৰ কাকতালীয় ঘটনাৰ সংখ্যা একেবাৰে কম।

মনোবিজ্ঞানৰ নানা সমীক্ষাই কৈছে যে ইজনে সিজনৰ দুখ-বেদনা অনুভৱ কৰাৰ ঘটনা যমজসকলৰ ভিতৰত অতি বিৰল। অথচ সেইবোৰ কাহিনী শুনি বাকী যমজসকলে, যিসকল এনে কোনো

এহাল যমজ ভ্ৰাতৃৰ নানা ধৰণৰ কৰ্মকাণ্ড সেই ছবিত দেখুওৱা হৈছিল। এজনে আঘাত পালে আনজনেও দুখ পায়, এজনে হাঁহিলে আনজনে বিনা কাৰণত হাঁহে। এজন বাগৰি পৰিলে, সিজনো বাগৰি পৰে। এইবোৰ কৰ্মকাণ্ডই দৰ্শকৰ মনত হাঁহিৰ খোৰাক যোগাইছিল। যমজসকলৰ এনে বহু কাণ্ড-কাৰখানা অন্যান্য বহু ছবি বা ৱেব ছিৰিজতো দেখুওৱা হৈছে। কমেডীৰ উপৰি যমজক কেন্দ্ৰ কৰি বহু ক্ৰাইম থ্ৰিলাৰো আছে। অমিতাভ বচ্চনে অভিনয় কৰা এখন ছবিত দুজন যমজ খলনায়কৰ অপৰাধজনিত কাণ্ড-কাৰখানা দেখুওৱা হৈছিল।

# পৰস্পৰৰ দুখ-বেদনা অনুভৱ কৰে যমজে!



## বহু ঘটনাই কাকতালীয় বুলি দাবী বিজ্ঞানীৰ

'বিশেষ ক্ষমতা'ৰ অধিকাৰী নহয়, তেওঁলোকে এই কাৰণতে হীনমন্যতাত ভোগে। লগতে তেওঁলোকে ভাবিবলৈ ধৰে যে তেওঁলোকৰ মাজত হয়তো পৰ্যাপ্ত যমজসুলভ ক্ষমতা নাই।

যমজ প্ৰধানকৈ দুই প্ৰকাৰৰ— 'আইডেণ্টিকেল' আৰু 'ফ্ৰেটাৰ্ণাল'। এটা ভ্ৰূণ ভাঙি দুটা সৃষ্টি হ'লে তাৰ পৰা জন্ম লয় 'আইডেণ্টিকেল' যমজ সন্তানে। তেওঁলোকৰ শাৰীৰিক গঠন, চেহাৰা, ডিএনএ, মানসিক গঠন আদি সকলোবোৰ একে হয়। সেয়ে তেওঁলোক যে একে ধৰণৰ ৰোগ বা ব্যাধিত আক্ৰান্ত হোৱাৰ আশংকা প্ৰৱল, সেয়াই স্বাভাৱিক। জন্মৰ পাছত দুয়ো একে দৰেই ডাঙৰ হয়। সেয়ে বহু সংক্ৰমণেও দুয়োকে আক্ৰমণ কৰা দেখা যায়। এজনৰ মেলেৰিয়া হ'লে আনজনৰো হ'ব। এজনৰ পেট বেয়া হ'লে আনজনৰো হোৱাটোৱেই স্বাভাৱিক। সেয়ে দুই যমজ সন্তানৰ হৃদৰোগত মৃত্যু হোৱাটোও একো বিস্ময়কৰ কথা নহয়। বিশ্লেষণ কৰি চালে হয়তো বুজা যাব যে দুয়োজনেই একপ্ৰকাৰ অস্বাস্থ্যকৰ জীৱন-যাপন কৰিছিল।

বহু যমজ ভ্ৰাতৃ-ভগ্নীয়ে হয়তো একে ধৰণৰ কথা কয়, একে ধৰণৰ কথা চিন্তা কৰে, একে সময়তো হয়তো তেওঁলোকৰ কোনো বিশেষ ইচ্ছা জাগিব পাৰে। অথচ সমীক্ষাত দেখা গৈছে যে এক দম্পতী দীৰ্ঘকাল থাকিলে বা বয়সৰ বেছি পাৰ্থক্য নথকা ভ্ৰাতৃ-ভগ্নীৰ চিন্তা-ভাৱনাও বহু সময়ত মিলি যায়। একেটা কথাই এটা সময়ত কোৱা, একে ধৰণৰ ইচ্ছা-অনিচ্ছা, অজানিতেই একে ধৰণৰ বস্তু ক্ৰয় কৰা, একে শাৰীৰিক ভাষা বা কথা কোৱাৰ ভংগী আদিবোৰ কেৱল যমজৰে নহয়; বৰঞ্চ ঘনিষ্ঠ ভ্ৰাতৃ-ভগ্নী বা দম্পতীৰ মাজতো বিদ্যমান। বিভিন্ন আংগিকেৰে কৰা বহু গৱেষণাই জনাইছে যে যমজসকলৰ মাজত কোনো ধৰণৰ ইজনে সিজনৰ মনৰ কথা বুজা বা যন্ত্ৰণা অনুভৱ কৰাৰ বিশেষ কোনো ক্ষমতা নাথাকে। বাস্তৱত এনে কোনো উদাহৰণ পোৱা গ'লেও সেয়া আচলতে কাকতালীয় ঘটনা।



শিল্পীগ্ৰামত অনুষ্ঠিত হোৱা উত্তৰ-পূৱ মহোৎসৱ ২০২২ৰ দৃশ্য।

# তলাবন্ধৰ প্ৰেমক বিবাহলৈ ৰূপান্তৰ কৰিলে যুদ্ধই

## ইউক্ৰেইনৰ পৰা পলাই অহা প্ৰেয়সীক বিমানকোঠতে বিয়াৰ প্ৰস্তাৱ দিল্লীৰ যুৱকৰ

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৯ মাৰ্চ ঃ** ক'ভিড-১৯ অতিমাৰী ৰোধৰ বাবে ঘোষণা কৰা তলাবন্ধতে স্থাপন হৈছিল প্ৰেমৰ সম্পৰ্ক। সেই সম্পৰ্কৰে শুভ পৰিণতি আনি দিলে ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধই। সেই বাবেই নিশ্চয় কোৱা হয় যে ভালপোৱাৰ কোনো সীমাবদ্ধতা নাই, নাই কোনো প্ৰতিবন্ধক। যুদ্ধৰ ভয়ানক পৰিস্থিতিত প্ৰাণৰ মমতাত জন্মভূমি ত্যাগ কৰিবলৈ বাধ্য হ'লেও স্বদেশৰ পৰা পলাই আহি নিজৰ প্ৰিয়জনক লাভ কৰিলে ইউক্ৰেইনৰ এগৰাকী যুৱতীয়ে।দিল্লীৰ বিমানকোঠত দুই হৃদয়ৰ মিলনৰ এক দৃশ্যই সম্প্ৰতি সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে।

২০২০ৰ প্ৰথমভাগত ক'ভিডৰ প্ৰকোপত সমগ্ৰ ভাৰততে জাৰি কৰা হৈছিল তলাবন্ধ। সেই তলাবন্ধ ঘোষণা কৰাৰ কিছু দিনৰ পূৰ্বে ভাৰতত ফুৰিবলৈ আহিছিল ইউক্ৰেইনৰ যুৱতী আনা হ'ৰ'ডেট্‌স্কা। তলাবন্ধৰ বাবে তেওঁ ভাৰততে আবদ্ধ হৈ পৰে। তেতিয়াই আনাৰ স'তে পৰিচয় ঘটিছিল দিল্লী উচ্চ ন্যায়ালয়ৰ অধিবক্তা অনুভৱ ভাছিনৰ স'তে। সেই পৰিচয় বন্ধুত্বলৈ পৰিৱৰ্তিত হয় আৰু পৰৱৰ্তী সময়ত তেওঁলোকৰ ঘনিষ্ঠতাই প্ৰেমৰ ৰূপ পায়। দুয়ো পৰস্পৰৰ প্ৰেমত নিমজ্জিত হৈ পৰে। এই প্ৰসংগত অনুভৱে জনায় যে আনাই ভাৰতত ফুৰিবলৈ অহা আৰু পৰৱৰ্তী সময়ত ইউক্ৰেইনলৈ ঘূৰি যোৱাৰ মাজত যিখিনি সময় পাইছিল, সেই সময়ৰ মাজতে দুয়োৰে মাজত প্ৰথমে বন্ধুত্ব আৰু পাছলৈ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। ক'ভিড পৰিস্থিতি কিছু উন্নত হোৱাত আনা স্বদেশলৈ ঘূৰি গ'লেও অনুভৱৰ স'তে নিয়মিত যোগাযোগ ৰাখিছিল।

যোৱা ২৪ ফেব্ৰুৱাৰীত ইউক্ৰেইনত সামৰিক অভিযান আৰম্ভ কৰে ৰাছিয়াই। বিভিন্ন চহৰৰ পৰা ইউক্ৰেনীয় লোকসকলে প্ৰাণৰক্ষাৰ বাবে ঘৰ-বাৰী এৰি প্ৰতিবেশী দেশসমূহত আশ্ৰয় ল'বলৈ আৰম্ভ কৰে। অৱশ্যে আনাই প্ৰতিবেশী দেশ পোলেণ্ড বা হাংগেৰীলৈ নগ'ল। কিয়নো এনে বিপদৰ সময়ত তেওঁ প্ৰিয়জনৰ সান্নিধ্যকে সবাতোকৈ বেছি নিৰাপদ বুলি অনুভৱ কৰিছিল। সেয়ে যুদ্ধবিধ্বস্ত স্বদেশ এৰি কে'বা হেজাৰ মাইল অতিক্ৰম কৰি ইউক্ৰেইনৰ যুৱতীগৰাকীয়ে অৱশেষত দিল্লীত উপস্থিত হয়। প্ৰেমিকাই দিল্লীত ভৰি দিয়াৰ লগে লগে বিমানকোঠতে তেওঁক বিবাহৰ প্ৰস্তাৱ দিয়ে অনুভৱে।


অৱশ্যে আনাই ভাৰতলৈ অহাটো বৰ সহজ নাছিল বুলিয়ে জনাইছে যুৱ অধিবক্তা অনুভৱে। ইউক্ৰেইনৰ যুৱতীগৰাকীয়ে প্ৰথমে কিয়েভৰ পৰা পলায়ন কৰি লুভিভলৈ যায়। তাত এনিশা কটোৱাৰ পাছত বাছযোগে শ্ল'ভাকিয়াৰ সীমান্তত উপস্থিত হয়। তাতেই অনুভৱৰ দুজনমান বন্ধুৱে আনাক পোলেণ্ডলৈ যোৱাত সহায় কৰে। পোলেণ্ডৰ ভাৰতীয় দূতাবাসৰ পৰা ভিছাৰ অনুমতি লাভ কৰাৰ পাছতে তেওঁ ভাৰতলৈ গুছি আহে। নিজৰ দেশ ত্যাগ কৰি যিহেতু প্ৰেয়সীয়ে তেওঁৰ কাষলৈ দৌৰি আহিছে, গতিকে পলম কৰাৰ কথা নাভাবিলে অনুভৱে। আনাক তেওঁ নিজৰ জীৱনসংগী কৰাৰে সিদ্ধান্ত লয়। বিমানকোঠতে আনাক বিবাহৰ প্ৰস্তাৱ দিয়া অনুভৱে জনায় যে এপ্ৰিলৰ ভিতৰতে তেওঁলোকে বিবাহ সম্পন্ন কৰাৰ কথা ভাবিছে। বিয়াৰ পাছতে ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন জনাব আনাই।



# আম্বানি-আদানী নহয়, দেশৰ সবাতোকৈ ধনী আছিল হায়দৰাবাদৰ নিজাম

**নিউজ ব্যুৰ'**

**হায়দৰাবাদ, ২৯ মাৰ্চ ঃ** দেশৰ অন্যতম ধনীৰ তালিকাত আছে আম্বানি, আদানী, টাটা, বিৰলা আদি পৰিয়াল। অৱশ্যে তেওঁলোকে এতিয়াও দেশৰ সবাতোকৈ ধনী লোকৰ আখ্যা লাভ কৰা নাই। ইতিহাসে দাবী কৰে যে পৃথিৱীৰ সৰ্বকালৰ সবাতোকৈ ধনী শাসক আছিল চেংগিজ খান। অৱশ্যে ভাৰততো এনে এজন ৰজা আছিল, যাৰ সম্পত্তিৰ পৰিমাণে দেশৰ বিখ্যাত উদ্যোগপতিসকলৰ সম্পত্তিকো নগণ্য কৰি তুলিব। এই বিত্তশালী শাসকজনেই হৈছে হায়দৰাবাদৰ অন্তিম নিজাম নবাব ওছমান আলী খান। ১৮৮৬ৰ ছয় এপ্ৰিলত জন্মগ্ৰহণ কৰা নবাব ওছমানকে দেশৰ সবাতোকৈ ধনী লোকৰ আখ্যা দিয়া হয়। এক পৰিসংখ্যা অনুসৰি, বিশ্বৰ সৰ্বকালৰ শ্ৰেষ্ঠ ধনীসকলৰ তালিকাত নবাব ওছমানৰ স্থান হৈছে চতুৰ্থ। ভাৰতে স্বাধীনতা অৰ্জন কৰা পৰ্যন্ত হায়দৰাবাদৰ নিজাম হৈ থকা নবাব ওছমানৰ মৃত্যু হয় ১৯৬৭ৰ ২৪ ফেব্ৰুৱাৰীত। তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল ২৩৬ বিলিয়ন ডলাৰ (ভাৰতীয় মুদ্ৰাত প্ৰায় ১৮ লাখ কোটি), যি এসময়ৰ পৃথিৱীৰ সবাতোকৈ ধনী ব্যক্তি জেফ বেজ'ছৰ মুঠ সম্পত্তিৰ প্ৰায় ডেৰ গুণ বেছি। ২০১৮ত এটা বেচৰকাৰী সংস্থাৰ গৱেষণাৰ



## এতিয়াও ধৰি ৰাখিছে বিশ্বৰ চাৰি নম্বৰ স্থান

নিৰিখত তেওঁ বিশ্বৰ সৰ্বকালৰ সবাতোকৈ ধনী ব্যক্তিৰ আখ্যা লাভ কৰিছিল। অৱশ্যে চলিত বৰ্ষত উদ্যোগপতি এলন মাস্কৰ সম্পত্তিৰ পৰিমাণে নিজামৰ সম্পত্তিক অতিক্ৰম কৰি যায়। মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ ২৬৮ বিলিয়ন ডলাৰ (ভাৰতীয় মুদ্ৰাত প্ৰায় ২০ লাখ কোটি) নবাব ওছমান ইমানেই ধনী আছিল যে তেওঁ পেপাৰৱেইটৰূপে ব্যৱহাৰ কৰিছিল বিখ্যাত জেকব হীৰা। নবাব ওছমানে ১৯১১ৰ ১৮ ছেপ্টেম্বৰত সিংহাসনত বহিছিল আৰু ১৯৪৮ পৰ্যন্ত তেওঁ হায়দৰাবাদৰ মছনদত নিজামৰূপে ৰাজত্ব কৰিছিল। তেওঁ 'নাইট গ্ৰেণ্ড কমাণ্ডাৰ অৱ ষ্টাৰ অৱ ইণ্ডিয়া' উপাধিৰেও ভূষিত হৈছিল। হায়দৰাবাদ উচ্চ ন্যায়ালয়সহ হায়দৰাবাদৰ একাধিক ভৱনৰ উন্নয়নৰ বাবে নবাবক কৃতিত্ব দিয়া হয়।



# ভূটানৰ কাষৰীয়া খাটৰবাৰী-কালচেনীত কৃষি সংগ্ৰামৰ কচৰৎ

## ডোং বান্ধে আনিছে দুশ পৰিয়াললৈ বতৰা ২৮ হেজাৰ উদ্যান শস্য ৰোপণৰ লক্ষ্য

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৯ মাৰ্চ ঃ** ভূটান পাহাৰৰ কাষৰীয়া নাগ্ৰীজুলি অঞ্চলৰ দুখন কৰ্ম-সংস্কৃতিপূৰ্ণ গাঁও খাটৰবাৰী আৰু কালচেনী। দুই শতাধিক বড়ো জনজাতি পৰিয়াল অধ্যুষিত গাঁও দুখনত সম্প্ৰতি কৃষি অৰ্থনীতি টনকিয়াল কৰাৰ কচৰৎ চলিছে। সম্প্ৰতি গাঁও দুখনৰ ৰাইজে ঐক্যবদ্ধভাৱে কৃষি পথাৰত ব্যৱহাৰ কৰা এটুপি পানীৰ বাবে দিনে-নিশাই সংগ্ৰাম কৰিবলগীয়া হৈছে। ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগে বছৰ বছৰ ধৰি কৃষকৰ খেতি পথাৰত পানী যোগান দিয়াৰ নামত কোটি কোটি বছৰি খৰচ কৰাৰ পাছতো নাগ্ৰীজুলি অঞ্চলৰ বড়ো জনজাতি অধ্যুষিত গাঁও দুখনৰ কৃষক ৰাইজে খেতিপথাৰৰ প্ৰয়োজনীয় পানীৰ বাবে অসম্ভৱকো সম্ভৱ কৰি তুলিবলৈ সংগ্ৰাম অব্যাহত ৰাখিছে। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰা এটুপি পানীৰ বাবে প্ৰায় এহেজাৰ বিঘা কৃষিভূমি পানীৰ অভাৱত পৰিত্যক্ত হৈ পৰি ৰোৱা বিস্তীৰ্ণ সম্ভাৱনাপূৰ্ণ কৃষিভূমি এতিয়া জীৱন-জীৱিকাৰ সমল কৰি তুলিছে।

উল্লেখনীয় যে ১৯৬২ৰ পৰা সুদীৰ্ঘ বছৰৰ অন্তত এইবাৰ গাঁও দুখনৰ প্ৰায় দুই শতাধিক পৰিয়ালে ঐক্যবদ্ধভাৱে অৰংগাজানত ডোং বান্ধ দি বোঁৱাতী সুতিৰে প্ৰায় এহেজাৰ বিঘা কৃষিভূমিত পানী যোগানৰ সুচল ব্যৱস্থা কৰি বিভিন্ন শস্য উৎপাদনৰ পথ সুচল কৰি তুলিছে। বৃহত্তৰ অঞ্চলটোত এক কৃষি বিপ্লৱ তথা কৃষি অৰ্থনীতি টনকিয়াল কৰাৰ উদ্দেশ্যে গাঁও দুখনৰ কৃষকসকল একত্ৰিত হৈ অৰংগাজান শিলবান্ধ কমিটী গঠন কৰি এহেজাৰ কৃষিভূমিত বিভিন্ন শস্য উৎপাদনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। প্ৰগতিশীল কৃষক তথা অৰংগাজান শিলবান্ধ কমিটীৰ সভাপতি গকুল বড়ো আৰু সম্পাদক নেৰচেন বসুমতাৰীয়ে 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়া মতে মূল বান্ধৰ পৰা তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ নলা খান্দি এই কৃষিভূমিত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। তেওঁ প্ৰকাশ কৰা মতে সমন্বিত জনজাতি উন্নয়ন প্ৰকল্পৰ অধীনত নাবাৰ্ডৰ অৰ্থ সাহায্যত আৰু গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত মাত্ৰ ডেৰ লাখ টকাৰ অনুদানেৰে এই কাম সম্ভৱ কৰি তোলা হৈছে।

উল্লেখ্য যে উদ্যান শস্যৰ প্ৰসাৰ আৰু কৃষক পৰিয়ালসমূহৰ আৰ্থ-সামাজিক প্ৰগতি আৰু স্বাৱলম্বনৰ বাবে দুশটা পৰিয়ালক সামৰি লোৱা হৈছে। গ্ৰাম্য বিকাশ মঞ্চৰ উপ-সভাপতি প্ৰাঞ্জল চক্ৰৱৰ্তী আৰু প্ৰকল্পৰ সমন্বয়ক প্ৰশান্ত কুমাৰ দাসে জানিবলৈ দিয়া মতে ইতিমধ্যে দুশটা পৰিয়ালক সামৰি উদ্যান শস্যৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰৰ সমল ব্যক্তিৰ দ্বাৰা কৃষকসকলক প্ৰশিক্ষণ দিয়াৰ উপৰি উদ্যান শস্যৰ মাটি উপযুক্ত কৰি তোলা হৈছে। ইতিমধ্যে উদ্যান শস্যৰ ভিতৰত ১২ হেজাৰ উন্নত জাতৰ আমৰ পুলি, আঠ হেজাৰ মধুৰিআম আৰু আঠ হেজাৰ নেমুটেঙাৰ পুলিসহ মুঠ ২৮ হেজাৰ পুলি ৰোপণৰ কাম আৰম্ভ কৰিছে। উল্লেখ্য যে ইয়াৰ ভিতৰত প্ৰথম পৰ্যায়ত ৭২ টা পৰিয়ালক লৈ উদ্যান শস্যৰ কাম আৰম্ভ কৰা হৈছে। উদ্যান শস্যৰ পানী যোগানৰ বাবে ডোং বান্ধৰ জৰিয়তে নলাৰে পানী যোগন সুচল ব্যৱস্থা কৰাৰ উপৰি সৌৰশক্তি চালিত পাম্পৰ জৰিয়তে জলসিঞ্চনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি গাঁও দুখনৰ ২০টা পৰিয়ালক স্বাৱলম্বী কৰাৰ বাবে গাহৰি আৰু হাঁহ-কুকুৰা পালনৰ বাবে প্ৰশিক্ষণ দি ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

উল্লেখ্য যে গাঁও দুখনৰ বড়ো জনজাতি কৃষকসকলক লৈ গ্ৰহণ কৰা এই প্ৰকল্প অলপতে পৰিদৰ্শন কৰি নাবাৰ্ডৰ ৰাজ্যিক প্ৰৱন্ধক কে পি আৰ উদ্যোপা আৰু জিলা উন্নয়ন প্ৰৱন্ধক ৰাজেন্দ্ৰ প্ৰেৰণাই কয় যে সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প অভিলাষী আঁচনি। জনজাতি কৃষকসকলে ডোং বান্ধৰ জৰিয়তে কৃষিভূমিত পানীৰ যোগানৰ ব্যৱস্থা কৰি অসম্ভৱকো সম্ভৱ কৰি তুলিছে। ইয়াৰ জৰিয়তে কৃষকসকল যথেষ্ট উপকৃত হ'ব। উল্লেখ্য যে জনজাতি গাঁও দুখনৰ পুৰুষসকলেই নহয় মহিলাসকলেও সমানে এই প্ৰকল্পত হাত উজান দি কৃষিক অগ্ৰাধিকাৰ দিছে।

গাঁও দুখনৰ প্ৰায় এহেজাৰ বিঘা কৃষিভূমিত ধান, মাহ আৰু সৰিয়হ খেতি কৰাৰ উপৰি উদ্যান শস্যৰ লাভজনক কৃষিৰে স্বাৱলম্বী হোৱাৰ উপৰি কৃষি অৰ্থনীতিত প্ৰভূত বৰঙণি আগবঢ়াব পাৰিব বুলি আশা প্ৰকাশ কৰিছে খাটৰবাৰী গাঁও পৰিকল্পনা সমিতিৰ সভানেত্ৰী পটাই বড়ো আৰু সম্পাদিকা হিমাক্ষী বড়োৱে। তেওঁলোকে 'দৈনিক অগ্ৰদূত'ৰ আগত প্ৰকাশ কৰা মতে, গাঁও দুখনৰ আৰ্থ-সামাজিক প্ৰগতি সচ্ছল নহয়। গৰিষ্ঠ সংখ্যক পৰিয়ালে কৃষি আৰু দিনমজুৰ কৰি জীৱন নিৰ্বাহ কৰি চলি থকা পৰিয়াল।

কৃষিভূমি আছে যদিও উপযুক্ত জলসিঞ্চনৰ অভাৱত বছৰত মাত্ৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি এবাৰ ধান খেতি কৰি বহি থাকিব লগা হয়। এইবাৰ নাবাৰ্ড আৰু গ্ৰাম্য বিকাশ মঞ্চই আশাৰ সঞ্চাৰ কৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com